2000

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Tuesday, The 4th April, 2000.

The House met at 4 P. M. of the clock in the Assembly chamber at Dispur with Smti Renupoma Rajkhowa, Deputy Speaker in the chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mrs. Deputy Speaker : Now starred question No. 201, Hon'ble Member Shri Nizamuddin Khan

**বিষয় ঃ শিক্ষক ও কৰ্ম্মচাৰীৰ নিযুক্তি।**

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

*২০১/ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমানে শিক্ষক ও কৰ্ম্মচাৰী নিযুক্তি বন্ধ কৰাটো সঁচানে?

(খ) যদি সঁচা, এই নিযুক্তি বন্ধ কেতিয়াৰ পৰা কৰা হৈছে ?

(গ) নিযুক্তি বন্ধৰ সময়তো নিযুক্তি দিয়াটো সঁচানে?

(ঘ) পত্ৰ নং B (3) 566/2000/19, dtd. 08/02/2000 যোগে ধুবুৰী এছ, পি, উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জনৈক বেনাৰ্জী নামৰ বিষয় শিক্ষক নিযুক্তি দিয়াটো সচানে?

(ঙ) এই সম্পৰ্কত তদন্ত কৰি দোষী বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা

(খ) চৰকাৰৰ ০৬/১২/২৯ তাৰিখৰ আদেশ অনুসৰি নিযুক্তি বন্ধ ৰখা হৈছে।

(গ) সঁচা নহয়।

(ঘ) নিযুক্তি দিয়াটো সঁচা নহয়।

(ঙ) তদন্ত কৰি নিযুক্তি প্ৰমাণিত হলে দোষী বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰী নিজামুদ্দিন খান ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে নিযুক্তি দিয়া সঁচা নহয়। মই মোৰ প্ৰশ্নটোত নিৰ্দ্দিষ্টভাৱে কৈছো যে পত্ৰ নং (বি) (৩) ৫৬৬/২০০০/১৯ তাং ৮/২/২০০০ যোগে নিযুক্তি দিছে। এই চিঠিখন নিশ্চয় চৰকাৰৰ ঘৰত আছে।

* **শ্ৰী থানেশ্বৰ বড়ো, (শিক্ষা মন্ত্ৰী) ঃ** ধুবুৰী এচ পি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বেনাৰ্জী নামৰ বিষয় শিক্ষক হিচাবে নিয়মীয়া কৰা হৈছে। একেখন স্কুলতে তেওঁক আপগ্ৰেদ কৰা হৈছে যদি ফ্ৰেছ নিযুক্তি দিছে দোষী বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰী নিজামুদ্দিন খান ঃ** মন্ত্ৰী মহোদয়ে আগতে উত্তৰত কলে সঁচা নহয় এতিয়া মন্ত্ৰী মহোদয়ে একেখন স্কুলৰ এজন সহকাৰী শিক্ষকক বিষয় শিক্ষক হিচাবে নিযুক্তি দিছে অথচ নিযুক্তি বন্ধ আছে যিহেতু নিযুক্তি দিয়াটো সঁচা কি ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো, (মন্ত্ৰী) ঃ** আচলতে একেখন স্কুলৰে লোৱাৰ ক্লাচৰ পৰা তেওঁক আপগ্ৰেদ কৰা হৈছে। আপগ্ৰেদ কৰোতে যদি ৰুল ভায়োলেট কৰিছে বিহীত ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰী নিজামুদ্দিন খান ঃ** সহকাৰী শিক্ষক এজনক যদি আপগ্ৰেদ কৰিছে তেনেহলে তেওঁক পে প্ৰটেকচন দিছে নেকি? যিহেতু তেওঁক পে প্ৰটেকচন কৰা নাই গতিকে তেওঁক ফ্ৰেছ নিযুক্তি দিছে। গতিকে দোষী বিষয়াজনৰ বিৰুদ্ধে কি শাস্তি ব্যৱস্থা লব?

* **শ্ৰী থানেশ্বৰ বড়ো, (মন্ত্ৰী) ঃ** ইয়াক ডাইৰেক্ট নিযুক্তি বুলি কব নোৱাৰি যিহেতু তেওঁক বাহিৰৰ পৰা অনা নাই।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মন্ত্ৰী মহোদয়ে এই কথাটো জানে নে যে ১৯৯৬ চনতে চৰকাৰে আপগ্ৰেদেচন বন্ধ কৰিছিল। মোৰ সমষ্টিতে বহু কেইখন স্কুলত তেনে ঘটনা ঘটিছিল পাবলগীয়া শিক্ষকে নিযুক্তি নাপালে, তেওঁলোকক কিয় দিপ্ৰাইভ কৰা হল জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো, (মন্ত্ৰী) ঃ** একেখন স্কুলতে যদি সহকাৰী শিক্ষকজন অৰ্হতা সম্পন্ন হয় আৰু সেই স্কুলত যদি খালী পদ থাকে তেনেহলে তেওঁক আপগ্ৰেদ কৰিব পাৰি কিন্তু ফ্ৰেছ নিযুক্তি নহয়।

* **শ্ৰী নিজামুদ্দিন খান ঃ** একেখন স্কুলতে অৰ্হতাসম্পন্ন শিক্ষক থাকিলে তেওঁক আপগ্ৰেদ কৰিব পাৰি বুলি কিবা চাৰ্কুলাৰ আছে নেকি? যিহেতু তেনে কোনো চাৰ্কুলাৰ নাই তেনেহলে আপগ্ৰেদ কেনেকৈ হ'ব? বিষয়া সকলৰ ইচ্ছামতে কিবা কৰিব পাৰে নেকি? জানি শুনিও কৰা

★ Speech not corrected

ভুলৰ বাবে বিষয়াজনৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হব?

* **শ্ৰী থানেশ্বৰ বড়ো, (মন্ত্ৰী) ঃ** এই বিষয়টোত নিয়মৰ ব্যতিক্ৰম হোৱা যেন নালাগে। তথাপি মাননীয় সদস্য গৰাকীয়ে কৈছে যেতিয়া তদন্ত কৰা হব।

* **শ্ৰী আলি আকবৰ মিঞা ঃ** আজিৰ দিনতো সচিব বা বিষয়া সকলে নিযুক্তি দিবলৈ ফাইল ৰেডি কৰি ৰাখিছে। আমাৰ কাৰণে নিযুক্তি বন্ধ কিন্তু বিষয়া সকলে নিযুক্তি দিব পাৰে। মন্ত্ৰী মহোদয়ে এই সুবিধা তেওঁলোকক দিছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো,(মন্ত্ৰী) ঃ** নিযুক্তিত কিবা গোলমাল কৰিছে কাৰণেই নিযুক্তি বন্ধ কৰা হৈছে।

* **শ্ৰী দিলীপ শইকীয়া ঃ** এম্পাৱাৰ কমিটিয়ে চাব লাগিব বুলি সদায়ে আমাক কিন্তু এম্পাৱাৰ কমিটি হোৱাৰ পাছতো নিযুক্তি হৈয়ে আছে কথাটো সচা নে?

* **শ্ৰী থানেশ্বৰ বড়ো, (মন্ত্ৰী) ঃ** আমি জনাত তেনেকুৱা হোৱা নাই নিৰ্দ্দিষ্টকৈ কিবা দিলে অনুসন্ধান কৰিম কিন্তু বহুত সময়ত দেখা যায় সংস্কৃত, পাৰ্চি, আৰবিক আদি শিক্ষক নোহোৱাকৈয়ে লৰা পৰীক্ষাত বহিল। তেনেক্ষেত্ৰত ব্যৱস্থা লবলগীয়া হয় ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত এই ক্ষেত্ৰত তেনেকৈ দিয়া হ'ল তদন্ত কৰি চোৱা হব।

* **শ্ৰী হেমেন দাস ঃ** পাৰ্চী, আৰবী আৰু সংস্কৃতৰ কথা চিন্তা কৰিছে। প্ৰয়োজনীয় শিক্ষক নহলে লৰাই পৰীক্ষা দিব নোৱাৰে। বহুত স্কুলত বিজ্ঞান শিক্ষকৰ পদ খালী আছে। এই বিলাক পূৰণ কৰাৰ কাৰণে কি ব্যৱস্থা লৈছে?

* **শ্ৰী গহীন দাস ঃ** হাইস্কুল, এম, ই আৰু এল, পি স্কুলত পদ খালি আছে। ছাত্ৰ অনুপাতে শিক্ষক নাই। ১৬ জনৰ ঠাইত ১০ জন শিক্ষক আছে। প্ৰধান শিক্ষকে আপত্তি কৰিছে পদবিলাক খুলি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৫-৯-৮৮ তাৰিখৰ পৰা এজন বিজ্ঞান শিক্ষকে সহকাৰী শিক্ষক হিচাবে কাম কৰি আছে। নন প্লেনৰ পদ খালি হলে জ্যেষ্ঠজনক দিব লাগে। কিন্তু চৰকাৰে ১৯৯১ চনত নিযুক্তি পোৱা এগৰাকী শিক্ষয়ত্ৰীক উক্ত বিদ্যালয়ত জ্যেষ্ঠতম জনক বাদ দি নিযুক্তি দিবলৈ লৈছে। এই শিক্ষয়ত্ৰী গৰাকীৰ নাম হল হাচিনা খাতুন। তেওঁ এগৰাকী কেবিনেট মন্ত্ৰীৰ পি, এৰ পত্নী। ১৯৮৮ চনত নিযুক্তি পোৱা শিক্ষকক বাদ দি ১৯৯১ চনত নিযুক্তি পোৱা গৰাকীয়ে নিযুক্তি পাব এই ক্ষেত্ৰত ব্যৱস্থা লবনে?

* **শ্ৰী থানেশ্বৰ বড়ো, (শিক্ষা মন্ত্ৰী) ঃ** জ্যেষ্ঠতম জনৰ বিষয়ে দৃষ্টি গোচৰ কৰিলে নিশ্চয় ব্যৱস্থা লোৱা হব।

★ Speech not corrected

**Mrs. Dy. Speaker : Now Starred question No. 202**
**Hon'ble Member Shri Kali Ranjan Deb.**
**Re : Service Book L, P School Teachers**
**Shri Kali Ranjan Deb, Asked :**

* 202 Will the Minister of Education be pleased to State :

(a) Is it a fact that large number of Service Books of L.P. School Teachers of Katigorah Elementary Block of Cachar have been damaged in the office of the Deputy Inspector of Schools, Silchar in the Month of July, 1997?

(b) If so, what action has been taken for re-construction of those damaged Service Books?

(c) Also what measure have been taken by the Government to give pensionary benefits to the teachers who are now entitled to get pension and whose service books have been damaged?

* **Shri Thaneswar Boro (Minister of Education) : replied.**

(a) Yes.

(b) The District Elementary Education Officer, Cachar has been directed to enquire into the matter and submit a detailed report.

(c) Six numbers of teachers retired out of the damaged service books whose three nos. of retired teachers have been allowed to draw provisional pension and provisional Gratuity etc. as per rule. Steps will be taken to reconstruct of the completely damaged service books on receipt of enquiry report from the District Elementary Education Officer, Cachar.

* **Shri Kali Ranjan Deb :** Hon'ble Deputy Speaker, Madam, it is admited by the Hon'ble Minister that the Service Books were damaged in the year 1997. May I know from the Hon'ble Minister why it took three to order for an enquiry? why it could not be done earlier for which the teachers are suffering, they are not getting their

★ Speech not corrected

pensions, they are not getting their gratuties? Minister also stated that six numbers of teachers retired. Out of the damage service books three numbers of retired teacher have been allowed to draw provisional pension and provisional gratuity. Will the Minister take immediate steps to grant their provisional pension or regular pension or grant their gratuity etc. First, I want to know why it took three years to order for an enquiry and secondly whether the matter was suppressed by the officer?

* **Shri Thaneswar Boro, (Minister) :** Madam, 68 nos. of Service Books have been completely damaged and 9 nos. of Service Books partially damaged under the Block Elementary Education Officer, Katigorah in the office of the D.I. of Schools, Silchar. Six numbers of teachers retired from the service out of the above mentioned damaged Service Books and 3 nos. of retired teachers out of the 6 nos. have been allowed provisional pension as per rule as the Service Books are partially damaged. The remaining Service Books of three cases are required to be reconstructed and which is under process.

  The DEEO, Cachar has been directed to enquire into the matter and submit his findings vide Camp : Silchar dated 22.2.2000. But no report has yet been received till date. Necessary action for reconstruction of the damaged Service Books will be taken on receipt of the enquiry report from the District Elementary Education Officer, Cachar. In the meantime one office assistant namely Sripati Bhattacharjee, UDA has been placed under suspension.

**Mrs. Dy. Speaker : Now, Starred question No. 203,**
**Hon'ble Member Sri Ajit Singh**
**Re : Upgrading of High Schools.**
**Sri Ajit Singh asked :**

* 203. Will the Minister of Education be pleased to state :

★ Speech not corrected

(a) Whether the Govt. has any plan to upgrade High Schools to Higher Secondary Status?

(b) If, so, when it will be materialised and how many numbers of High Schools will be upgraded?

(c) Whether Govt. has issued any circular on ban of permission to any new L.P., M.E. & High Schools?

(d) If, so, when it will be opened?

* **Shri Thaneswar Boro (Minister of Education) replied :**

(a) No.

(b) Does not arise.

(c) Yes.

(d) No decision has been taken in this regard.

* **শ্ৰী অজিৎ সিং ঃ** প্ৰশ্নৰ উত্তৰত 'ন' হৈছে। 'ইয়েচ' কৰাৰ ব্যৱস্থা ল'ব নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** পুজিৰ অৱস্থা ভাল হ'লে চিন্তা কৰা হ'ব। আমাৰ কাৰ্য্যকালত ব্যৱস্থা হ'লে ভাল হয়। চৰকাৰৰ মনোভাৱ নিগেটিভ নহয়। এই মুহূৰ্ত্তত সম্পূৰ্ণ সিদ্ধান্ত দিব পৰা হোৱা নাই। বিবেচনাধীন হৈ আছে।

* **শ্ৰী গৌতম ৰয় ঃ** হাইলাকান্দিত এল, পি, এম, ইৰ সাক্ষাৎকাৰ লৈ পেনেল লিষ্ট হোৱা নাই।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** যিবিলাক খালি পদ আছে আৰু আগতে পেনেল লিষ্ট কৰা হৈছে লগতে চেয়াৰমেন মেম্বাৰৰ চহী আছে সেই বিলাক পৰৱৰ্তী কালত বিবেচনা কৰা হ'ব। যিবিলাকত পেনেল লিষ্ট হোৱা নাই সেই বিলাকত বেলেগ কমিটিৰ দ্বাৰা চিলেক্ট কৰা হ'ব।

* **শ্ৰী শৰৎ বৰকটকী ঃ** নতুন এল, পি, এম, ই আৰু হাইস্কুলত অনুমতি বন্ধ কৰিছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** নতুন হাইস্কুলৰ পাৰ্মিচন বন্ধ আছে। ১৯৯৭ চনৰ আগৰ স্কুলবিলাক বিবেচনা কৰিম। এম, ই, হাইস্কুল, এম, ই, মাদ্ৰাচা, হাই মাদ্ৰাচাত থকা এম, ই, স্কুল এমালগেমেচন কৰিলে এম, ই, স্কুল কমি যায়। পুৰণা স্কুল বিলাকৰ পাৰ্মিচন, ৰিকগনিচনৰ ব্যৱস্থা কৰিব লাগিব।

* **শ্ৰী শৰৎ বৰকটকী ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, চৰকাৰে এম, ই, হাইস্কুল আৰু এল, পি স্কুল প্ৰভিনচিয়েলাইজ কৰাৰ কাৰণে লিষ্ট বিচাৰিছে নেকি? মানুহ বিলাকে আমাৰ ওচৰলৈ

আহি হাহাকাৰ লগাইছে যে ডি, আই, নে সঞ্চালকে লিষ্ট বিচাৰিছে। ইয়াত কৈছে প্ৰভিনচিয়েলাইজ নহয়। ইয়াৰ পৰা চাৰকুলাৰ গৈছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয়া অধ্যক্ষা মহোদয়া, এল, পি / এম, ই / হাইস্কুল প্ৰভিনচিয়েলাইজ কৰাৰ কাৰণে স্কুলৰ তালিকা বিচৰাটো আগৰ কথা। হাইস্কুল ১৯৯২ আৰু এম, ইৰ ক্ষেত্ৰত ১৯৯০ চনৰ পৰা ১৯৯২ যিবিলাক ৰিকোগনাইজ এম, ই, স্কুল প্ৰত্যেক সমষ্টিৰে ১০ খন এল, পি স্কুল বিচৰা হৈছিল। তথ্যখিনি আহিলে চোৱা হ'ব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, ইতিমধ্যে টেলিগ্ৰাফ বাতৰি কাকতত ওলাইছে যে চৰকাৰে এম, ও, ইউত চহী কৰিছে আৰু সকলো চাকৰী বন্ধ কৰি দিছে। এইটো সঁচা নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** উপাধ্যক্ষা মহোদয়া, এম, ও, ইউত চহী কৰা সন্দৰ্ভত মই নকও। এই সম্পৰ্কত মাননীয় মুখ্য মন্ত্ৰীয়ে উত্তৰ দিব।

**Mrs. Dy. Speaker : Now, Starred question No. 204, Hon'ble Member Shri Hemen Das.**

**বিষয় ঃ ৰজনীকান্ত উচ্চতৰ মাধ্যমিক স্কুল।**

**শ্ৰী হেমেন দাসে সুধিছে ঃ**

* ২০৪ / মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ ৰজনীকান্ত উচ্চতৰ মাধ্যমিক স্কুলৰ অধ্যক্ষ শ্ৰী মোহন লাল দাসে কেতিয়া অৱসৰ গ্ৰহণ কৰিছে?

(খ) অৱসৰ গ্ৰহণৰ পিছত তেওঁ কেতিয়া কাক স্কুলৰ কাৰ্য্যভাৰ অৰ্পণ কৰিছে?

(গ) স্কুলৰ জ্যেষ্ঠ শিক্ষকজনক কাৰ্য্যভাৰ অৰ্পণ কৰাৰ বাবে তেওঁলৈ নিৰ্দ্দেশ দিয়া হৈছিল নেকি?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) শ্ৰী মোহন লাল দাসে ইং ৩০/০৯/৯৮ তাৰিখে ৫৮ বছৰ সম্পূৰ্ণ হোৱাত বৰপেটা জিলাৰ ৰজনী কান্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।

(খ) অৱসৰ গ্ৰহণৰ তাৰিখ উকলি যোৱাৰ পাছতো তেখেতে আদালতৰ আশ্ৰয় লৈ কাৰ্য্যভাৰ অৰ্পণ নকৰাকৈ আছিল।

(গ) ইতিমধ্যে এজন উপাধ্যক্ষক বদলি কৰি আনি তেখেতৰ ঠাইত দিয়া হৈছিল। কিন্তু সেই আদেশ বাতিল কৰি পুনৰ এজন জ্যেষ্ঠ শিক্ষকক কাৰ্য্যভাৰ অৰ্পণ কৰাৰ বাবে মাধ্যমিক

---

★ Speech not corrected

সঞ্চালকে তেওঁলোকলৈ প্ৰস্তাৱ দিবৰ বাবে বৰপেটা জিলাৰ বিদ্যালয় পৰিদৰ্শকক কোৱা হৈছে।

* **শ্ৰী হেমেন দাস ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয়া মন্ত্ৰীক ধন্যবাদ জনাইছো প্ৰশ্নটো শুধৰণী কৰাৰ কাৰণে। ময়ো সজনী লিখিছিলো, ৰজনী কেনেকৈ হ'ল ক'ব নোৱাৰো। এতিয়া মোৰ প্ৰশ্নটো হৈছে যে অৱসৰ পোৱাৰ পিছত এজন মানুহে আন এজন মানুহক তেওঁৰ দায়িত্বটো অৰ্পণ কৰিব লাগে। এই দায়িত্ব অৰ্পণ নকৰি তেওঁ কিমান দিন আছে আৰু কোনে ৰাখিছিল সেইটো জানিব বিচাৰিছো। হাইকোৰ্টলৈ যোৱাৰ কালছোৱাত দায়িত্ব অৰ্পণ নকৰাকৈ কেনেকৈ আছিল?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, এইখিনি তথ্য ভিত্তিত ক'ব পাৰিম। শ্ৰী মোহন লাল দাস সজনী কান্ত উচ্চতৰ মাধ্যমিক স্কুলৰ উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষহে তেওঁ ইং ৩০/০৯/৯৮ তাৰিখে অৱসৰ গ্ৰহণ কৰিব লাগিছিল যদিও ৬০ বছৰ কাল বয়সলৈ চাকৰিকাল বৃদ্ধিৰ বাবে আবেদন কৰি কাৰ্য্যভাৰ অৰ্পণ নকৰাকৈ থাকে। কিন্তু সেই আবেদন গ্ৰাহ্য নোহোৱাত আদালতৰ আশ্ৰয় লৈ কাৰ্য্যভাৰ নগতোৱাকৈ আছিল। ইতিমধ্যে বৰপেটা জিলাৰ বিদ্যালয় পৰিদৰ্শকে পদটো খালী হোৱা বুলি জনোৱাত শ্ৰী দেৱেশ্বৰ দাস নামৰ এজন উপাধ্যক্ষক কোকৰাঝাৰ জিলাৰ বাসুগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা বদলি কৰি আনি সজনী কান্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ কাৰ্য্যভাৰ ল'বলৈ কোৱা হয়। কিন্তু পুনৰ সেই আদেশ বাতিল কৰি মাধ্যমিক কাৰ্যালয়ৰ চিঠি নং জিবি-ই, এচ, টি,জি/এ, পিপি টিটি /৭৪/৯৮/১৫৭, তাৰিখ ১১/০২/২০০০ ৰ মৰ্মে সেই বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষকক ভাৰপ্ৰাপ্ত অধ্যক্ষৰ কাৰ্য্যভাৰ ল'বলৈ প্ৰস্তাৱ দিবৰ বাবে বৰপেটা জিলাৰ বিদ্যালয় পৰিদৰ্শকক জনোৱা হৈছে। বাসুগাওঁৰ পৰা আনিছিল যদিও চিনিয়ৰম'ষ্ট শিক্ষক থকা কাৰণে জইন কৰিব নোৱাৰিলে।

* **শ্ৰী হেমেন দাস ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মোৰ উত্তৰ এতিয়াও পোৱা নাই। প্ৰশ্ন হৈছে যেতিয়া অৱসৰ পাইছিল তেতিয়া চৰকাৰৰ পৰা নিৰ্দেশ পাইছে তেওঁ দায়িত্ব অৰ্পণ কৰক। শ্ৰী দেৱেশ্বৰ দাসক বদলি কৰিছে ২০০০ চনত। সেই সময়ত কোনো ভাৰপ্ৰাপ্ত অধ্যক্ষ নাই। আই, এচ, এ নিজে অধ্যক্ষ হিচাবে আছিল। যিজনে অৱসৰ পাইছিল তেওঁ দায়িত্বভাৰ অৰ্পণ কৰাৰ কাৰণে কিয় হেচা নিদিলে।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষা মহোদয়া, এইটো চাব লাগিব। সাধৰণতে তেনেকুৱা কৰিব নোৱাৰে। যদি কৰিছে ব্যৱস্থা ল'ম।

★ Speech not corrected

* শ্ৰী নিজামুদ্দিন খান ঃ অধ্যক্ষা মহোদয়া, মাননীয় মন্ত্ৰীয়ে কৈছে যে কোকৰাঝাৰৰ বাসুগাওঁৰ পৰা চিলেকচন নোপোৱা এজনত বদলি কৰি আনিছে। আৰু ভাৰপ্ৰাপ্ত কৰি ৰাখিছে। ভাৰপ্ৰাপ্ত কৰি দায়িত্ব দিয়াৰ আগতে চিনিয়ৰমোষ্ট শিক্ষকক কিয় দায়িত্ব দিয়া নাছিল, কি স্বাৰ্থত বাসুগাওঁৰ পৰা বদলি কৰি আনি চিলেকচন নোহোৱা জনক ভাৰপ্ৰাপ্ত কৰি ৰাখিছিল?
* শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ অধ্যক্ষা মহোদয়া, সেইখন বেংগলী মিডিয়ামৰ স্কুল হোৱা কাৰণে বাসুগাওঁৰ পৰা বদলি কৰিবলগীয়া হৈছিল। এতিয়া ব্যৱস্থা লোৱা হ'ব।
* শ্ৰী নিজামুদ্দিন খান ঃ অধ্যক্ষা মহোদয়া, এইটো অসত্য কথা। শ্ৰী দেৱেশ্বৰ দাস অসমীয়া মাধ্যমৰ শিক্ষক। বেংগলী মাধ্যমৰ নহয়। অসমীয়া মাধ্যমৰ শিক্ষক জনক বেংগলী মাধ্যম কিয় দিলে? সেইটো স্পষ্টকৈ ক'ব লাগে।
* শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ অধ্যক্ষা মহোদয়া, মই আগতে কৈছো তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হ'ব।

**Mrs. Dy. Speaker : Now, Starred question No. 205, Hon'ble Member Shri Bimolangshu Roy.**

## Re : R.E.C. Silchar.

**Shri Bimolangshu Roy asked;**

* 205. Will the Minister of Higher Education be pleased to state :
  - (a) Is it a fact that R.E.C., Silchar is to get Rs. 7.32 Crores from the State Government and against the dues, State Government last year sanctioned only rupees one crore but that money also has not been released?
  - (b) Is it a fact that the State government has not been releasing the budgeted amount of its share for last 15 years for which the college is virtually in the brick of closure?
  - (c) What step government has taken to save the Institution?

* **Shri Thaneswar Boro, (Minister, Education)** replied :

(a & b) The State Government has not been able to fully provide for its 50% share as budgetted by the R.E.C., Silchar, since 1986-87. The accumulated amount had reached Rs. 7.31 crores during the year 1999-2000. An amount of Rs. 1.00 crore, which had been provided in the State budget for 1999-2000, has since been sanctioned and released.

★ Speech not corrected

(c) While efforts would be made to increase the provisions in the State budget, this would depend on the overall availability of fund.

* **Shri Bimolangshu Roy :** Honble Deputy Speaker, Madam, Honble Minister has admitted that the State Government could not provide 50% share for REC, Silchar. We know REC is one of the prestigious colleges in the North East region and it is seen that this institution is not getting its share from the Government. Hon'ble Minister has admitted that from 1986-87 onwards that State Government could not provide 50% share to this institution and if the State Government cannot provide 50% share to the College then the State Government should move the Central Government stating that due to paucity of fund they are not in a position to provide 50% share so that the Central Government can take over this institution. Madam, may know from the Hon'ble Minister, as he has stated that the accumulated amount had reached to 7,31 cr. since 1986-87, that means at the hand of successive Government this college is being descreminated in getting fair deal. Madam, may I know from the Hon'ble Education Minister the extent of money released so far since 1986-87.

* **Shri Thaneswar Boro, Minister :** Madam, one statement has been prepared year-wise from 1986-87 to 1998-99 this can be given to Hon'ble Member. Madam, the problem is that the Regional Engineering College, Silchar was established in state of Assam. As it is a regional institution under the Government of India other States in the NE Region should also provide fund but they are not doing so inspite of fact that students other states apart from Assam are also studying in the REC. Assam is contributing alone. REC authority has also moved NEC for providing some amount of fund for maintaining the College. The REC prepares an annual budget, which is approved by its own Board of Governors. Normally 50% of the amount required to be paid to the REC by the State Government and the remaining 50% by the Central

★ Speech not corrected

Government. Although the State share of 50% as per the budget approved by the Board of Governors, has been quite high due to the overall financial constraints it has not been possible for the State of Assam to fully provide the enitre amount required by the REC in the State budget, a statement indicating the approved budget of REC and the State share is enclosed. This statement also shows the grant paid by the State Government as well as the internal resources generated by the College. So the Board of Governors have taken some measures for generating internal resources. Due to the increasing cost of Higher Education there is a need for technical institutions to increase their internal resources generation by way of consultancy and other such services. Unfortunately, the internal resources gererated by the REC, Silchar have been very low. This needs to be increased. This statement is placed on the table of the House and this can be given to Hon'ble Member.

* **Shri Bimolangshu Roy :** Madam, I am told that the fund provided to the REC for other development work by the Central Government has also been diverted by the college authority for payment of salary and that is why Centre has stopped payment of money for other developmental work. I am sure that Hon'ble Minister is aware of the fact as he is Chairman of the Board of Govemors.

* **Shri Thaneswar Boro, Minister :** There are 71 Member of Regional Engineering Colleges including REC. Silchar. Some financial difficulties are there, so REC should take some measures for internal resource mobilisation. Actually the Central Government has given some money for infrastructure development. But this amount has been diverted for payment of salaries. The State Government is thinking how this can be done away with, that is why we are thinking to make a provision of a non-lapsable fund so that some development work can be done in the REC.

* **Shri Bimalangshu Roy :** Hon'ble Deputy Speaker, Madam if the situation continues like this, I doubt whether the Government will be

---

★ Speech not corrected

able to run the college and pay the salaries to the teachers and staff. So may I know from the Hon'ble Minister whether Government is proposing to do anything in this regard?

* **Shri Thaneswar Boro, Minister :** Hon'ble Deputy Speaker, Madam, to combat the situation last year we enhaced this fund from Rs. 10 lakhs to Rs. 1cr. and this fund has been released. This year also we have taken some measures to remome the difficulties of the institution.

* **Shri Bimolangshu Roy :** Madam, one last point I want to know from the Hon'ble Minister that is the institution is running without a permanent principal for the last so many years. Whether a permanent principal is going to be posted shortly or not?

* **Shri Thaneswar Boro, Minister :** For the appointment of the permanent principal process is going on. In all probability this will take place shortly.

**Mrs. Dy Speaker :** Now Starred question No. 206,
**Hon'ble Member Dr. Nazrul Islam.**

**বিষয় ঃ বিনামূলীয়া পাঠ্যপুথিৰ যোগান**

**ডাঃ নজৰুল ইছলামে সুধিছে ঃ**

* **২০৬ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**
  - (ক) বিনামূলীয়া পাঠ্যপুথিৰ যোগান ধৰাৰ আঁচনি বৰ্ত্তমান বন্ধ কৰা হৈছে নেকি?
  - (খ) যদি হোৱা নাই, তেতিয়া হলে কোন শ্ৰেণীলৈকে ছাত্ৰক বিনামূলীয়াকৈ পাঠ্যপুথি যোগান ধৰা হৈছে?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষাবিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**
  - (ক) হয়।
  - (খ) প্ৰশ্নই নুঠে।

* **ডাঃ নজৰুল ইছলাম ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিছাৰিছো বিনামূলীয়া পাঠ্যপুথি যোগান ধৰাটো চৰকাৰে বন্ধ কৰিছে। আমাৰ ইয়াত শতকৰা ৪০ ভাগ মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহ। সেই ৪০ শতাংশ মানুহৰ লৰা ছোৱালীক পাঠ্য পুথি যোগানৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ বিনামূলীয়া পাঠ্যপুথি অষ্টম মানশ্ৰেণীলৈকে দিয়া আছিল, এম ই স্কুলত এইটো উঠাই দিয়া হৈছে যদিও প্ৰথম মানৰ পৰা চতুৰ্থ মানলৈ শতকৰা ৫০ শতাংশ ৰেহাই মূল্যত দিয়া হৈছে। এটা কথা হৈছে ৫০ শতকৰা ৰেহাই মূল্যত দিয়া হৈছে যদিওঁ কিতাপখনৰ মূল্য বেছি হৈছে। এইটো মালটি কালাৰ হোৱা কাৰণে বেছি হৈছে যদি বাইকালাৰ হোৱাহেতেঁন কম হ'লহেতেঁন অৱশ্যে আজি-কালি কালাৰটো থাকিলে ভাল হয়। এতিয়ালৈকে অসুবিধা কোনো পোৱা নাই। তাৰ কাৰণে বেলেগ বেলেগ ব্যৱস্থা আছে - ফৰমেল এডুকেশ্যন, নন ফৰমেল এডুকেশ্যন আবেলী, ৰাতিপুৱা, গধুলী শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। তাৰ কাৰণে কোনো অসুবিধা নাই।
* **ডাঃ নজৰুল ইছলাম ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, সকলোকে দিব নোৱাৰিলেও দৰিদ্ৰ সীমাৰেখাৰ তলৰ খিনিক দিয়াৰ ব্যৱস্থা কৰিব নেকি?
* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, দৰিদ্ৰ সীমাৰেখাৰ তলৰ বিলাকক দিবলৈ স্কীম থাকিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ চাবচিডিৰ টকা কম কৈ আছে। সেই কাৰণে কৰিব পৰা নেযাব।
* **শ্ৰী মোস্তাফা শ্বহিদুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, কেজি প্ৰতি দুটকা দামৰ চাউল বন্ধ কৰিছে, এতিয়া কিতাপো বন্ধ কৰিছে। দুখীয়া মানুহৰ কি হ'ব? দুখীয়া মানুহক লৈ খেলা কৰিব নোৱাৰে।
* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** উপাধ্যক্ষা মহোদয়া, কেজি প্ৰতি দুটকা দামৰ চাউল বন্ধ কৰিছে, এতিয়া কিতাপো বন্ধ কৰিছে। দুখীয়া মানুহৰ কি হ'ব? দুখীয়া মানুহক লৈ খেলা কৰিব নোৱাৰে।
* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** উপাধ্যক্ষা মহোদয়া, দুখীয়া মানুহক সহায় কৰাৰ কাৰণে চাবিছিডি দিয়া হয়। ভলুনটাৰী অৰগেনাইজেশ্বন আছে, এম. এল. এ., এম.পি., ফান্ড আছে, তাৰ পৰা সহায় কৰিব পাৰে।
* **শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ২০৬ নম্বৰ প্ৰশ্নোত্তৰত যিটো কৈছে ১৯৯৮ চনত প্ৰাথমিক পৰ্য্যায়ৰ স্কুল বিনামুলীয়াকৈ পাঠ্য পুথি দিয়া হৈছিল। তাত যথেষ্ট টকা খৰচ হৈছিল। এইটো হোৱাৰ কাৰণে এতিয়া ছাত্ৰ-ছাত্ৰীসকলে নিজে কিতাপ কিনিব লাগে। বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলে কিতাপ কিনিব লাগে নে চৰকাৰে যোগান ধৰিছে মন্ত্ৰী মহোদয়ে জনাব নে?
* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** উপাধ্যক্ষা মহোদয়া, নিজাববীয়াকৈ কিতাপ কিনি ল'ব লগীয়া

★ Speech not corrected

হৈছে, এইটো ফ্রি নহয়।

**Mrs. Dy. Speaker : Now, Starred question No. 207, Hon'ble Member Shri Sukhendu Shekhar Dutta.**

## Re : Non-Sanctioned posts.

**Shri Sukhendu Shekhar Dutta asked :**

* 207. Will the Minister of Education be pleased to state :

(a) How many teachers are working against non-sanctioned posts in the Deficit System Degree Colleges of Assam?

(b) Is it a fact that some such colleges are running only with one Lecturer in each subject?

(c) If yes, when the required number of teachers, as per U.G.C. Rules, will be appointed?

* **Shri Thaneswar Boro (Higher Education Minister) replied :**

(a) 390 teachers approximately

(b) Yes.

(c) The matter will be considered subject to availability of fund during the next financial year.

* **Sri Sukhendu Shekhar Dutta :** Hon'ble Deputy Speaker, Madam, I have a supplementary and that relates to the policy matter. Madam as we know, generally 3 teachers are for each subject in the colleges. Government has approved 19 colleges under deficite system in the year 1998-99 with one lacturer in each subjected, that violates the prescribed norms of the UGC. Naturally, I think our Government is going against the provisions of the UGC, so, what action will be taken to fulfill the UGC norms regarding number of teacher in a particular department.

* **Hon'ble Deputy Speaker :** Now Hon'ble Minister, Education.

* **Sri Thaneswar Boro, Minister :** There are 390 teachers (approx.) working against non-sanctioned post in non-Govt. (deficite) colleges. However requirement of addl. post may increase as per University regulation. Few colleges are maintaining excess teachers as per

★ Speech not corrected

present University norms for which the number of working teachers may be high. It is a fact that in a few colleges, some Departments are running with single teacher. Required number as per UGC's norms may be created in the next financial year if sufficient fund allotted by Planning Commission. But the Planning Commission has not sit uptill now and discussed that what will be fund position and how much fund will be allotted to this Department. We are facing difficulties due to high pay scale of College Teachers as per UGC norms. The college Teachers and University Teachers may not get revised UGC pay scale due to financial difficulties and that is why we are unable to fulfill the demand of the Colleges.

* **Sri Sukhendu Shekhar Dutta :** Hon'ble Deputy Speaker, Madam, I am not interested that some colleges are maintaining excess Teachers. My point is simple. There should be staff pattern in every college. Whether this is being followed or not. Government has approved 19 colleges under deficit system in the year 1998-99 with one staff in every subject but it appears that the Govt. of Assam has violated the staffing pattern prescribed by the UGC. In this connection I would like to request the Hon'ble Minister to appoint one more teacher in each and every department because as per the present norm prevailing in the colleges if some one goes on leave then that particular department remains unattended. This is no doubt a serious matter and that is why I would expect from the Hon'ble Minister to appoint at least one more teacher in each college to maintain the staffing pattern.

* **Sri Thaneswar Boro, (Minister) :** As per the UGC guidline, posts cannot be sanctioned and filled up at a time. Any way the matter will be looked into and if it is found that any discipline is running short of teacher in any college then steps will be taken to fill up the same.

* **Sri Sukhendu Shekhar Dutta :** Hon'ble Deputy Speaker, Madam, it is for the information of the house how disciplene in a college can run with single teacher? I do not know. Thank you.

---

★ Speech not corrected

**Mrs. Dy. Speaker :** Now, Starred question No. 208.
Hon'ble Member Shri Girindra Kumar Baruah.

**বিষয় ঃ শিক্ষকৰ সংখ্যা।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ২০৮ / মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান ৰাজ্যখনত সৰ্বমুঠ বিদ্যালয় পৰ্য্যায়ৰ শিক্ষকৰ সংখ্যা কিমান?

(খ) ইয়াৰে কিমানজনে নিয়মীয়াভাবে আৰু অনিয়মীয়া ভাবে অথবা দৰমহা নোপোৱাকৈ কিমানজন শিক্ষক আছে অনুগ্ৰহ কৰি জনাবনে ঃ

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** য়ে উত্তৰ দিছে ঃ

| | | |
|---|---|---|
| (ক) প্ৰাথমিক বিদ্যালয় | - | ৮২,৬১৪ জন |
| মাধ্যমিক বিদ্যালয় | - | ৫২,৮৪৪ জন |
| উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় | - | ৫৪,০৩৪ জন |
| | - | ১,৮৯,৪৯২ জন |

(খ) সম্পৰ্ণ তথ্য পাবলৈ বাকী আছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আচলতে মূল কথা হৈছে কিমানজন শিক্ষকে দৰমহা নোপোৱাকৈ আছে? মন্ত্ৰী মহোদয়ে কৈছে যে সম্পূৰ্ণ তথ্য পাবলৈ বাকী আছে। নিযুক্তি পোৱা শিক্ষকসকলে দৰমহা নোপোৱাৰ কাৰণ কি?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, ফাণ্ডৰ অসুবিধা আছে আৰু নিযুক্তি ও অতিৰিক্ত আছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** উপাধ্যক্ষা মহোদয়া, শিক্ষক যদি বেছি হৈছে কমোৱাৰ কাৰণে মনোহৰণ কমিটিয়ে কৈছিল। এইটো কামৰ কাৰণে মানুহৰ মন হৰি নিয়া কমিটি? অতিৰিক্ত শিক্ষকৰ ক্ষেত্ৰত মনোহৰণ কমিটিয়ে কি কৈছিল? যদি অতিৰিক্ত আছেই কিহৰ মৰমত বা দয়াত ৰাখি থোৱা হৈছে? যিটো কাৰণত আন বাকীখিনিয়েও দৰমহা পোৱা নাই। ইয়াৰ কাৰণ ক'ব নে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** বেলেগ প্ৰশ্ন কৰিলে ভাল আছিল। তথাপিও কওঁ যে পদসমূহ ডিমান্ড অনুসৰি ল'ব লাগিছিল কিন্তু পাচ হাজাৰৰ ঠাইত যদি দহ হাজাৰক নিয়োগ কৰা হয়

★ Speech not corrected

তেন্তে দৰমহা নাপাবই। এইটো দেখ দেখ কথা। এতিয়া পৰীক্ষা কৰি থকা হৈছে। আৰু প্ৰায় চেটল হৈ আহিছে। লগতে বহুতখিনি আগবাঢ়িছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, ছাৰৰ কথা শুনিও ভাল লাগে, শিক্ষা বিভাগৰ কাৰণে কম বেছি কিছু কৰিছে কিন্তু শিক্ষা বিভাগত সকলোৱেই যোগদান কৰি কম বেছি কিছু কৰিছে। কিন্তু আমি দেখিছোঁ বৃন্দাবন গোস্বামীয়েই হওক, থানেশ্বৰ বড়োৱেই হওক, বা শৰৎ বৰকাকটীয়েই হওক এই আটাইকিজনেই দেখাই কথাই মাতে ধুনীয়া কিন্তু কাম হ'লে বৰ বেছি হোৱা নাই। শিক্ষক যদি অতিৰিক্ত ভাৱে নিয়োগ কৰাই হৈছে তেন্তে এতিয়ালৈকে আতৰোৱা নাই কিয় এইটো কৰাত বাধা ক'ত?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, এইটো ব্যৱস্থা কৰি থকা হৈছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, নগাওঁ জিলাত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৯৮-৯৯ চনত জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ কাৰণে চৰকাৰে পৰিকল্পনাৰ শিতানৰ টকা আদায় দিছিল। কিন্তু তাত ৫০ খন স্কুল আছে যদিও ৩০ খনে পালে বাকী ২০ খন স্কুলে নাপালে। এইটো অকল বিষয়া কৰ্মচাৰীৰ হেমাহিৰ কাৰণেই হৈছে। এইটো মন্ত্ৰী মহোদয়ে জানেনে? আৰু যদি জানে তেন্তে এই দোষী বিষয়া সকলৰ ওপৰত এতিয়াও কিয় একশ্যন লোৱা হোৱা নাই জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, এইটো বেলেগ প্ৰশ্ন হ'লে ভাল আছিল। তথাপিও মাননীয় সদস্যই কথাটো উত্থাপন কৰিলে যেতিয়া কওঁ, বিষয়টো অনুসন্ধান কৰি চাম।

**Mrs. Dy. Speaker :** Now, Starred question No. 209.
Hon'ble Member Shri Ali Akbar Miah.

**বিষয় ঃ বিলাসীপাৰা কলেজ পৰিচালনা সমিতি গঠন প্ৰসংগ।**

শ্ৰী আলি আকবৰ মিঞাই সুধিছে ঃ

* ২০৯/ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে?

(ক) চিঠি নং B (2) H. 46/99/21, dated 21.12.99 যোগে বিলাসীপাৰা কলেজৰ বিপৰীতে গঠন কৰা পৰিচালনা সমিতিখনেই বাহাল আছেনে, নে অন্য সমিতি গঠন কৰা হৈছে (যদি অন্য সমিতি গঠন কৰা হৈছে, তেন্তে সেই সমিতি গঠনৰ কপি সংলগ্ন কৰি দি সদনৰ মেজত দিব)?

(খ) ২১-১২-৯৯ ইং ত গঠন কৰা পৰিচালনা সমিতিৰ আগৰ সমিতিৰ কাৰ্য্যকালত নিৰ্বাচনী

বিধি নিয়ম উলংঘা কৰি কলেজ খনৰ শিক্ষক বা অন্য পদত প্ৰাৰ্থীক নিযুক্তি দিয়াটো সঁচানে? যদি সঁচা তেন্তে তাৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

* শ্ৰী থানেশ্বৰ বড়ো (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) B (2) H. 46/99/21, dated 21.12.99 জাননী যোগে গঠন কৰা বিলাসীপাৰা কলেজৰ পৰিচালনা সমিতি খন ভংগ কৰি B (2) H. 46/99/23, dated 15.2.2000 জাননী যোগে নতুন পৰিচালনা সমিতি গঠন কৰা হৈছে। উক্ত সমিতি খনৰ এখন প্ৰতিলিপি উত্তৰৰ সৈতে সংলগ্ন কৰি দিয়া হ'ল।

(খ) নিৰ্বাচনী বিধি নিয়ম উলংঘা কৰি কলেজৰ কোনো শিক্ষক বা অন্য পদৰ প্ৰাৰ্থীক নিযুক্তি দিয়া হোৱা নাই।

COPY
GOVERNMENT OF ASSAM
EDUCATION (HIGHER) DEPTT. DISPUR
ORDERS BY THE GOVERNOR OF ASSAM
NOTIFICATION

Dtd. 15.02.2000

No B(2)H46/99/23 : In exercise of the powers conferred under Rule 2 & 3 of the Assam Aided College Management Rules, 1976 (as amended) the Governor of Assam is pleased to re-constitute a spl. body for Bilasipara College, District Dhubri with the following members with immediate effect.

Further the Special Body constituted vide Notification No. B(2)H.46/99/21, dtd. 21.12.99 is hereby dissolved.

| | | |
|---|---|---|
| 1. | Sri Prasanta Kr. Barua, MLA, Bilasipara East LAC | President |
| 2. | Principal of the College | Secretary |
| 3. | Sri Arun Kr. Das, Bilasipara | Member |
| 4. | Sri Hridayananda Das, Principal, Bilasipara Public H.S. School | -do- |
| 5. | Sri Mahanta Devnath, Retd. Principal, Salkocha H.S. School | -do- |
| 6. | Sri Giasuddin Ahmed, Ex. MLA, Bilasipara West LAC | -do- |

★ Speech not corrected

7. Sri Dipa Bhattacharjee, Bilasipara, -do-
8. Sri Madan Saha, Bilasipara -do-

Sd/- P.K. Tamuli
Deputy Secy. to the Govt. of Assam.
Education (H) Deptt.
Memo No B(2)H46/99/23-A,
Dtd. Dispur, the 15th Feb/2000.

Copy to the :
1. Director, Higher Education, Assam, Ghy.-19
2. Principal, Bilasipara College, Dhubri
3. P.S. to the Minister, Education, Assam
4. Supdt., Assam Govt. Press, Guwahati-21 for publish in the next issue of Assam Gazette.
5. Member concerned.

By order etc.,
Sd/-
Deputy Secy. to the Govt. of Assam
Education (H) Deptt.

* **শ্ৰী আলী আকবৰ মিঞা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে সেই উত্তৰ যি সকলে চপ্লাই কৰিছে সেই সকলে অসত্য তথ্য দিছে বুলি মই মন্ত্ৰী মহোদয়ক কৈছোঁ আৰু এইটো জানিব বিচাৰিছো যে সেই তথ্য যদি অসত্য প্ৰমাণিত হয় তেন্তে সেই বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে কি ব্যৱস্থা ল'ব?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, আমাৰ মাননীয় সদস্য সকলে অলপ জানি বুজি প্ৰশ্ন কৰিলে ভাল হয়। প্ৰভিন্সিয়েলাইজ স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চিলেকশ্যন বোৰ্ড আছে, চৰকাৰী স্কুলৰ ক্ষেত্ৰত সঞ্চালকৰ অফিছৰ পৰা দিয়া হয় আৰু কলেজৰ ক্ষেত্ৰত গৰ্ভনিং বডিয়ে দিয়ে আমি মাত্ৰ এপ্ৰভহে কৰোঁ। মঞ্জুৰী আদি আমি দিওঁ, কিন্তু নিযুক্তি আমি নিদিওঁ। তথাপি এইটো ছিয়ৰ মাননীয় সদস্যই কৈছে যেতিয়া আমি অনুসন্ধানৰ ব্যৱস্থা কৰিম। আচলতে এইটো গৰ্ভনিং বডিতহে আহিব লাগে। তথাপিও আমি এই ক্ষেত্ৰত কি এনমেলিজ

হৈছে চাম।

* শ্ৰী আলী আকবৰ মিঞা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, এইটো গৰ্ভনিং বডিত অহা নাই নিৰ্বাচনী বিধি উলংঘা কৰি বাহিৰৰ পৰা নিযুক্তি দিয়া হৈছে, মোৰ হাতত তথ্য আছে। এইটো প্ৰমাণিত হ'লে মন্ত্ৰী মহোদয়ে দোষী বিষয়াৰ বিৰুদ্ধে কি ব্যৱস্থা ল'ব জনাবনে।

* শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ মাননীয় উপাধক্ষা মহোদয়া, তদন্তৰ ব্যৱস্থা কৰা হ'ব।

**Mrs. Dy. Speaker :** Now, Starred question No. 210.

Hon'ble Member Shri Mohendra Mohan Rai Choudhury.

**বিষয় ঃ জলসিঞ্চন আঁচনি।**

**শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ**

* ২১০/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ মঙ্গলদৈ জলসিঞ্চন বিভাগৰ অন্তৰ্গত-

(১) বেগা জলসিঞ্চন আঁচনি (ভকতপাৰা কলিতাপাৰা)

(২) দীমিলা জলসিঞ্চন আঁচনি (খৈৰাবাৰী)

(৩) কালপানী জলসিঞ্চন আঁচনি।

(৪) বৰনদী জলসিঞ্চন আঁচনি (আন্ধেৰী ঘাট)

(৫) কুলশিক জলসিঞ্চন আঁচনি

কেইটাৰ পৰা পানী যোগান ধৰিব নোৱাৰা কথাটো সত্য নে?

* **শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**
আংশিকভাৱে সত্য। অৱশ্যে বৰনদী জলসিঞ্চন আঁচনিটো টংলা মণ্ডলৰ অধীনত।

* শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, আচল কথাটো হ'ল এই পাচটা জলসিঞ্চন আচনিৰ এটাও কৰ্মক্ষম নহয়। গতিকে খেতি বাতিত পানী যোগান দিয়াৰ ব্যৱস্থা কেতিয়া হব এইটো জনাবনে?

* শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, মই এই কথাটো তদন্ত কৰি চাম কিয় পানী পোৱা নাই। অৱশ্যে ৰিপৰ্টত আমাক জনাইছে যে মেছিনেৰী বেয়া হৈ আছে অৰ্থৰ অভাৱৰ কাৰণেই এইবোৰ মেৰামতিও কৰিব পৰা নাই, সেয়ে কৰ্ম্মক্ষম কৰিব পৰা নাই। মই এইটো সোনকালেই চলোৱাৰ ব্যৱস্থা কৰিম।

* শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ উপাধ্যক্ষা মহোদয়া, এই পাঁচটা জলসিঞ্চন আঁচনিৰ এটাৰ পৰাও পানী দিব পৰা অৱস্থা নাই সেয়ে আংশিক নহয় গোটেই ব্যৱস্থাটোৰ এটা তদন্ত কৰাৰ

ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নে?

* শ্ৰী আব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) ঃ উপাধ্যক্ষা মহোদয়া, এইটো তদন্ত কৰাৰ ব্যৱস্থা কৰি বিভাগীয় ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিম।

(Starred question No. 211 was not raised as the questioner of the said question was not present in the House when called upon.)

(Starred question No. 212 to 220 could not be taken up for disposal as the question hour is over. However the said questions deemed to have been laid on the table of the House with replies thereof)

## Re. : Production of Tea.

**Shri Bharat Chandra Narah asked.**

* 212/ Will the Minister of Industry be pleased to state :

(a) Total production of Tea in the State? (In million kg.)

(b) Whether the tea production is sharply decreessing?

(c) If so, the reasons thereof?

* **Shri Gunin Hazarika (Hon'ble Minister of Industries) replied :**

(a) In the calender year 1999 the State of Assam produced 419 Millions kg. of Tea.

(b) The production in the State has been increasing since 1995 to 1998. However in 1999 production of tea in the State has decreased by 44 Millions kg.

(c) The reason for this decline is that between Nov.'98 and May'99 there was serious drought throughout the tea growing areas of the State and as a result the production decreased.

**বিষয় ঃ ছোৱালী মহাবিদ্যালয়**

**শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে ঃ**

* ২১৩/ মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ দুলীয়াজানত ১৯৯২ চনতে প্ৰতিষ্ঠা হোৱা দুখন জিলাৰ ভিতৰত একমাত্ৰ ছোৱালী মহাবিদ্যালয় খনক Deficit Grant-in-aid দিয়াৰ ব্যৱস্থা লৈছে নেকি?

(খ) যদিহে নাই লোৱা Deficit Grant-in-aid ৰ বাবে সকলো খিনি নীতি নিয়ম সম্পন্ন কৰা এই কলেজ খনে কিমান দিনৰ ভিতৰত পাবলৈ সক্ষম হব?

* শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নাই।

(খ) অতিৰিক্ত পুঁজিৰ আবন্টন পালে বিবেচনা কৰা হব।

**বিষয় ঃ ভূমকি জলসিঞ্চন আঁচনি।**

**শ্ৰী মোহন দাসে সুধিছে ঃ**

* ২১৪/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাঠশালা জলসিঞ্চন সংমণ্ডলৰ অন্তৰ্গত বজালী মহকুমাৰ উত্তৰ প্ৰান্তত অৱস্থিত ভূমকি জলসিঞ্চন আঁচনিৰ মূল বান্ধটোৰ মেৰামতিৰ কাম আজিলৈকে সম্পূৰ্ণ হৈ নুঠাৰ কাৰণ কি?

(খ) এই বছৰ বাৰিষাৰ আগতে (মাৰ্চৰ ভিতৰত) উক্ত মেৰামতিৰ কাম সম্পূৰ্ণ কৰি কৃষক ৰাইজক পানী যোগান ধৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে?

* শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰধানতঃ বিত্তীয় নাটনিৰ কাৰণেই কামৰ গতি মন্থৰ আৰু বাধাগ্ৰস্ত হৈছে।

(খ) বৰ্ত্তমান কাম চলি আছে আৰু প্ৰয়োজনীয় বিত্তীয় আবন্টনৰ সাপেক্ষেহে ২০০০-২০০১ বিত্তীয় বছৰত মেৰামতিৰ কাম সম্পূৰ্ণ কৰি কৃষক ৰাইজক পানীৰ যোগান ধৰিব পৰা যাব বুলি আশা কৰা হৈছে।

**বিষয় ঃ গেছ ক্ৰেকাৰৰ বাবে কিমান মাটি অধিগ্ৰহন।**

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ**

* ২১৫/ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ টেঙাখাতত হব লগা গেছ ক্ৰেকাৰৰ বাবে কিমান মাটি অধিগ্ৰহন কৰা হৈছিল?

(খ) উক্ত মাটি কিমানটা পৰিয়ালৰ পৰা অধিগ্ৰহণ কৰা হৈছিল আৰু সেই মাটি সমূহ গেছ ক্ৰেকাৰৰ বাবে ব্যৱহাৰ কৰা হৈছেনে?

(গ) যদি কৰা হোৱা নাই অধিগ্ৰহণ কৰা মাটি পুনৰ ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিবনে?

* শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

★ Speech not corrected

(ক) মুঠ ৩০৪৪ বিঘা ৩ লেচা ব্যক্তিগত মাটি অধিগ্ৰহন কৰাৰ বাবে কাম হাতত লোৱা হৈছিল।

(খ) উক্ত মাটি দুখন চাহ বাগিছা আৰু ২৪৭ টা পৰিয়ালৰ পৰা অধিগ্ৰহনৰ ব্যৱস্থা কৰা হৈছিল। এতিয়ালৈ এই মাটি গেছ ক্ৰেকাৰৰ বাবে ব্যৱহৃত হোৱা নাই।

(গ) ভৱিষ্যতে উক্ত মাটি যদি ব্যৱহাৰ কৰা নহয়, সেই মাটি ঘুৰাই দিয়াৰ ব্যৱস্থা কৰা হব।

## Re. : Deficit System of Colleges.

**Shri Abu Saleh Nazmuddin Asked :**

* 216/ Will the Minister of Higher Education be pleased to state :

(a) Is there any proposed of Govt. to bring more colleges in Assam under Deficit system/Grant-in-aid during the year 2000-2001?

(b) If so then will the Govt. be pleased to bring West Silchar College under deficit system?

* **Shri Thaneswar Boro, (Higher Education Minister) replied :**

(a) The matter is under consideration of Government.

(b) The matter will be considered in due course subject to fulfilment of requisite conditions and availability of fund.

## বিষয় ঃ অপাৰেচন ব্লেক বৰ্ড আঁচনি।

**শ্ৰী এতোৱা মুণ্ডাই সুধিছে ঃ**

* ২১৭/ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ কিমানখন উন্নয়ণ খণ্ডত ১৯৯৬-৯৭/৯৭-৯৮/৯৮-৯৯ বিত্তীয় বৰ্ষত অপাৰেচন ব্লেকবৰ্ড আঁচনিত কেইটাকৈ স্কুলঘৰ নিৰ্ম্মাণাৰ্থে ধৰা হৈছে উন্নয়ণ খণ্ড ভিত্তিত জনাবনে? লগতে কিমানখন স্কুলে আচবাব মেৰামতিৰ বাবে অনুদান পাইছে নামে সৈতে জনাৰ আৰু সদনৰ মেজত দিব?

(খ) উক্ত আঁচনি ভুক্ত স্কুল নিৰ্মাণ ও আচবাব মেৰামতিৰ কিমানখন স্কুল সম্পূৰ্ণ হল আৰু কিমানখন বাকী আছে উন্নয়ণ খণ্ড ভিত্তিত জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৬-৯৭, ৯৭-৯৮, আৰু ৯৮-৯৯ চনৰ বিত্তীয় বৰ্ষত অপাৰেচন ব্লেক বোৰ্ড আঁচনিৰ অধীনত স্কুল ঘৰ নিৰ্মাণাৰ্থে ও আচবাব মেৰামতিৰ বাবে পুঁজিৰ ব্যৱস্থা নাছিল।

(খ) প্ৰশ্নই নুঠে।

---

★ Speech not corrected

## Re. : LL. B Course

**Shri Prodyut Bordoloi asked :**

* 218/ Will the Minister of Education be pleased to state :

(a) Whether the Government is aware that the Bar Council of India has enhanced the number of Law subjects in the LL.B. Course from its existing 18 subjects to 28 subjects?

(b) In view of the increase in subjects would it be necessary for Law Colleges to appoint more teachers to cope up?

(c) Whether the Government is also aware that as per Bar Council directions all Law Colleges have to operate as full fledged day time colleges abolishing mornning or evenning shifts?

* **Shri Thaneswar Boro (Higher Education Minister) replied :**

(a) Yes.

(b) yes.

(c) Yes.

## বিষয় ঃ ক্ষুদ্ৰ জলসিঞ্চন আঁচনি ঃ

**শ্ৰী ৰচিদুল হকে সুধিছে ঃ**

* ২১৯/ মাননীয় জলসিঞ্চন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ৰূপহী ঘাট বিধান সভা সমষ্টিৰ অন্তৰ্গত "পুঠি খাইটি" আৰু "চটিয়ানু" নামৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনি দুটা বন্ধ হৈ থকাটো চৰকাৰে জানেনে?

(খ) যদি জানে, এই আঁচনি দুটা কাৰ্য্যক্ষম কৰি কেতিয়ালৈকে পানী যোগান দিব পাৰিব জনাবনে?

* **শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) "পুঠি খাইটি" আঁচনিখন আংশিক ভাৱে চলি আছে আৰু "ছটিয়ান" আঁচনিখন মেৰামতিৰ অভাৱত অচল হৈ আছে।

(খ) মেৰামতিৰ শিতানত আৱশ্যকীয় পুঁজিৰ আবন্টন পালে আৱশ্যকীয় মেৰামতিখিনি কৰি পানী যোগানৰ ব্যৱস্থা কৰিব পৰা যাব।

## বিষয় ঃ বিশ্ব বেংকৰ সাহায্য।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

* ২২০/ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মীন বিভাগে বিশ্ব বেংকৰ জৰিয়তে মুঠ কিমান টকাৰ সাহায্য লাভ কৰিছে?

(খ) উক্ত সাহায্যৰ দ্বাৰা বা কেনে ধৰণৰ আঁচনি লোৱা হৈছে?

(গ) ডিব্ৰুগড় জিলাত কিমান টকাৰ সাহায্য দিয়া হৈছে জনাবনে?

**শ্ৰী বুবুল দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিশ্ববেংকে অসম আন্তঃগাঠনি আৰু কৃষি সেৱা প্ৰকল্পৰ অধীনত মীন বিভাগৰ বাবে ১৯৯৫-৯৬ চনৰ পৰা ২০০২-০৩ চনলৈ ৯ খন আঁচনি ৰূপায়নৰ বাবে মুঠ ২৮৩৭.৪০ লাখ টকাৰ সাহায্যৰ প্ৰকল্পত অনুমোদন জনাইছে।

(খ) বিশ্ববেংকৰ সাহায্যৰ দ্বাৰা নিম্নলিখিত ৯ খন আঁচনি ৰূপায়নৰ বাবে হাতত লোৱা হৈছে—

(১) মৎস্য উৎপাদন কেন্দ্ৰ (অসম কৃষি বিশ্ববিদ্যালয়)।

(২) ভ্ৰাম্যমান মৎস্য স্বাস্থ্য কেন্দ্ৰ।

(৩) ব্যক্তিগত পুখুৰী উন্নয়ন ও মীন পালন।

(৪) ৰাজহুৱা পুখুৰী উন্নয়ন ও মীন পালন।

(৫) মীন মহল উন্নয়ন।

(৬) মীন গৱেষণা কেন্দ্ৰ।

(৭) মীন সম্প্ৰসাৰণ শিক্ষা ও প্ৰশিক্ষণ।

(৮) মুক্ত জলাশয় উন্নয়ন।

(৯) প্ৰকল্প নিৰীক্ষণ ও মুল্যাংকন কোষ।

(গ) বিশ্ববেংকৰ অৰ্থসাহায্যৰে ডিব্ৰুগড় জিলাত আঁচনি অনুসৰি আবন্টন দিয়া ধনৰ পৰিমান তলত দেখুওৱা হ'ল—

<u>১৯৯৬-৯৭ ঃ</u>

(১) ব্যক্তিগত পুখুৰী উন্নয়ন-৭টা (১.৬৫ হেঃ) - ১.১৯ লাখ টকা।

(২) ৰাজহুৱা পুখুৰী উন্নয়ন-২টা (৪.০০ হেঃ) - ২.৮৮ লাখ টকা।

(৩) শস্য উদ্যান ও মীন পালন-২টা (০.৫০ হেঃ) - ০.৩৪ লাখ টকা।

(৪) গাহৰী ও মীন পালন-১টা (০.২৫ হেঃ) - ০.৩০ লাখ টকা।

<u>১৯৯৭-৯৮ ঃ</u>

(১) ব্যক্তিগত পুখুৰী উন্নয়ন-১০ টা (২.৬৬ হেঃ) - ১.৯১ লাখ টকা।

(২) গাহৰীৰ লগত মীন পালন-১টা (০.২৫ হেঃ) - ০.৩০ লাখ টকা।

১৯৯৮-৯৯ ঃ

(১) ব্যক্তিগত পুখুৰী উন্নয়ন-২১টা (৩.১৪ হেঃ) - ২.৫৭ লাখ টকা।

(২) শষ্য উদ্যান ও মান পালন-৫টা (১.১১ হেঃ) - ০.৮৭ লাখ টকা।

বিল উন্নয়ন ঃ

(১) গৰুধৰিয়া মীন মহল- ৪,১০,৭০০.০০ টকা। (নিবিদা অনুসৰি সংশোধিত)

(২) কলাখোৱা মীন মহল - ৬,৮৯,৫৩০.০০ টকা।

**Mr. Speaker : Now, Short Notice Question No. 2.**

**বিষয় ঃ কোকৰাঝাৰ জিলাৰ D.P.E.P.**

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মই সুধিছে ঃ** মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কোকৰাঝাৰ জিলাৰ DPEP য়ে প্ৰতিখন প্ৰাইমাৰী স্কুলৰ কাৰণে ছবি তোলা কেমেৰা কিনা কথাটো সঁচানে? যদি কথাটো সঁচা হয় তেন্তে কিমানখন কেমেৰা কিনা হৈছিল আৰু সেইবোৰৰ মূল্য কিমান জনাবনে?

(খ) কেমেৰাবোৰ কোনে যোগান দিছিল আৰু কোনটো প্ৰতিষ্ঠানৰ পৰা কিনা হৈছিল জনাব নেকি?

(গ) DPEP যোগেদি World Bank অনুদান আগবঢ়োৱা ধনৰ পৰিমান কিমান আৰু এতিয়ালৈকে কিমান টকা কোকৰাঝাৰৰ DPEP য়ে খৰচ কৰিলে জনাবনে?

(ঘ) এতিয়ালৈকে DPEP ৰ যোগেদি মুঠ কিমান খন প্ৰাইমেৰী স্কুল নিৰ্মাণ কৰা হল আৰু মেৰামতি কৰিলে আৰু কি কি তাৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ জনালো?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা

(খ) প্ৰশ্ন নুঠে।

(গ) মুঠ ধনৰ পৰিমান ৯,৮৫,২২,১৪২ টকা (ন কোটি পঁচাশী লাখ বাইশ হাজাৰ এশ বিয়াল্লিশ টকা) আৰু এতিয়ালৈকে ৮,৮৯,৯৪,৮৩৫ টকা (আঠ কোটি উনানৈবে লাখ চৌৰানবৈ হাজাৰ আঠশ পয়ত্ৰিশ টকা) খৰচ কৰিলে।

(ঘ) ৩৩ খন স্কুল নিৰ্মাণ আৰু ১৫৭ খনৰ মেৰামতিৰ কাম আৰম্ভ হৈছে। মুঠ ১৯০ খন স্কুলৰ তালিকা সদনৰ মেজত পেচ কৰা হল।

## Unstarred Questions and Answers

**শ্ৰী চন্দ্ৰ কান্ত টেৰাঙে সুধিছে ঃ**

৪৩৭/ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৯৬ চনৰ অসম চৰকাৰৰ সিদ্ধান্ত মৰ্মে ফাৰ্টিকেমক যুটীয়াখণ্ড পুনৰজীৱিত কৰাৰ বাবে ১/৩/৯৯ ইং তাৰিখত বুজা বুজি চুক্তি কৰাৰ পিছত ২৬/৬/৯৯ ইং তাৰিখে নগদ ৩ (তিনি) লাখ টকা অগ্ৰিম লিজ মানি গ্ৰহণ কৰাৰ পিছত আৰু শ্ৰমিকে চৰকাৰৰ এইবোৰ ব্যৱস্থাৰ প্ৰতি আদৰণি আৰু সমৰ্থন জনোৱাৰ পিছতো যোৱা ৩১/১০/৯৯ ইং তাৰিখৰ পৰা ফাৰ্টিকেম বন্ধ কৰি দিয়া কথাটো সঁচানে?

(খ) যদি বন্ধ কৰি দিয়া হৈছে তেনেহলে চৰকাৰে কিয় ফাৰ্টিকেম পুনৰজীৱিতকৰণ বাতিল কৰিলে?

(গ) ফাৰ্টিকেমৰ শ্ৰমিক সকলৰ সমূহীয়া চাকৰিৰ নিৰাপত্তা ব্যৱস্থাৰ বাবে চৰকাৰে কি পদক্ষেপ লৈছে?

* **শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) ১/৩/৯৯ তাৰিখৰ বুজাবুজিৰ চুক্তিৰ চৰ্ত্ত মৰ্মে মুঠ ১২৭ জন শ্ৰমিক কৰ্মচাৰীৰ ভিতৰত ৬০ জন শ্ৰমিক কৰ্মচাৰীক চাকৰিত বাহাল ৰাখিবৰ বাবে ব্যক্তিগত খণ্ডৰ অধীনত ফাৰ্টিকেমত বাঁচনি কৰিছে আৰু বাকী অতিৰিক্ত ৬৭ জন শ্ৰমিক কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰ (VRS) যোজনাৰ অধীনত অৱসৰ দিয়াৰ বাবে পৰ্য্যায়ক্ৰমে ব্যৱস্থা লৈ থকা হৈছে। ইতিমধ্যে উক্ত ৬৭ জন শ্ৰমিক কৰ্মচাৰীলৈ ২৪ লাখ টকা (VRS) আচঁনিৰ অধীনত মোকলাই দিয়া হৈছে।

### বিষয় ঃ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ

**শ্ৰী জ্যোতিষ দাসে সুধিছে ঃ**

৪৩৮/ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰই ১৯৯৫-৯৬ চনৰ ডিচেম্বৰলৈকে কোন কোন উদ্যোগ কেন্দ্ৰক কিমান টকা ৰাজ সাহায্য আগবঢ়াইছে আৰু ৰাজ সাহায্য আগবঢ়োৱা উদ্যোগ কেন্দ্ৰ আৰু টকাৰ পৰিমাণ সহ তালিকা সদনৰ মেজত দাখিল কৰিবনে?

(খ) ৰাজ সাহায্য পোৱা উদ্যোগ সমূহ বৰ্ত্তমান চলি আছেনে নাই জনাবনে? বন্ধ হৈ থকা উদ্যোগ কেন্দ্ৰক ৰাজ সাহায্য দিয়া হৈছেনে, যদি হৈছে কিয় দিয়া হৈছে জনাবনে?

**শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গোৱালপাৰা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰই ১৯৯৫-৯৬ চনৰ পৰা ১৯৯৯ চনৰ ডিচেম্বৰ মাহলৈকে ৰাজ্য সাহায্য আগবঢ়োৱা উদ্যোগ আৰু টকাৰ পৰিমানৰ তালিকা সন্নিবিষ্ট কৰা হ'ল। এই সময় চোৱাৰ ভিতৰত মুঠ ৯২ টা উদ্যোগক মুঠ ২৭,৯২,১৮৯ টকা (সাতাইশ লাখ বিৰান্নবৈ হেজাৰ এশ উনানবৈ টকা) ৰাজ সাহায্য আগবঢ়োৱা হৈছে।

(খ) ১৯৯৫-৯৬ ৰ পৰা ১৯৯৯ চনলৈ গোৱালপাৰা জিলাত ৰাজ সাহায্য পোৱা ৯২ টা উদ্যোগৰ ভিতৰত ৬ টা উদ্যোগ বৰ্ত্তমান বন্ধ হৈ আছে। (বন্ধ থকা উদ্যোগ কেইটা সংলগ্ন তালিকাত সন্নিবিষ্ট কৰা হৈছে)

(See the Annexure-I)

কোনো উদ্যোগকে বন্ধ হৈ যোৱাৰ পিছত ৰাজ সাহায্য দিয়া হোৱা নাই।

## Re. : Establishment of College.

**Smti, Pramila Rani Brahma (M.L.A.) Asked :**

439. Will the Minister of Higher Education be pleased to state :

(a) Whether Government consider it urgent or not to establish the Girls College. Commerce College and Science College in Kokrajhar District?

(b) If it urgent and most importance to educate the tribal in general and tribal girls students in particular in all aspect then why the government has not taken a special importance to provincialised all these 3 colleges?

(c) If the Assam Government felt important then when all these three institutions will be provincialised?

**Shri Thaneswar Boro (Minister, Education) replied :**

(a) Govt. normally do not establish any college.

(b) Govt. have no provincialisation scheme for colleges. However, as per Govt. policy, the Science Stream of Kokrajhar college has already been brought under deficit system of grant-in-aid.

(c) Does not arise.

**বিষয় ঃ পঞ্জীয়নভুক্ত ক্ষুদ্ৰ উদ্যোগ**

**শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ**

৪৪০/ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত পঞ্জীয়নভুক্ত ক্ষুদ্ৰ উদ্যোগ কেইটা আছে?

(খ) উক্ত উদ্যোগসমূহৰ কিমানটা বন্ধ হৈছে?

(গ) ১৯৯৭ চনৰ উদ্যোগ নীতি মতে ক্ষুদ্ৰ উদ্যোগ সমূহে সাহায্য পাইছেনে?

**শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত ৩৬,৩৬৫ টা পঞ্জীয়নভুক্ত ক্ষুদ্ৰ উদ্যোগ আছে। (আৰম্ভণিৰে পৰা ৩১-৩-৯৯ লৈ)

(খ) উক্ত উদ্যোগ সমূহৰ ৪৯৪১ টা উদ্যোগ বন্ধ হৈছে। এই তথ্য ১৯৮৯-৯০ চনত পৰিচালনা কৰা ১০০ শতাংশ পিয়ল, ১০ শতাংশ প্ৰথম পৰ্য্যায়ৰ নমুনাৰ সমীক্ষা, ২য় সৰ্বভাৰতীয় ডাইগেনষ্টিক সমীক্ষা আৰু ২য় উদ্যোগ পিয়লৰ ওপৰত ভিত্তি কৰি ১৯৯৩-৯৪ চনত কৰা পিয়লৰ তথ্য অনুসৰি দিয়া হৈছে। উক্ত সময়ৰ পিছত বৰ্ত্তমানলৈকে কোনো ধৰণৰ পিয়ল হোৱা নাই।

(গ) ১৯৯৭ চনৰ চৰকাৰৰ ক্ষুদ্ৰ উদ্যোগীক নীতিৰ অধীনত অসমত মুঠ ১৯ টা (উনৈশটা) ক্ষুদ্ৰ উদ্যোগীক গোটক সৰ্ব্বমুঠ ৪৮,৭০,৭৫৮.০০ টকা ৩০% ৰাজ সাহায্য হিচাবে জিলা আৰু ৰাজ্যিক ভিত্তিত অনুমোদন দিয়া হৈছে। ইয়াৰ ভিতৰত ৩৯,০২,৯৪৫.০০ টকা ৰাজ্যিক পৰ্য্যায়ৰ ৮ টা গোটক আৰু বাকী ৯,৬৭,৭৭৩.০০ টকা জিলা পৰ্য্যায়ৰ ১১টা উদ্যোগীক গোটক অনুমোদন দিয়া হয়। চৰকাৰৰ বিত্তীয় নাটনিৰ বাবে উক্ত টকা সমূহ উদ্যোগীক গোট সমূহক মোকলাই দিব পৰা হোৱা নাই।

**Shri Derhagra Mochahary asked :**

## Re. : Baralia Irrigation Project of Nalbari District.

441. Will the Minister of Irrigation be pleased to state :

(a) Whether State Government has proposed to complete the Baralia Irrigation Project of Nalbari District?

(b) If yes, when will be completed & how much additional fund have been alloted from the Central Government?

**Shri Abdul Muhib Mazumder (Minister Irrigation) replied :**

(a) Yes.

(b) The work has been proposed to be completed within 2001-2002 provided necessery fund is made available
From the year 1996-97 to 1999-2000 Rs. 501.25 Lakhs have been alloted under A.I.B.P.

## Re. Fishery Development Office.

**Shri Sambhu Sing Mullah Asked :**

442. Will the Minister of Fisheries be pleased to state :

(a) Whether Government had forwarded the copy of notification No. Fish . 94/93/8 dated Dispur (the 29th September, 1993) to the Director, Fisheries , Government of Assam regarding creation of new subdivisional fishery Development Office at Ramkrishna Nagar in the District of Karimganj?

(b) If yes, why the Director, Fisheries does not issue any general circular /instuctions/ letters on the basis of the above notification. (which are being endorsed to other Subdivision) to the subdivisional Fishery Development Office, Ramkrishna Nagar?

(c) What action has been taken by the Director, Fisheries on the letter of Subdivisional Fishery Development Officer, Ramkrishna Nagar. Vide No. AFKB 1/99-2000/39 dtd. 30-7-99? (PLace a copy of the letter on the Table of the House).

(d) Why the Subdivisional Fishery Development Officer, Ramkrishna Nagar is not allowed to opperate Financial Transaction though adequate staffs are avilable in his Office?

**Shri Bubul Das (Minister of Fisheries) replied :**

(a) No.

(b) Does not arise.

(c) A copy of letter in question was received on 24-3-2000 only (Copy of the letter of the Subdivisional Fishery Development Officer, Ramkrishna Nagar. No. AFKB. 1/99-2000/39 dt. 30.7.99 with enclosures are enclosed at Annexure-I) Action is being taken on the points raised by Subdivisional Fishery Development Officer (See the Annexure II)

★ Speech not corrected

(d) Financial power in respect of all Subdivisional Fishery Development Officers has already been made vide this office letter No. AF. 442/85-86/ 372-442, dtd. 03.04.1986 read with finance Deptt. letter No. FEB 113/84/53 dtd. 17-02-1986.

**বিষয় ঃ শিক্ষকৰ পদ খালী ঃ**

**শ্ৰী মোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ**

৪৪৩/ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিৰ মৰিগাওঁ জিলাৰ মৈৰাবাৰী মৌজাৰ অৰ্ন্তগত প্ৰাথমিক বিদ্যালয়ৰ কোন কোন বিদ্যালয়ত কিমান শিক্ষকৰ পদ খালী হৈছে জনাবনে? (তালিকা সহ মৃত আৰু অৱসৰ প্ৰাপ্ত শিক্ষকৰ নাম সদনত মেজত দিব)

(খ) কি কাৰণত উক্ত পদ বিলাক পূৰণ হোৱা নাই জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৰিগাওঁ জিলাৰ ধিং বিধান সভা সমষ্টিৰ অৰ্ন্তগত প্ৰাথমিক বিদ্যালয়ৰ ১১ টা শিক্ষকৰ পদ খালি আছে। (তালিকা সদনৰ মেজত দাখিল কৰা হ'ল)

(See the Annexure-III)

(খ) উচ্চন্যায়ালৰ চিভিল ৰোল নং ১৪১১/৯৭ নম্বৰ্ৰ গোচৰৰ ১৮/৯/৯৮ তাৰিখৰ আদেশৰ ভিত্তিত নিযুক্তি বন্ধ ৰখাৰ হেতুকে উক্ত পদ সমূহ পূৰণ কৰা হোৱা নাই।

**বিষয় ঃ সংস্কৃত আৰু আৰবী শিক্ষক।**

**শ্ৰী আব্দুল ৰৌফে সুধিছে ঃ**

**৪৪৪/ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰপেটা জিলাৰ জনীয়া সমষ্টিৰ অন্তৰ্গত বালা গাওঁ হাইস্কুল বৰভিটা হাইস্কুল আৰু কাদং হাইস্কুলত যথাক্ৰমে সংস্কৃত আৰু আৰবী শিক্ষক ১৯৯৯ ইং চনৰ ডিচেম্বৰ মাহত কি ভিত্তিত নিযুক্তি দিয়া হয়?

(খ) তাৰে বালা গাওঁ হাইস্কুলৰ সংস্কৃত শিক্ষক পদত স্থানীয় প্ৰাৰ্থীক বঞ্চিত কৰি বঙ্গাইগাওঁ জিলাৰ প্ৰাৰ্থীক নিযুক্তি দিয়া কথাটো সঁচানে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) স্কুলৰ প্ৰধান শিক্ষকৰ দ্বাৰা স্থানীয় ভাবে বিজ্ঞাপন দি এখন কমিটিৰ জৰিয়তে মৌখিক সাক্ষাৎকাৰ লোৱাৰ পিছত নিযুক্তি দিয়া হয়।

(খ) হয়, বঙ্গাইগাওঁ জিলাৰ প্ৰাৰ্থীক বালাগাওঁ হাইস্কুলত সংস্কৃত পদত নিযুক্তি দিয়া হয়।

## Re. D.I.E.T. of N.C. Hills District.

**Shri Samarjit Haflongbar asked :**

445. Will the Minister of Education be pleased to state :

(a) When the D.I.E.T. of N.C. Hills District can be started?

(b) Whether the government has sanctioned fund for that institution in N.C. Hills District (Give details).

**Shri Thaneswar Boro (Minister of Education) replied :**

(a) With the appointment of Shri P. Jidung, as Principal In-Charge vide Govt. Notification No. A (1)E 64/99/11 dtd. 1-4-99 and appointment of 9 (nine) Lecturers, the formalities of starting D.I.E.T., N.C. Hills have been completed.

(b) Yes, An amount of Rs. 43.70 lakhs has been released for D.I.E.T., N.C. Hills.

1. Civil works - Rs. 34.80 Lakhs.
2. Equipments - Rs. 8.90 Lakhs.

## Re. : Total Literacy Campaign committee, Dibrugarh.

**Shri Joy Chandra Nagbangshi asked :**

446. Will the Minister of Education be pleased to state :

(a) Whether it is a fact that the total Literacy Campaign Committee, Dibrugarh, received a sum of Rs. 79,15,000 from the Central Government during the year, 1995-1996?

(b) If so, what was the mode of operation of that fund in the District?

(c) What was the total number of illeterate people made literate by the above Committee?

(Furnish Blockwise date of the above and place on the table of the House).

**Shri Thaneswar Boro (Minister of Education) replied :**

(a) Yes, sanction for an amount of Rs. 79,15,000/- received by the Zilla Saksharate Samity, Dibrugarh for TLC from the Central Govt. during the year, 1994-95 and not during 1995-96 as stated in the quesiton.

(b) The fund is operated jointly by the President and Member

Secretary Zilla Saksharate Samittee as per approved norms and patterns of NLMA.

(c) 90,750 illeterate people were made literate by the above mentioned Committee through TLC. The blockwise date are not readily available as the campaign was launched for the District as a whole. The date might slightly differ since the external evaluation Agency report from Orissa is yet to be received.

**বিষয় ঃ Deficit College**

**শ্ৰী শৰৎ বৰকটকীয়ে সুধিছে ঃ**

৪৪৭/ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰে Deficit College সমূহ চৰকাৰী কৰণ কৰা ব্যৱস্থা কৰিছেনে?

(খ) যদি কৰিছে, কিমান সংখ্যক Deficit Collegeক চৰকাৰী কৰণ কৰা হ'ব? আৰু কেতিয়া হ'ব?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) Deficit College চৰকাৰী কৰণৰ কোনো প্ৰস্তাৱ লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## Re. : Computer Teachers.

**Shri Nazibul Umar asked :**

448. Will the Minister of Education be pleased to state :

(a) Is it fact that the Govt. has withdrawn 128 Nos. of Computer teachers employed in various H.S. Schools of Assam?

(b) If so, what is reason behind the withdrawal of computer teachers?

**Thaneswar Boro (Minister of Education) replied :**

(a) The Class project scheme which was withdrawn by Govt. of India for a temporary period got lapse. No teacher was employed by the Govt. of Assam.

(b) Does not arise.

## Re : Operation Black Board.

**Shri Hemendra Nath Brahma asked :**

449. Will the Minister of Education be pleased to state :

(a) What is the total number of posts sanctioned for Assam under Operation Black Board?

(b) How many posts have been sanctioned against Kokrajhar District?

(c) What is the total number of SC and ST candidates appointed under the Operation Black Board?

**Shri Thaneswar Boro, (Minister of Education) replied :**

(a) Total 4040 posts were sanctioned during 1998-99 for appointment of Asstt. Teachers in Middle Schools under Operation Black Board.

(b) 135 posts were alloted for Kokrajhar District.

(c) Out of 135 posts 123 posts for ST & 6 posts for schedule Caste.

## Re. : A.I.D.C. Loan.

**Shri Dilip Kumar Saikia asked :**

450. Will the Minister of Industries be pleased to state :

(a) Since establishment of AIDC, how many persons/company were given loan and what amount and what is their outstanding as on today?

(List may be placed on the Table of the House).

(b) What are the names of persons/company with their address? (List may be placed on the Table of the House)

(c) What amount is standing against each of the persons/company? (List may be placed on the Table of the House).

(d) Whether any loanee paid the loan within the time if not what action taken against each of the defaulters?

(e) How many persons/company could run their venture seccessfully with the loan amount? How many failed and why?

(List may be placed on the table of the House).

**Shri Gunin Hazarika (Minister, Industries) replied :**

(a) 75 Nos. of limited companies were given loan amounting to Rs. 5,517.10 lakhs. Outstanding amount is Rs. 3,912.54 lakhs. (list

placed at Annexure-I) (See the Annexure - IV)

(b) The Names and Addresses are in columns 'b' & 'c' of the enclosed Annexure-I

(c) The position of the outstanding principal and interest payable list of Annexure-I in the columns by each company are shown in column (e) & (f) of the enclosed Annexure - I.
(See the Annexure IV-A)

(d) Yes, out of the 75 companies 17 Nos. have paid their loan in time and also another 5 Nos. of companies are paying their dues regularly. 47 Nos. of companies are irregular in payment. Defaulters have been served level notice and various offer to pay the outstanding dues. Action initiated against each defaulters are shown in column (g) of the enclosed Annexure - I.

(e) 22 Nos. of companies running their ventures successfully and 5 Nos. rehabilitated Units are also running their units another 5 Unites are also under implementation. Balance 43 Nos. of companies have failed due to the following reasons.

(i) Non-availability of working capital from Banks.

(ii) Marketing problem either for shortage of raw-materials or staff competition in the sale of finished products.

(iii) Gap in project financing due to withdrawal of Central capital investment subsidy.

(iv) Irregular or shortage of electric power.

(v) Lack of managerial abilities of the promoters belonging mostly of first generation entreprenuers.

(vi) Lack of various infrastructural facilities.
(List placed at Annexure - II)

## Re. : Diphu Government College.

**Shri Jagat Sing Engti. and Shri Hemsing Tisso asked :**

451. Will the Minister of Higher Education be pleased to state :

(a) Whether the Govt. is aware of the fact that some posts of Lecturer are still being vacant in Diphu Govt. College?

(b) If Yes, What step has been taken to fill up all the vacant posts?

And how many post are vacant?

(c) Whether the Diphu Politechnic Institution building will be completed within 2000 year?

**Thaneswar Boro (Minister, Education) replied :**

(a) Yes.

(b) The matter is under process of the Government. Presently, 19 posts of lecturers are vacant.

(c) Yes.

## Re. : Stipendary teachers.

**Shri Abu Saleh Najmuddin.**

452. Will the Minister of Education be pleased to state :

(a) How many stipendary teachers were appointed in the year 1999-2000?

(b) Whether the stipendary teachers were selected by the board. If so, When? (Furnish the list on the table of the House).

**Shri Thaneswar Boro (Minister of Education) replied :**

(a) Complete informations have not yet been received from D.I. of Schools and District Elementary Education Officer. However, as per informations received from 22 Nos. of Sub-Divisions 2685 Nos. of Stipendary/Fixed pay teachers were appointed in the year, 1999-2000.

(b) Complete informations have not yet been received.

## বিষয় ঃ মীন বিভাগৰ টকাৰ মঞ্জুৰী প্ৰসংগ।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৪৫৩/ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬-২০০০ ইং চনলৈ মীন বিভাগে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰা কোন কোন শিতানৰ বিপৰীতে কিমান টকাৰ মঞ্জুৰী পালে আৰু উক্ত টকা কোন কোন আঁচনিত খৰছ কৰা হ'ল?

(খ) উপৰোক্ত সময়ছোৱাত বিভাগে ধুবুৰী জিলালৈ কি কি আঁচনিৰ বিপৰীতে কিমান কিমান টকাৰ মঞ্জুৰী দিলে? উক্ত মঞ্জুৰীৰ টকাৰ বিপৰীতে কাম কৰা হ'লনে? যদি আৰম্ভ কৰা হয় তেন্তে আঁচনিসমূহৰ কামবোৰ কেতিয়ালৈ শেষ কৰা হব?

(গ) ধুবুৰী জিলাত বিভাগে ১৯৯৮-৯৯ আৰু ১৯৯৯-২০০০ ইং চনৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে এই আঁচনিবোৰৰ কাম কি পৰ্য্যায়ত আছে (আঁচনিৰ বিপৰীতে টকাৰ হিচাপ দেখুৱাই মহকুমা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব)?

**শ্ৰী বুবুল দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৬-২০০০ ইং চনলৈ মীন বিভাগে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰা বিভিন্ন শিতানৰ বিপৰীতে পোৱা মঞ্জুৰী আৰু বিভিন্ন আঁচনিৰ খৰছ কৰা ধনৰ পৰিমান তালিকা 'ক'ত সংলগ্ন কৰি দিয়া হৈছে।

(See the Annexure - V)

(খ) উপৰোক্ত সময়ছোৱাত ধুবুৰী জিলাত বিভিন্ন আঁচনিৰ বিপৰীতে দিয়া মঞ্জুৰী আৰু খৰছৰ তালিকা 'খ'ত সংলগ্ন কৰি দিয়া হৈছে।

(See the Annexure - V-A)

১৯৯৬-৯৭ চনৰ পৰা ১৯৯৮-৯৯ চনলৈ আঁচনিসমূহৰ কাম শেষ হৈছে। ১৯৯৯-২০০০ চনৰ আঁচনিসমূহৰ কাম কৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু সময় মতে কাম শেষ হব বুলি আশা কৰা হৈছে।

(গ) ধুবুৰী জিলাত ১৯৯৮-৯৯ আৰু ১৯৯৯-২০০০ চনৰ গ্ৰহণ কৰা আঁচনিবোৰৰ নাম আৰু ইয়াৰ বিপৰীতে টকাৰ হিচাপ মহকুমা ভিত্তিত তালিকা 'গ'ত সংলগ্ন কৰি দিয়া হৈছে।

(See the Annexure -V-B)

আঁচনিসমূহৰ কাম পুঁজি মঞ্জুৰী সাপেক্ষে চলি আছে।

## বিষয় ঃ উত্তোলক জলসিঞ্চন

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

**৪৫৪/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বোৰতি বা উত্তোলক জলসিঞ্চন কিমানটা আছে?

(খ) এনে আঁচনি কিমানটা কাৰ্য্যক্ষম হৈ আছে?

(গ) বৰপেটা জিলাৰ দামোগাওঁত এনে আঁচনি আছেনে?

(ঘ) যদি আছে, এই আঁচনি কেতিয়া আৰম্ভ কৰি কিমান টকা খৰছ কৰা হৈছে?

(ঙ) এই আঁচনি বৰ্ত্তমানে কি অৱস্থাত আছে?

(চ) আঁচনিটো কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বোৰতি জলসিঞ্চন আঁচনি সৰ্ব্বমুঠ ৬২৩ টা, ভূ পৃষ্ঠ জলসিঞ্চন উত্তোলন আঁচনি ১০৬০ টা, আৰু ৯৮৫ টা ভূ-গৰ্ভস্থ উত্তোলন আঁচনি আছে।

(খ) ৭৭৭ টা ক্ষুদ্ৰ আৰু ১০ টা বৃহৎ / মজলীয়া আঁচনি বৰ্ত্তমান কাৰ্য্যক্ষম অৱস্থাত আছে।

(গ) হয়, আছে।

(ঘ) এই আঁচনিৰ কাম ১৯৮৮ চনৰ আৰম্ভ হয় আৰু বৰ্ত্তমানে (ইং ২৯-২-২০০০) লৈ ১,২৪,৮৬,৬১৫ টকা খৰছ হৈছে।

(ঙ) এই আঁচনিখন বৰ্ত্তমানে পুঁজিৰ অভাৱত অসম্পূৰ্ণ অৱস্থাত আছে।

(চ) আঁচনিখন কাৰ্য্যক্ষম কৰিবলৈ NABARD ৰ ধন সাহায্যৰ বাবে ২৪.১২ লাখ টকাৰ প্ৰস্তাৱ প্ৰস্তুত কৰা হৈছে।

## Re. : Provincialise of School.

**Smti Pramila Rani Brahma asked :**

455. Will the Minister of Elementary Education be pleased to state:

(a) How many recognised International Border Area M.E. School and Tea Garden Area M. E. School are there in Kokrajhar District?

(Kindly place the list with the name of the Schools on the table of the House).

(b) Whether the Govrnment has given importance to make provincialise all these School as a token of sympathy as all these Schools are from tribal belt and block?

**Shri Thaneswar Boro (Minister of Education) replied :**

(a)

| | |
|---|---|
| Recognised border Area M.E. School | 13 |
| and Recognised Tea Garden Area M.E. School | 5 |
| Total | 18 |

(List enclosed) (See the Annexure -VI)

(b) Govt. is aware of the matter but due to financial hardship it could not be done. However, the matter is under consideration.

**বিষয় ঃ কুটীৰ শিল্পৰ আঁচনি।**

**ডঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

**৪৫৬/ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ বাবে বৰ্ত্তমান চৰকাৰৰ হাতত কি কি আঁচনি আছে?

(খ) অসমৰ বিভিন্ন প্ৰান্তত অসমৰ আপুৰুগীয়া ক্ষুদ্ৰ আৰু কুটীৰ শিল্প সমূহ ৰক্ষাৰ্থে আৰু উন্নয়ণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) অসম চৰকাৰৰ কাৰ্য্যকালত আজি পৰ্য্যন্ত কিমান লোকে ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ মাধ্যমেৰে উপকৃত হৈছে?

**শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ক্ষুদ্ৰ আৰু কুটীৰ শিল্প উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ আঁচনি সমূহ হ'ল এনেধৰণৰ ঃ

(A) অসম ঔদ্যোগিক নীতিৰ দ্বাৰাৰ আগবঢ়োৱা বিভিন্ন উদ্‌গনিমূলক সাহায্য, যেনে ঃ

(১) ৰাজ্যিক ৰাজ্য সাহায্য আঁচনি।

(২) কাৰ্য্যকৰী মূলধনৰ ওপৰত ৫ শতাংশ সুদৰ সাহায্য তিনি বছৰৰ বাবে।

(৩) ৫০ শতাংশ বৈদ্যুতিক সাহায্য পাঁচ বছৰৰ বাবে।

(৪) বিক্ৰীকৰ ৰেহাই।

(৫) বৈদ্যুতিক শক্তি উৎপাদনৰ যতন। (Generating Set) ৰ ক্ৰয়ৰ ওপৰত ৫০ শতাংশ ৰাজ সাহায্য।

(৬) মানৱ শক্তি উন্নয়নৰ ওপৰত সাহায্য।

(৭) আন্তঃ গাঁথনি উন্নয়নৰ ওপৰত সাহায্য।

(৮) সহযোগী খণ্ডলৈ মূলধনী অংশত অংশ গ্ৰহণ।

(৯) সম্ভাৱনীয়তা অধ্যয়নৰ ব্যয়ৰ ওপৰত ঋণ আৰু সাহায্য।

(১০) অন্যান্য সাহায্য।

(১১) ৰপ্তানী মুখী উদ্যোগৰ বাবে বিশেষ সাহায্য।

(১২) মহিলা উদ্যোগীলৈ বিশেষ সাহায্য।

(১৩) কৃষি আৰু খাদ্য প্ৰস্তুতকৰণ উদ্যোগলৈ বিশেষ সাহায্য।

(১৪) শাৰীৰিক ভাৱে অক্ষম উদ্যোগীলৈ বিশেষ সাহায্য।

(১৫) হস্ত শিল্পলৈ বিশেষ সাহায্য।

(B) উদ্যোগ নীতিৰ আঁচনি সমূহৰ বাহিৰেও অন্যান্য আঁচনি সমূহ হ'ল।

(১) হস্ত শিল্পীলৈ ঋণ।

(২) বীজধন ঋণ আঁচনি।

(৩) প্ৰশিক্ষণ আঁচনি ইত্যাদি।

(C) বজাৰ ব্যৱস্থা কৰণৰ বাবে বাণিজ্য মেলাৰ (Trade Fair) যোগেদি থলুৱা উদ্যোগ সমূহক সহায় কৰা হয়।

**কেন্দ্ৰীয় চৰকাৰৰ আঁচনি ঃ**

যোৱা ২৪ ডিচেম্বৰ' ১৯৯৭ তাৰিখে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্ব্বাঞ্চলৰ বাবে উদ্যোগিক নীতি ঘোষণা কৰিছে। এই উদ্যোগ নীতিত থকা উদ্‌গনিমূলক সাহায্য সমূহ হ'ল এনে ধৰণৰঃ

(১) ২০০০ চনলৈকে সাহায্য আঁচনি।

(২) কেন্দ্ৰীয় ৰাজ সাহায্য আঁচনি।

(৩) কাৰ্য্যকৰী মূলধনৰ সূদৰ ওপৰত ৩% শতাংশ সাহায্য আঁচনি ১০ বছৰৰ বাবে।

(৪) উমৈহতীয়া বীমা আঁচনি ১০ বছৰৰ বাবে।

(৫) আবকাৰী শুল্ক ৰেহাই আঁচনি ১০ বছৰৰ বাবে।

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ঘোষিত উদ্যোগিক নীতিৰ জৰিয়তে লাভৱান হব খোজা উদ্যোগসমূহ কিছুমান নিৰ্দ্দিষ্ট এলেকা / অঞ্চলত স্থাপন কৰিব লাগিব নাইবা চৰকাৰে নিৰ্দ্দিষ্ট কৰি দিয়া তালিকাৰ উদ্যোগসমূহে এইবোৰ সুবিধা লাভ কৰিব পাৰিব।

(খ) অসমৰ আপুৰুগীয়া ক্ষুদ্ৰ আৰু কুটীৰ শিল্প সমূহ ৰক্ষাৰ্থে আৰু উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থা সমূহ হ'ল।

(১) হস্ত শিল্পীসকলক ৰাজ্য চৰকাৰৰ ফালৰ পৰা ঋণ দিবলৈ "Assam Aid to Industries Act, 1956," নামৰ এখন আইন আছে। এই আইনৰ অধীনত সৰ্ব্বোচ্চ ৫০০০ টকা পৰ্য্যন্ত ঋণ অতি কম সুদত আগবঢ়াই অহা হৈছিল। ইং ১৯৯৭ চনত এই আইন সংশোধন ঘটাই ইয়াৰ সৰ্ব্বোচ্চ সীমা ৩০,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।

(২) হস্তশিল্পীসকলক মাহিলী পেঞ্চন, তেখেতসকলৰ পৰিয়ালৰ লোকৰ শিক্ষা, চিকিৎসা আদিত সহায় কৰিব পৰাকৈ The Handicraft Artisan Welfare Fund Act, 1998 নামেৰে এখন আইন প্ৰণয়ন কৰা হৈছে। এজন কাৰ্য্যবাহী বিষয়াৰ এই আইন অনুযায়ী নিয়োজিত কৰাৰ লগতে প্ৰয়োজন হোৱা বিধি সমূহ বৰ্ত্তমান সমাপ্তিৰ পথত। অচিৰেই এই আইনৰ কাৰ্য্যকৰীকৰণ হব।

(৩) অসম উদ্যোগিক নীতি ১৯৯৭ চনত হস্ত শিল্প সমূহৰ বাবে ১০% শতাংশ বিশেষ ৰাজ সাহায্য সৰ্ব্বোচ্চ ২.০০ লাখ টকা আৰু ২% শতাংশ কাৰ্য্যকৰী মূলধনৰ সুদৰ ওপৰত সাহায্য সৰ্ব্বোচ্চ ১ লাখ টকা কৈ তিনিবছৰৰ বাবে আগৰঢ়াবলৈ ব্যৱস্থা ৰখা হৈছে।

(৪) হস্ত আৰু কুটিৰ শিল্প সমূহৰ উন্নত আৰ্হি প্ৰস্তুতকৰণৰ বাবে "Handicraft Research & Design Centre" আছে।

(৫) আমবাৰীত থকা কুটীৰ শিল্প সংগ্ৰহালয় বৰ্ত্তমানে শংকৰদেৱ কলাক্ষেত্ৰলৈ হস্তান্তৰিত কৰা হৈছে। যাতে এই আপুৰুগীয়া সম্পদ ৰাজি জনসাধাৰণে চাব পাৰে।

(৬) কুটিৰ শিল্প উন্নয়নৰ প্ৰশিক্ষণৰ বাবে "Cottage Industries Training Institute"ৰ যোগেদি প্ৰশিক্ষণ আদি দি অহা হৈছে।

(৭) উন্নত সা সঁজুলি (Supply of Improve/ Tolls) যোগান আঁচনিত কুটিৰ শিল্পী সকললৈ সৰ্ব্বোচ্চ ১৫০০ টকা অনুদান আগবঢ়োৱা হয়।

(গ) অসম চৰকাৰৰ কাৰ্য্যকালত জানুৱাৰী (২০০০) লৈকে পঞ্জীয়ন প্ৰাপ্ত উদ্যোগৰ সংখ্যা হ'ল —

| | |
|---|---|
| ক্ষুদ্ৰ উদ্যোগ | ৭,৬১২ টা |
| হস্ত শিল্প/ কুটিৰ উদ্যোগ | ৫৭২৩ টা। |

এই উদ্যোগ সমূহৰ জৰিয়তে লোক উপকৃত হৈছে।

**বিষয় ঃ দৈনিক মাছৰ প্ৰয়োজন**

**শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

**৪৫৭/ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনত দৈনিক গড়ে কিমান মাছৰ প্ৰয়োজন হয়?

(খ) ইয়াৰে ঘৰুৱা ভাৱে উৎপাদন হোৱা মাছৰ পৰিমাণ কিমান?

(গ) ঘৰুৱা ভাৱে উৎপাদন হোৱা মাছ যথোপযুক্ত হয়নে?

**শ্ৰী বুবুল দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত দৈনিক গড়ি প্ৰায় ৭২৩ টন মাছৰ প্ৰয়োজন হয়।

(খ) ইয়াৰে ঘৰুৱা ভাৱে উৎপাদন হোৱা মাছৰ পৰিমাণ বছৰি প্ৰায় ১,৫৫৭ লাখ টন।

(গ) নাই হোৱা।

## Re. : Provincialisation of Venture Schools.

**Shri Ajit Singh asked :**

**458/ Will the Minister of Education be pleased to state :**

(a) Whether the Government has any proposal for provincialisation of Venture M.E., L.P. & Higher Schools?

(b) If so, how many number of Schools will be provincialised and when?

(c) Whether Government will take steps to appoint the second teachers who have been dropped during last provincialisation of schools?

**Shri Thaneswar Boro (Minister of Education) replied :**

(a) It is under consideration of the Government.

(b) No decision is taken so far.

(c) It is under consideration of the Government.

## Re. : Special body of Cachar College.

**Shri Bimalangshu Roy asked :**

459. Will the Minister of Higher Education be pleased to state.

(a) Is the Government aware that Special Body of Cachar College Silchar has been recently reconstituted and Principal has been made convenor of the Body?

(b) Is there any special Body with Principal as convenor in Assam and what is the reason for such a Committee?

(c) Is the Government aware that teachers of the college and general public are agitating against such Body?

(d) If so, what steps Government has taken to reduces their grievances?

**Shri Thaneswar Boro (Minister, Education) replied :**

(a) Yes, but subsequently another body has been reconstituted, with the Principal as Secretary disolving the earlier body, where the Principal was convenor.

(b) No.

(c) Govt. is not aware.

(d) Does not arise.

**বিষয় ঃ শিক্ষকৰ সংখ্যা**

**শ্ৰী মহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে ঃ**

**৪৬০/ মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) মঙ্গলদৈ মহকুমাৰ প্ৰাথমিক শিক্ষা বিভাগৰ অন্তৰ্গত পুঠিয়াখাট প্ৰাথমিক বিদ্যালয়ত শিক্ষক কিমান জন?

(খ) ১৯৯৮ চনত উক্ত বিদ্যালয়ত বাৰ্ষিক পৰীক্ষা অনুস্থিত নোহোৱা কথাটো সত্যনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী)দ্দয় উত্তৰ দিছে ঃ**

(ক) মঙ্গলদৈ মহকুমাৰ প্ৰাথমিক শিক্ষা বিভাগৰ অন্তৰ্গত পুঠিয়াখাট প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ সংখ্যা ২ (দুজন)।

(খ) সত্য নহয়।

**বিষয় ঃ অসম পেট্ৰ' কেমিকেলচ লিমিটেড**

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ**

৪৬১/ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ অন্যতম লাভজনক উদ্যোগ অসম পেট্ৰ' কেমিকেলচ লিমিটেডৰ অৱস্থা দিনক দিনে বেয়াৰ ফাললৈ যোৱাটোৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, পূৰ্বৰ দৰে কাৰ্য্যক্ষম কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা লৈছে?

**শ্ৰী গুণীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰ অৱগত।

(খ) উদ্যোগটো কাৰ্য্যক্ষম কৰিবলৈ তলত দিয়া ব্যৱস্থা সমূহ গ্ৰহণ কৰা হৈছে।

(১) মাননীয় অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী মহোদয়লৈ তলত উল্লেখ কৰা ব্যৱস্থা সমূহ অতি শীঘ্ৰে গ্ৰহণ কৰিবলৈ টানি অনুৰোধ জনাইছে।

(২) প্ৰাকৃতিক গেছৰ মূল্য প্ৰতি ১০০০ ষ্টেণ্ডাৰ্ড কিউবিক মিটাৰত ১৭০০ টকাৰ পৰা ৬০০ টকা মূল্যত নিৰ্ধাৰণ কৰাৰ ব্যৱস্থা।

(৩) মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত বন্ধ হোৱা প্লাইউড উদ্যোগ সমূহ পুনৰ খোলাৰ ব্যৱস্থা কৰি উৎপাদনৰ কাম আৰম্ভ কৰাৰ ব্যৱস্থা।

(৪) আমদানিকৃত মিথানলৰ আমদানি শুল্ক পৰিমান বৃদ্ধি কৰাৰ ব্যৱস্থা।

(৫) উদ্যোগটিৰ উৎপাদিত সামগ্ৰীসমূহ পোনপোটীয়াকৈ নতুন নতুন বজাৰত বিক্ৰী কৰিবলৈ ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ।

(৬) আমদানিকৃত মিথানলৰ ওপৰত নতুনকৈ চেফ গাৰ্ড ডিউটিৰ ব্যৱস্থা।

**বিষয় ঃ মাছৰ মহল।**

**শ্ৰী এতোৱা মুন্দাই সুধিছে ঃ**

**৪৬২/ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনত মুঠ কিমানখন মাছৰ মহল আছে? জিলা ভিত্তিত তালিকাসহ সদনৰ মেজত দিব?

(খ) উক্ত মহল বিলাকৰ পৰা বছৰত মুঠ কিমান টকা চৰকাৰৰ আয় হয়?

(গ) মহলবিলাকৰ উপৰিও ৰাজ্যখনত মুঠ কিমান খন চৰকাৰী নথিভুক্ত পুখুৰী আছে? জিলাভিত্তিত আয়সহ সদনত তালিকা দাখিল কৰিবনে?

(ঘ) আৰু বাহিৰা ৰাজ্যৰ পৰা দৈনিক মুঠ কিমান মাছ আহে জনাবনে?

**শ্ৰী বুবুল দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত বৰ্ত্তমান চৰকাৰৰ অধীনত মুঠ ৫৫৭ খন মীন মহল আছে। ইয়াৰ ভিতৰত ১৯২ মীন মহল অসম মীন উন্নয়ন নিগমৰ অধীনত। জিলা ভিত্তিত আয় সহ তালিকা সংলগ্ন কৰি দিয়া হৈছে।

(See the Annexure VII)

(খ) উক্ত মহল বিলাকৰ পৰা বছৰেকত মুঠ ২,১৯,৫৬,১০৪.০০ টকা আয় হয়। ইয়াৰ ভিতৰত ১,২২,৩৪,৯২৫.০০ টকা অসম মীন উন্নয়ন নিগমে আয় কৰে।

(গ) ৰাজ্যখনত বৰ্ত্তমানে মীন বিভাগৰ অধীনত ২৪ খন মীন পাম আছে। এই মীন পাম সমূহৰ জিলাভিত্তিত আয় সহ তালিকা ইয়াৰ লগত সংলগ্ন কৰা হৈছে। (See the Annexure VII-A)

(ঘ) বাহিৰা ৰাজ্যৰ পৰা দৈনিক গড় হিচাবত প্ৰায় ৫৬ টন মাছ আহে।

**বিষয় ঃ- ঘাটি মঞ্জুৰী ডিগ্ৰী কলেজ**

**শ্ৰী ৰচিদুল হকে সুধিছে ঃ**

৪৬৩/মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ঘাটি মঞ্জুৰী পোৱা ডিগ্ৰী কলেজ কেইখন আছে জনাবনে?

(খ) অসমত বে-চৰকাৰী ডিগ্ৰী কলেজ কেইখন আছে জনাবনে?

(গ) বে-চৰকাৰী ডিগ্ৰী কলেজ সমূহক ঘাটি মঞ্জুৰী দিয়াৰ কোনো আঁচনি চৰকাৰৰ হাতত আছেনে?

(ঘ) অহা বিত্তীয় বছৰত (২০০০-২০০১) জুৰিয়া ডিগ্ৰী কলেজ ঘাটি মঞ্জুৰী দিয়া হ'বনে?

**শ্ৰী থানেশ্বৰ বড়ো। (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৮৯ খন।

(খ) ২৫২ খন।

(গ) আছে।

(ঘ) কলেজ কৰ্তৃপক্ষৰ পৰা প্ৰয়োজনীয় প্ৰস্তাৱ পালে, আৱশ্যকীয় ধনৰ অভাৱ নহলে আৰু প্ৰয়োজনীয় চৰ্ত্ত সমূহ পূৰণ হ'লে বিবেচনা কৰা হ'ব।

## বিষয় ঃ- ডিব্ৰুগড় সদৰ চাৰ্কোলৰ প্ৰাথমিক বিদ্যালয়

**শ্ৰী জয় চন্দ্ৰ নাগবংশীয়ে সুধিছে ঃ**

৪৬৪/ মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ স্কুল সমূহৰ উপ পৰিদৰ্শক মহোদয়ৰ অধীনস্থ ডিব্ৰুগড় সদৰ চাৰ্কোলৰ (Sadar Circle) অন্তৰ্গত বহুতো প্ৰাথমিক বিদ্যালয়ৰ নিজস্ব ঘৰ মাটি (School Building) নোহোৱাকৈ চলি থকাটো সচাঁনে?

(খ) যদি সঁচা, স্কুল সমূহৰ নাম, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পৃথকে পৃথকে উল্লেখ কৰিব আৰু সদনৰ মেজত দিব? (স্কুল ভিত্তিক)।

(গ) উপৰোক্ত বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীক ক'ত আৰু কেতিয়া পাঠদান কৰা হয়, বিতং ভাৱে জনাবনে?

**শ্ৰীথানেশ্বৰ বড়ো। (শিক্ষা বিভাগৰ মন্ত্ৰী।)য়ে উত্তৰ দিছে ঃ**

(ক) হয় সঁচা।

(খ) ডিব্ৰুগড় জিলাৰ স্কুল সমূহৰ উপ পৰিদৰ্শক মহোদয়ৰ অধীনস্থ ডিব্ৰুগড় সদৰ চাৰ্কোলৰ অন্তৰ্গত ৭ খন প্ৰাথমিক বিদ্যালয় নিজস্ব ঘৰ মাটি নোহোৱাকৈ চলি আছে। (উক্ত স্কুল সমূহৰ নাম, শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যাৰ তালিকা সদনৰ মেজত দিয়া হ'ল। (See the Annexure-VIII)

(গ) মুঠ ৭ খন বিদ্যালয়ৰ ভিতৰত ৬ খন প্ৰাথমিক বিদ্যালয়ৰ পাঠদান হাইস্কুলৰ ঘৰত চলাই থকা হৈছে। আৰু ১ খন বিদ্যালয় অন্য এখন বিদ্যালয়ত ৰাতিপুৱা ৭-০০ বজাৰ পৰা ১০-০০ বজালৈ চলাই আছে।

## Re:- Appointment of Stipendary Teacher.

**Sri Abu Saleh Najmuddin asked :**

★ Speech not corrected

465. Will the Minister of Education be pleased to state :
Whether Government is aware of the fact that false appointment letters for appointment of stipendary teacher were issued by the D.I. of Schools, Karimganj ?

**Sri Thaneswar Boro (Minister of Education) replied :-**

Govt. is not aware as appointment is made by D.I. of schools on recommendation of the Sub-division level Selection Board constituted for this purpose.

**বিষয় ঃ- আঁচনিৰ বিপৰীতে টকাৰ মঞ্জুৰী ও খৰচ প্ৰসঙ্গ**

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৪৬৬/মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৯৬-২০০০ ইং চনলৈ জলসিঞ্চন বিভাগে কোন কোন শিতানৰ পৰা কিমান কিমান টকা লাভ কৰিলে আৰু উক্ত টকা কোন কোন জিলা/সংমণ্ডললৈ কিমান কিমানকৈ আৱণ্টন দিয়া হ'ল? (বছৰৰ বিপৰীতে হিচাব দেখুৱাব)

(খ) ধুবুৰী জিলা/সংমণ্ডলত বিভাগে উপৰোক্ত সময়ছোৱাত F.D.R., Central Pool, World Bank. আৰু অন্যান্য শিতানৰ অধীনত কি কি আঁচনিৰ কাম কৰিলে (বছৰৰ বিপৰীতে শিতান, আঁচনি আৰু আঁচনিৰ বিপৰীতে টকাৰ হিচাব সদনৰ মেজত দিব)?

(গ) জিলাখনৰ "শিলঘাগৰী বান্ধ"ৰ মেৰামতি বা অন্যান্য কামৰ বাবে উপৰোক্ত সময়ছোৱাত কিমান কিমান টকাৰ কি কি কাম কৰিলে (বছৰৰ বিপৰীতে আঁচনিৰ বিতং নাম সহ খৰচৰ পৰিমান দেখাই হিচাব সদনৰ মেজত দিব।)?

**মাননীয় শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা ১৯৯৬-২০০০ ইং চনলৈ জলসিঞ্চন বিভাগৰ বিভিন্ন শিতানৰ পৰা পোৱা টকাৰ তথ্য জিলা/ সংমণ্ডল ভিত্তিত বছৰ অনুসৰি তালিকা নং ১ ত দেখুৱা হ'ল।

(খ) F.D.R. Central Pool আৰু World Bankৰ কাম কৰাৰ তালিকা নং ২, ৩ আৰু ৪ ত দেখুৱা হ'ল। বাকী থকা অন্যান্য শিতানৰ তথ্য সংগ্ৰহ কৰি থকা হৈছে।

(গ) শিলঘাগৰী বান্ধৰ বাবে সাধাৰণ মেৰামতি আৰু বানপানীত ক্ষতিগ্ৰস্ত হোৱা মেৰামতি কামৰ বাবে বছৰ অনুযায়ী খৰচৰ হিচাব তলত দিয়া হ'ল।

| Year | M&R | F.D.R. |
|---|---|---|
| 1997-98 | Rs. 5266.00 | Rs. 94,693.00 |

| | | |
|---|---|---|
| 1998-99 | Rs. 7344.00 | Rs. 60,899.00 |
| 1999-2000 | Rs. -- | Rs. 19,39,00 |

**বিষয় ঃ- কুটিৰ শিল্প অনুষ্ঠানৰ অৱস্থা**

**ডঃ কল্যাণ কুমাৰ গগৈ, য়ে সুধিছে ঃ**

৪৬৮/মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কুটিৰ শিল্পৰ প্ৰশিক্ষণ অনুস্থান (CITI) টোৰ কাহিলীপাৰা গুৱাহাটীত কি কি শাখা নিয়াৰিকৈ চলি আছে?

(খ) অনুষ্ঠানটোৰ বিভিন্ন শাখাৰ বাবে আৱশ্যকীয় কেঁচা সামগ্ৰী সমূহ দি থকা হৈছেনে? যদি দিয়া হৈছে, ১৯৯৬ চনৰ পৰা ১৯৯৯ চনৰ ৩১ ডিচেম্বৰলৈকে কি কি মূল্যৰ কি কি সামগ্ৰী দিছে জনাব?

(গ) কুটিৰ শিল্পৰ প্ৰশিক্ষণ অনুষ্ঠানটোৰ ভৱন, যন্ত্ৰ আদি লীজত দিছে নেকি? যদি দিছে। কিয় দিয়া হৈছে আৰু কোন কোন অনুষ্ঠান প্ৰতিষ্ঠানক দিছে মালিকৰ নাম ঠিকনা আগৰ কৰ্ম অভিজ্ঞতা সহ সদনৰ মজিয়াত তালিকা সহ দিব?

(ঘ) ভৱন, যন্ত্ৰ পাতি মেচিন আদি লীজ দিয়া হৈছে হেতু প্ৰশিক্ষাৰ্থী সকলৰ প্ৰশিক্ষণ কৰাত কি কি অসুবিধা হৈছে জনাব?

(ঙ) হস্তান্তৰ/লীজত দিয়া ভৱন মেচিন যন্ত্ৰ পাতিৰ বৰ্তমান মূল্য কিমান পৰিমাণৰ হ'ব পাৰে? আৰু এইবিলাক লীজ/হস্তান্তৰ ও চৰকাৰে কিমান টকা পাইছে তন্ন তন্নকৈ জনাবনে?

**শ্ৰীগুণীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কুটীৰ শিল্পৰ প্ৰশিক্ষণ অনুস্থান (CITI) কালাপাহাৰত মাত্ৰ দুটা প্ৰশিক্ষণ হে বৰ্তমান চলি আছে। শাখা দুটা হ'ল ১) পুতলা তৈয়াৰী শাখা আৰু ২) বিজুলী মেৰামতি শাখা। ইয়াৰে বাকী সাতটা শাখা বন্ধ হৈ গৈছে। বন্ধ শাখা কেইটা হ'ল চামৰাৰ বস্তু তৈয়াৰী শাখা, কাঁঠৰ আচবাব তৈয়াৰী শাখা বাঁহবেতৰ আচবাব তৈয়াৰী শাখা, মৃত শিল্প শাখা, যন্ত্ৰপাতি মেৰামতি শাখা, দ্ৰয়িং শাখা, কুমাৰ শিল্প শাখা।

(খ) অনুষ্ঠানটোৰ বিভিন্ন শাখাৰ বাবে আৱশ্যকীয় কেঁচা সামগ্ৰী সমূহ চৰকাৰী ধনৰ অভাবৰ বাবে ১৯৯৬ চনৰ পৰা বৰ্তমানলৈকে যোগান ধৰা হোৱা নাই।

(গ) হয়, লীজত দিছে। লীজত দিয়া ভৱন আৰু যন্ত্ৰপাতিৰ সবিশেষ বিৱৰণ সিপিঠিত দাঙি ধৰা হ'ল।

| ক্রঃ নং | অনুষ্ঠানৰ নাম | মালিকৰ নাম ঠিকনা | কিয় দিয়া হৈছে (বিৱৰণ) | অভিজ্ঞতা |
|---|---|---|---|---|
| ১ | বৰুৱা ফুট ওয়েৰ ইন্ডাষ্ট্ৰিজ | শ্ৰীপ্ৰজ্ঞাত লাল বৰুৱা উজান বজাৰ, গুৱাহাটী-১, কামৰূপ | চৰকাৰী চাবোন তৈয়াৰী কাৰখানাটো ২০ বছৰে বন্ধহৈ থকাত ইয়াৰ আহিলা পাতি মামৰে ধৰি নষ্ট হৈ যোৱাত অকল ভৱনটো বৰুৱা ফুট ওয়েৰ ইন্ডাষ্ট্ৰিজক লীজত দিয়া হৈছে। | এওঁ কাৰীকৰি ভাবে হাৱাইচপ্পল তৈয়াৰিত বিশেষভাবে প্ৰশিক্ষণ প্ৰাপ্ত সেয়েহে এই বিষয়ত অভিজ্ঞতা আছে। |
| ২ | বিনায়ক ইন্ডাষ্ট্ৰিজ | শ্ৰীমতী গায়ত্ৰী ডেকা কালাপাহাৰ, গুৱাহাটী-১৬, কামৰূপ | ইলেক্ট্ৰ প্লেটিং শাখাটোৰ যন্ত্ৰপাতিৰ ব্যৱস্থা নথকাত ভৱনটো ভাঙি চিঙি থকাত ধুপ কাঠি উৎপাদন উদ্যোগটোক উক্ত ভৱনটো লীজত দিয়া হৈছে। | শ্ৰীমতী ডেকা ধুপকাঠি তৈয়াৰী প্ৰশিক্ষণ প্ৰাপ্ত মহিলা। |
| ৩ | নেচনেল টেষ্ট হাউচ | ভাৰত চৰকাৰ সংস্থা কালাপাহাৰ, গুৱাহাটী-১৬, | ভাৰত চৰকাৰে অসম চৰকাৰক জৰুৰীভাবে নেচনেল টেষ্ট হাউচক ঘৰটি আৱণ্টন কৰি দিবলৈ অনুৰোধ জনোৱাত চৰকাৰে কুঃশিঃপ্ৰঃ অনুস্থানৰ ৯টা ভৱন তৎকালীনভাৱে উক্ত অনুস্থানক কাম কৰিব পৰাকৈ লীজত দিছে। এই অনুস্থানে উদ্যোগ গোটৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ মান নিৰ্ণয়ৰ কাম কৰে। ইতিমধ্যে এই অনুষ্ঠানৰ কাম আৰম্ভ কৰিছে। | এই সংস্থাই ভাৰতৰ সকলো প্ৰদেশতে এনেদৰে একো একোটা পৰীক্ষা কেন্দ্ৰ স্থাপন কৰিছে। এই ব্যৱস্থাটো অভিজ্ঞ কাৰিকৰী অভিযন্তাৰে গঠিত। |
| ৪ | মনচুন পলিমাৰ | শ্ৰীগৌতম সাহা আঠগাওঁ, গুৱাহাটী কামৰূপ | মৃত শিল্প শাখাটোক প্ৰথমে হিমাদ্ৰী চিৰামিক নামৰ উদ্যোগ গোটক যন্ত্ৰপাতি ভৱনসহ লীজত দিছিল। উদ্যোগটো ১০ বছৰে কাৰ্য্যক্ষম নোহোৱাত তেওঁৰ পৰা যন্ত্ৰপাতি ভৱন চৰকাৰে পুনৰ ১৯৯২ চনত | শ্ৰীসাহা পৰিয়াল টেকনলজিৰ প্ৰশিক্ষণ-প্ৰাপ্ত কাৰিকৰী লোক তেওঁৰ যথেষ্ট অভিজ্ঞতা আছে। উদ্যোগটোৱে পলিমাৰ সূতা তৈয়াৰ |

| | |
|---|---|
| লীজত হাতলৈ আনে। পিছত যন্ত্ৰপাতি ভৱনৰ অংশ এটা চৰকাৰৰ হাতত ৰাখি থৈ বাকী অংশ ভৱনটো মনচুন পলিমাৰক লীজত দিয়ে ১৯৯৯ চনত। | কৰিবলৈ প্ৰস্তাৱ ৰাখিছে। |

(ঘ) ধনৰ অভাৱত অনুষ্ঠানটোৰ মুঠ ৯ টা শাখাৰ ভিতৰত মাত্ৰ দুটা শাখাহে যেনে পুতলা বনোৱা শাখা আৰু বিজুলী মেৰামতি শাখা বৰ্তমানে চলি আছে। বাকী সাতোটা শাখা বন্ধ গৈছে। ইয়াৰ উপৰি অনুষ্ঠানটোৰ যন্ত্ৰপাতি লীজত দিয়া হোৱা নাই। আৰু ছাত্ৰাবাস ভবনো লীজত দিয়া হোৱা নাই। গতিকে প্ৰশিক্ষাৰ্থী সকলৰ কোনো অসুবিধা হোৱা নাই।

(ঙ) হস্তান্তৰ / লীজত বৰ্তমান কোনো যন্ত্ৰপাতি দিয়া হোৱা নাই। মাত্ৰ আও পুৰণি অসম আৰ্হি ভৱন সমূহহে হস্তান্তৰ / লীজত দিয়া হৈছে। এই ভৱনবোৰৰ অৱস্থা শোচনীয় বাবে কোনো মূল্যায়ন কৰা হোৱা নাই। মাত্ৰ ইয়াৰ বাবে অন্য ইণ্ডাষ্ট্ৰিয়েল এৰিয়াৰ চেদৰ ধৰণে ভাড়া হে ল'বলৈ ব্যৱস্থা কৰা হৈছে। চৰকাৰী ভাড়াৰ নিৰিখ প্ৰতিমাহত ১৫ পইচা হিচাবে নিৰ্দ্ধাৰণ কৰা হৈছে, প্ৰতি বৰ্গ ফুটৰ বিপৰীতে পিছত ইং ১/১/২০০০ তাৰিখৰ পৰা প্ৰতি বৰ্গফুটত ১.৫০ টকা হিচাবে পুনৰ ভাড়া বৃদ্ধি কৰা হৈছে।

## Re:- Petroleum and Natural Gas

**Sri Bimalangshu Roy, asked :**

469./ Will the Minister of Industry be pleased to state:

(a) Is it a fact that Ministry of Petroleum and Natural Gas, Government of India has accorded approval for "fall back" supply of natural gas to domestic and other consumers of Silchar Town through pipe line to A.G.C.L?

(b) If so, why A.G.C.L. is not asked to go for operation immediately?

(c) Has the Government abandoned the idea of supplying gas through pipe line in Silchar?

(d) If so, why? If not, when it is expected to Commission the project?

**Sri Gunin Hazarika, (Minister Industries) replied :**

(a) Yes.

(b) Assam Gas Company Ltd. has already prepared the Project for

implementation. The PIB, Govt, of Assam has also approved the investment proposal in its meeting dated 27-8-98. However the detail terms & conditions for gas supply on "fall back" basis are yet to be communicated by Govt. of India. Once the agreements is signed in this regard the Project will be implemented by the Company.

(c) No.

(d) Once the terms and conditions are finalised and agreement is signed with the producers of natural gas, Assam Gas Company Ltd. will implement the project. Assam Gas Company Ltd. is pursuing the matter with Goverment of India.

**বিষয় ঃ- মঙ্গলদৈ আৰু টংলা জলসিঞ্চন সংমণ্ডল**

**শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে ঃ**

মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মঙ্গলদৈ জলসিঞ্চন সংমণ্ডল আৰু টংলা জলসিঞ্চন সংমণ্ডলত ১৯৯৮-৯৯ (F.D.R.) শিতানৰ পৰা টকা দিয়া হৈছিল নেকি?

যদি হৈছিল, তেনেহলে টকা পোৱা আঁচনি কেইটাৰ নাম কি?

**শ্ৰীআব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

মঙ্গলদৈ জলসিঞ্চন সংমণ্ডলৰ বাবে দিয়া হৈছিল। আৰু টংলা জলসিঞ্চন সংমণ্ডলৰ কাৰণে দিয়া হোৱা নাই। টকা পোৱা মঙ্গলদৈ জলসিঞ্চন সংমণ্ডলৰ আঁচনি কেইটাৰ নাম হ'ল ঃ-

১) চি, এম, দত্ত বান্ধ জলসিঞ্চন আঁচনি।

২) বেগা জলসিঞ্চন আঁচনি।

৩) এক্সটেন্সন এন্ড ইমপ্ৰুভমেন্ট অব্ কুলশীক জলসিঞ্চন আঁচনি (নাহঁৰবাৰী)

**বিষয় ঃ- অসম পেট্ৰ ৰাসায়নিক প্ৰকল্প**

**শ্ৰীমতী প্ৰণতি ফুকনে, সুধিছে ঃ**

৪৭১/মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম পেট্ৰ ৰাসায়নিক প্ৰকল্প ১৯৯৮-১৯৯৯ চনৰ পৰা ঘাটি খোৱাটো সঁচানে? যদিহে সঁচা, ১৯৯৮-১৯৯৯, ১৯৯৯-২০০০ চনৰ ঘাটিৰ পৰিমাণ কিমান আছিল?

(খ) এই লোকচান কি কি কাৰণত হৈছিল আৰু তাৰ প্ৰতিকাৰৰ চৰকাৰে কিবা ব্যৱস্থা লৈছে

নেকি?

(গ) যদি লোৱা নাই, কিয় লোৱা নাই জনাবনে?

শ্ৰীগুণীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা। ঘাটিৰ পৰিমান তলত দিয়া হ'ল।

| চন | ঘাটিৰ পৰিমান |
|---|---|
| ১৯৯৮-৯৯ (প্ৰভিজনেল) (-) | ১৫৪.৬৪ লাখ টকা |
| ১৯৯৯-২০০০ (অনুমানিক) (-) | ১৫০.০০ লাখ টকা |

(খ) লোকচান হোৱাৰ কাৰণবোৰ হ'ল ঃ-

(১) আন্তঃৰাষ্ট্ৰীয় বজাৰত মিথানলৰ দাম কম হোৱা কাৰণে আমদানীকৃত মিথানলৰ ভাৰতীয় বজাৰত উভৈনদী। আমাদানীকৃত সস্তীয়া মিথানলৰ ভাৰতীয় বজাৰত উভৈনদী হোৱাৰ বাবে থলুৱা উৎপাদনকাৰী মিথানল প্ৰতিষ্ঠান বিলাকৰ শোচনীয় অৱস্থা হৈছে।

(২) আমদানী শুল্ক ১৯৯৪-৯৫ চনৰ ৬৫ শতাংশৰ পৰা বৰ্ত্তমান ২৭.৫ শতাংশ লৈ হ্ৰাস কৰা হৈছে। যাৰ ফলত আমদানীকৃত মিথানলৰ অতিশয় দাম হ্ৰাস হৈছে।

(৩) নেচাৰেল গেছৰ মূল্য বৃদ্ধি, বিজুলী শক্তিৰ মূল্য বৃদ্ধি আৰু অন্যান্য যাৱতীয় কেচাঁমালৰ মূল্য বৃদ্ধিৰ বাবে মিথানলৰ উৎপাদনৰ ব্যয় বৃদ্ধি হৈছে।

উত্তৰ পূৰ্ব্বাঞ্চলৰ কাঠৰ উদ্যোগবোৰ বন্ধ হোৱাৰ বাবে পেট্ৰো কেমিকেল প্ৰকল্পৰ ফৰমেলিনৰ বজাৰ সম্পূৰ্ণৰূপে বন্ধ হৈছে। এতিয়া ফৰমেলিন বিহাৰ, পশ্চিমবংগ আদিৰ বজাৰত অতি কম দামত/ ৰেহাই হাৰত বিক্ৰী কৰিব লগীয়া হৈছে।

(৪) তলত উল্লেখিত ব্যৱস্থাবোৰ অসম পেট্ৰোকেমিকেল প্ৰকল্পৰ উন্নয়নৰ বাবে ইতিমধ্যে লোৱা হৈছে।

(ক) মাননীয় অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ভাৰতৰ প্ৰধান মন্ত্ৰী মহোদয়লৈ তলত উল্লেখিত ব্যৱস্থাবোৰ লবলৈ টানি অনুৰোধ জনাইছে।

(খ) নেচাৰেল গেছৰ মূল্য প্ৰতি ৫০০০ SCM ত ৬০০.০০ টকা মূল্য ধাৰ্য্য কৰাৰ ব্যৱস্থা।

(গ) অতি সোনকালে অসমৰ প্লাইউড উদ্যোগবোৰৰ উৎপাদনৰ কাম আৰম্ভৰ ব্যৱস্থা।

(ঘ) আমদানীকৃত মিথানলৰ আমদানী শুল্ক পৰিমান বৃদ্ধিকৰাৰ ব্যৱস্থা।

(ঙ) প্ৰশ্ন নুঠে।

**বিষয় ঃ শিক্ষা বিষয়া আৰু উপপৰিদৰ্শকৰ কাৰ্য্যালয়**

**শ্ৰী জয়চন্দ্ৰ নাগবংশীয়ে সুধিছে ঃ**

৪৭২/ মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু উপপৰিদৰ্শকৰ কাৰ্য্যালয় সমূহ বহুদিন ধৰি ভাড়া ঘৰত (Rented House) চলি থকাটো সচাঁনে?

(খ) যদি সচাঁ, উক্ত কাৰ্য্যালয় সমূহৰ বাবদ চৰকাৰে বছৰি কিমান টকা ভাড়া হিচাবে আদায় দিয়ে?

(গ) ভাড়া ঘৰৰ মালিক সকলক কেইবা মাহ ধৰি ভাড়া আদায় নিদিয়াকৈ থকাটো সচাঁনে?

(ঘ) চৰকাৰে পৰ্য্যায়ক্ৰমে উক্ত কাৰ্য্যালয় সমূহ নিজাববীয়াকৈ নিৰ্মাণ কৰাৰ কিবা আঁচনি গ্ৰহণ কৰিছেনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্য্যালয়ৰ বাবে বছৰি ১৫,৯৩৬.০০ টকা আৰু উপপৰিদৰ্শকৰ কাৰ্য্যালয়ৰ ঘৰ ভাড়া বছৰি ৬১,৬২০.০০ টকা দিব লগা হয়।

(গ) জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়ৰ ঘৰ ভাড়া নিয়মীয়াকৈ দি থকা হৈছে। কিন্তু উপপৰিদৰ্শকৰ কাৰ্য্যালয়ৰ ঘৰ ভাড়া কেইবা বছৰ বাকী আছিল যদিও ১৯৯৯-২০০০ চনত সেই টকা আবন্টন দিয়া হৈছে।

(ঘ) পুঁজিৰ অভাৱৰ বাবে তেনে আঁচনি চৰকাৰে লব পৰা নাই।

**বিষয় ঃ বে-চৰকাৰী স্কুলৰ সংখ্যা**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই, সুধিছে ঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান ৰাজ্যখনত বে-চৰকাৰী প্ৰাইমাৰী বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ ইংৰাজী বিদ্যালয়ৰ সংখ্যা কিমান? বে-চৰকাৰী জুনিয়ৰ মহাবিদ্যালয় আৰু মহাবিদ্যালয়ৰ সংখ্যা কিমান?

(খ) উক্ত অনুষ্ঠান সমূহ চৰকাৰী কৰণ অথবা সাহায্য প্ৰাপ্ত কৰাৰ ব্যৱস্থা কৰিছে নেকি?

(গ) যদিহে কৰিছে, কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব।

**মাননীয় শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক)(১)বে-চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ..................................৮৬৬৪ খন

(২) মধ্য ইংৰাজী বিদ্যালয়ৰ (স্বীকৃতি প্ৰাপ্ত)ৰ সংখ্যা ..................................১৬৫৪ খন

(৩) উচ্চ ইংৰাজী বিদ্যালয়ৰ সংখ্যা ..................................৩২৫৫ খন

(৪) বে-চৰকাৰী জুনিয়ৰ মহাবিদ্যালয়ৰ সংখ্যা .................................... ২৩৮ খন

(৫) মহাবিদ্যালয়ৰ সংখ্যা (১৮৯ ডেফিচিট) আৰু (নন ডেফিচিট ২৫২ )

(খ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) - ঐ -

**বিষয় ঃ চাহ উদ্যোগ**

**শ্ৰীমতী প্ৰণতি ফুকনে, সুধিছে ঃ**

৪৭৪/ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক্ষুদ্ৰ চাহ উদ্যোগৰ বিকাশত সহায় কৰিবলৈ ৰাজ্য চৰকাৰে কি কি পদক্ষেপ হাতত লৈছে?

**শ্ৰী গুণীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ উদ্যোগৰ বিকাশত সহায় কৰিবলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা লোৱা ব্যৱস্থা সমূহ তলত দিয়া ধৰণৰ ঃ

(১) চৰকাৰৰ তৰফৰ পৰা ১৯৮৯ চনৰ ভূমি নীতিৰ অধীনত ৩০ বিঘা পৰ্য্যন্ত চৰকাৰী মাটি চাহ খেতিৰ বাবে বন্দবস্তী দিয়াৰ ব্যৱস্থা আছে।

(২) উদ্যোগ বিভাগৰ পৰা বেংকৰ জৰীয়তে 'প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনাৰ' অধীনত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ চাহ খেতিৰ বাবে ঋণৰ ব্যৱস্থা কৰা হৈছে।

(৩) ৰাজ্য চৰকাৰৰ চাহ সঞ্চালকালয়ৰ পৰা যোৰহাটৰ আসম কৃষি বিশ্ববিদ্যালয়ত ক্ষুদ্ৰ চাহ খেতিয়ক সকলক এসপ্তাহকৈ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

## Re : Nos. of Colleges

**Sri Abu Saleh Najmuddin asked :**

475. Will the Minister of Higher Education be pleased to state :

(a) How many Nos. of Colleges were brought under Deficit system/ Grant-in-aid by Govt. during the year 1998-99 and 199-2000?

(b) Is there any college of Barak Valley District brought under deficit system of Grant / Grant-in-aid system?

**Shri Thaneswar Boro, (Higher Education Minister) replied :**

(a) During the year 1998-99 Nineteen Colleges were brought under

Deficit system of G.I.A. During the year 1999-2000 no college has been brought under Deficit system of G.I.A.

(b) During the year 1998-99 no college of Barak Valley District was brought under deficit system of G.I.A.

**বিষয় ঃ জিলা পুথিভড়াঁল**

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

৪৭৬/ মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ডিব্রুগড় চৌকিডিঙিত অৱস্থিত জিলা পুথি ভড়ালটোৰ অৱস্থা দিনক দিনে শোচনীয় হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে পুথি ভড়ালটোৰ উন্নয়নৰ বাবে কিবা আঁচনি হাতত লৈছে নেকি? যদি নাই লোৱা তেন্তে কেতিয়াকৈ লব জনাবনে?

**শ্রী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) ডিব্রুগড় জিলা গ্রন্থাগাৰটোৰ অৱস্থা শোচনীয় হৈ পৰা নাই।

(খ) সদ্যহতে আঁচনি আছে।

**Re : Vocational Education in Higher Secondary School.**

**Shri Abu Saleh Najmuddin asked :**

477. Will the Minister of Secondary Education be pleased to state:

(a) Is there any proposal of the Government to introduce Vocational Education in Higher Secondary Schools during the Year 2000-2001?

(b) If so, then how many numbers Higher Secondary Schools will be brought under Vocational Education?

**Shri Thaneswar Boro, (Minister of Secondary and Elementary Education) replied :**

(a) Yes.

(b) 50 Higher Secondary Schools.

**বিষয় ঃ উচ্চতৰ মাধ্যমিক বিদ্যালয়**

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

৪৭৮/ মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) চৰকাৰ অৱগতনে যে এনেকুৱা এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় (বিজ্ঞান শাখা) ডিব্ৰুগড় জিলাত আছেনে যত আজি দহ (১০) বছৰেও এজনো ছাত্ৰ ছাত্ৰী নোহোৱাকৈ চলি আছে?

(খ) যদি আছে তেন্তে যোৱা বছৰেই ডিব্ৰুগড় বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ডিব্ৰুগড় জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকে অনুমোদন কৰি দিয়াৰ পিছতো কিয় এতিয়ালৈ স্থানান্তৰ কৰা হোৱা নাই?

শ্ৰীথানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত। কিন্তু যোৱা দহ বছৰে বিজ্ঞান শাখাৰ এজনো ছাত্ৰ-ছাত্ৰী নথাকাটো সত্য নহয়।

(খ) প্ৰক্ৰিয়া চলি আছে।

## DISCUSSION DURING ZERO HOUR

**Mrs. Deputy Speaker :** I have received as many as ten Notices of Zero Hour for 04/4/2000 in the name of the following Hon'ble Members:

1. Shri Bharat Chandra Narah.
2. Shri Hemendra Nath Brahma.
3. Shri Sukhendu Shekhar Dutta.
4. Shri Prithibi Majhi.
5. Smti. Pranati Phukan
   Shri Prithibi Majhi
6. Dr. Ardhendu Kumar Dey
   Mustafa Shahidul Islam
   Shri Nazimul Umar
   Dr. Nazrul Islam
   Smti. Rupam Kurmi
   Shri Abdul Muqtadir Choudhury
   Shri Wazed Ali Choudhury
   Shri Bhupendra Nath Bhuyan
   Shri Dileswar Tanti.
   Shri Pradyut Bordoloi
   Shri Sukur Ali
   Shri Bhimananda Tanti.

Shri Abu Saleh Najmuddin
Shri Sheikh Abdul Hamid.
7. Shri Bhupendra Nath Bhuyan
8. Shri Nizamuddin Khan
9. Shri Dilip Kumar Saikia
10. Shri Dilip Kumar Saikia.

As per rules, I have selected three Zero Hour Notices for raising before the House today.

I now call upon the Hon'ble Member Shri Bharat Chandra Narah to raise his Zero Hour Motion regarding. "অসমৰ সমবায় আন্দোলনৰ উন্নতিৰ হকে কাম কৰা অসম ৰাজ্যিক সমবায় সংঘক মৃত্যু মুখৰ পৰা ৰক্ষা কৰিবলৈ যৌথ প্ৰচেষ্টা চলোৱাৰ অৰ্থে আৰু সংঘক গুৰুত্ব প্ৰদান কৰিবলৈ সংঘৰ কৰ্মচাৰী সকলৰ নিবেদন।"

* **শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, মই মাননীয় মন্ত্ৰী মহোদয়লৈ যিখন নটিছে দিছোঁ, সেই খনৰে কপি মোৰ হাতত আছে আৰু অসম ৰাজ্যিক সমবায় সংঘই প্ৰত্যেক বিধায়ক আৰু মন্ত্ৰী লৈ সেইখন চিঠিকে পঠিয়াইছে। সেই চিঠিখনৰ বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। এই অসম ৰাজ্যিক সমবায় সংঘৰ মুখ্য কাৰ্য্যালয় আছে বি বৰুৱা কলেজৰ সন্মুখত অসম ৰাজ্যিক সমবায় সংঘই বিভিন্ন কাৰণত এই সমবায় অনুষ্ঠানটো মৃত্যুৰ মুখলৈ আগবাঢ়িছে বুলি কৈছে। এই সমবায় অনুস্থানটোলৈ ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা দিব লগিয়া আৰ্থিক অনুদানো প্ৰতি বছৰে দিয়া নহয় বুলি কৈছে। আৰু যিখিনি দিয়া হয় সেইখিনিও যথেষ্ট নহয় বুলি কৈছে সেয়ে আমি মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিচাৰো যে এই ৰাজ্যিক সমবায় সংঘলৈ দিয়া আৰ্থিক অনুদান বৃদ্ধি কৰাৰ বাবে চৰকাৰে বিবেচনা কৰিবনে? তেওঁলোকে এইটোও কৈছে যে তেওঁলোকৰ কাৰ্য্যলয়ত এবিঘা মাটি আছে, এই মাটি খিনিত মাল্টিষ্টৰী বিল্ডিং চৰকাৰৰ ফালৰ পৰা বনাই দিলেও তাক ভাৰা আদি দি তেওঁলোকে বহুখিনি উপাৰ্জন কৰিব পাৰে যিহেতু এই মাটি খিনি একেবাৰে চহৰৰ মাজমজিয়াত অৱস্থিত। গোটেই অসমত ৪৫ খন জিলাত সমবায় থাকিব লাগে। যদিও এতিয়ালৈকে মাত্ৰ ২৬ খনহে সমবায় সমিতি আছে। যদিও আমাৰ ৪৫ খন মহকুমা আছে একোখন মহকুমাত একোটাকৈ সমবায় থাকিব লাগে। সমুদায় অসমত মাত্ৰ ২৬ খন আছে। অসম ৰাজ্যিক সমবায় সংঘৰ তৰফৰ পৰা কেবাবাৰো আহ্বান জনাইছে এই সংঘটো মৃত্যুৰ মুখত পৰাৰ পৰা যত্ন লবৰ কাৰণে। আমি ছিয়াক হিচাপে সেই কেপাচিটী নাই। কিন্তু আমি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰো আৰু তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰো। অসম ৰাজ্যিক সমবায় সংঘ যদি মৃত্যুৰ মুখত পতিত হয় তেতিয়া হলে ভাৰত

বৰ্ষৰ ভিতৰতে এইটোৱেই হ'ব প্ৰথম। কাৰণ এতিয়ালৈকে ভাৰতৰে নহয় পৃথিৱীৰ কতোৱেই এনে অৱস্থা হোৱা নাই। একমাত্ৰ অসম ৰাজ্যিক সমবায় সংঘৰেহে এইটো অৱস্থা হৈছে। সেই কাৰণে বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো আৰু চৰকাৰে কি ব্যৱস্থা লৈছে এইটো শূন্য কালীন সময়মতে জাননীৰ জৰিয়তে জানিব বিচাৰিলোঁ।

* **শ্ৰী নুৰুল হুচেইন (সমবায় মন্ত্ৰী) ঃ** মাননীয় উপধ্যক্ষা মহোদয়া, মাননীয় সদস্য নৰহ ডাঙৰীয়াই অসম ৰাজ্যিক সমবায় সংঘৰ ওপৰত যিখিনি কথা উত্থাপন কৰিছে সেইটো আমাৰ দৃষ্টি গোচৰ হৈছে। এই সম্পৰ্কত মই ক'ব বিচাৰোঁ যে অসম ৰাজ্যিক সমবায় সংঘ ১৯৪৯ চনৰ অসম ৰাজ্যিক সমবায় আইনৰ অধীনত পঞ্জীয়নভূক্ত এখন ৰাজ্যিক পৰ্য্যায়ৰ স্বতন্ত্ৰ সমবায় সমিতি। চৰকাৰৰ নীতি অনুযায়ী ৰাজ্যিক সমবায় সংঘই ইয়াৰ বিভিন্ন জিলা শাখা সমূহৰ জৰিয়তে ৰাইজৰ মাজত সমবায় শিক্ষাৰ প্ৰচাৰ কৰিব লাগে। এই অনুষ্ঠানটিৰ সকলো কামকাজ চোৱাচিতা কৰাৰ কাৰণে আৰু বাৰ্ষিক বাজেট প্ৰস্তুত কৰি চৰকাৰী অনুদান আৰু তেওঁলোকৰ নিজাকৈ হোৱা আয়ৰ জৰিয়তে কৰ্মচাৰীৰ দৰমহা আৰু অন্যান্য যাৱতীয় খৰচ উলিয়াবৰ ব্যৱস্থা কৰিবৰ কাৰণে এখন নিৰ্বাচিত পৰিচালক মণ্ডলী আছে। পৰিচালক মণ্ডলীক সহায় কৰিবৰ কাৰণে সমবায় বিভাগৰ ফালৰ পৰা উপপঞ্জীয়ক পদমৰ্য্যাদাৰ এজন বিষয়াক সংঘৰ মুখ্য কাৰ্য্যবাহী বিষয়া হিচাবে নিযুক্তি দিয়া হৈছে। সংঘই তেওঁলোকৰ উদ্দেশ্য সফল কৰিবৰ কাৰণে প্ৰতিবছৰে ৰাজ্যৰ বিভিন্ন ঠাইত আলোচনা চক্ৰ, কৰ্মশালা, প্ৰদৰ্শনী আৰু সমবায় অভিযান আদি অনুস্থিত কৰিব লাগে আৰু লগতে সংঘই তেওঁলোকৰ নিজা ছপাশালত বিভিন্ন উপ বিধি, পোষ্টাৰ, পুস্তিকা আদি চপা কৰি আৰু বিক্ৰী কৰি নিজৰ আয় বঢ়াব পৰাৰ ব্যৱস্থা আছে।

সংঘৰ একাংশ কৰ্মচাৰীয়ে অসমৰ বিভিন্ন দপ্তৰৰ মন্ত্ৰী আৰু মাননীয় বিধায়ক সকলৰ ওচৰত সংঘৰ কিছুমান সমস্যা দাঙি ধৰাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু এই সম্পৰ্কে তেওঁলোকে চপাই উলিওৱা এখন প্ৰচাৰ পত্ৰ চৰকাৰৰ হাতত পৰিছে। এই ক্ষেত্ৰত চৰকাৰে মাননীয় সদনক জনাব খোজে যে যিহেতু অসম ৰাজ্যিক সমবায় সংঘ এটা চৰকাৰী বিভাগ নহয়, গতিকে উক্ত সমবায় সমিতিখনৰ কৰ্মচাৰীসকল আৰু পৰিচালক মণ্ডলীৰ সদস্য সকলৰ বানচ, দৰমহা, ভ্ৰমণ বানচ, সভা সমিতি পতাৰ খৰচ আদিকে সমস্ত খৰচ চৰকাৰে বহন কৰিব নোৱাৰে। যিহেতু ই এখন সমবায় সমিতি এতেকে সমবায় সমিতিখনৰ সম্পদ আহৰণৰ দায়িত্ব সমিতিৰ নিজা বিষয়। তথাপিতো চৰকাৰে সংঘটোৰ জন্মলগ্নৰে পৰা প্ৰতিবছৰে অনুদান দি সমিতিখনক সহায় কৰি আহিছে। সংঘৰ বছেৰেকীয়া দৰমহাৰ খৰচৰ বাবদ প্ৰয়োজন হোৱা ৪৫.৪৪ লাখ টকাৰ বিপৰীতে চৰকাৰে বুজন পৰিমানৰ অনুদান দি আহিছে। কিন্তু যোৱা ১৯৯৬-৯৭ চনত চৰকাৰে মঞ্জুৰী দিয়া ৫০ লাখ টকাৰ বিপৰীতে ৪১.৬৪ লাখ টকাৰ চিলিঙ দিছিল যদিও সমবায় বিভাগৰ পঞ্জীয়ক কাৰ্য্যালয়ৰ গাননিক

শাখাই বছৰটোৰ মাৰ্চ মাহত এই সমুদায় ৪১.৬৪ লাখ টকা ষ্টেট বেংকৰ পানবজাৰ শাখাৰ পৰা উঠাব নোৱাৰা কথাটো সঁচা। সমবায় বিভাগৰ পঞ্জীয়কৰ পৰা জানিব পৰা মতে যদিও ৪১.৬৪ লাখ টকাৰ বিল কোষাগাৰত পাচ হৈ ষ্টেট বেংকৰ পানবজাৰ শাখালৈ গৈছিল, কিন্তু ইতিমধ্যে ভাৰতীয় ৰিজাৰ্ভ বেংকে চৰকাৰী বিল আদায় দিয়াৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাৰ বাবেই বিলৰ ধন উঠাব পৰা নগ'ল। এইখিনিতে উনুকিয়াব পাৰি যে এনেকৈয়ে অসম চৰকাৰৰ বহুতো বিভাগৰ ধন ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিষেধাজ্ঞাৰ বাবে উঠাব নোৱাৰিলে।

প্ৰচাৰ পত্ৰখনৰ উল্লেখ কৰা মতে কোনো এটা বছৰত যিকোনো এটা বিভাগ বা কোনো এটা বিভাগৰ শাখাৰ বাবে বাজেটত আৱন্টিত ধন বছৰটোৰ ৩১ মাৰ্চৰ ভিতৰত ট্ৰেজেৰীৰ জৰিয়তে বিল দাখিল কৰি ষ্টেট বেংকৰ পৰা উঠাই আনিব নোৱাৰিলে সেই ধন পাছৰ বছৰৰ বাজেটত পুনৰ অন্তৰ্ভূক্ত কৰাটো সম্ভৱ নহয়। তথাপিতো সংঘই সন্মুখীন হোৱা সমস্যাটোৰ প্ৰতি লক্ষ্য ৰাখি ১৯৯৭-৯৮ বৰ্ষত ৫০ লাখ টকা অনুদান হিচাবে চৰকাৰে বিত্তীয় বৰ্ষৰ আৰম্ভনিতে সহানুভূতিৰে মুকলি কৰি দিয়ে। চৰকাৰৰ পৰিকল্পনা বা পৰিকল্পনা বৰ্হিভূত শিতানত অতিৰিক্ত ধন নথকা হেতুকে ১৯৯৭-৯৮ চনত আৰু তাৰ পিচৰ বছৰ কেইটাত সমবায় সংঘৰ বাবে বৰ্দ্ধিত হাৰত অনুদানৰ বাবে ব্যৱস্থা কৰাটো সম্ভৱপৰ হোৱা নাই। যেই নহওঁক সংঘৰ প্ৰতি বিশেষভাৱে বিবেচনা কৰি যোৱা তিনিটা বিত্তীয় বছৰত তলত দিয়া ধৰণে অনুদান আগবঢ়োৱা হৈছে —

| | | |
|---|---|---|
| (১) | ১৯৯৭-৯৮ | - ৫০.০০ লাখ |
| (২) | ১৯৯৮-৯৯ | - ৩৯.০০ লাখ |
| (৩) | ১৯৯৯-২০০০ | - ৩২.৪৬ লাখ |

২০০০-২০০১ চনৰ বাবে বাজেটত ২৪.৪৫ লাখ টকা অনুদান হিচাবে অন্তৰ্ভূক্ত কৰা হৈছে।

**সংঘক স্বনিৰ্ভৰশীল কৰাৰ উপায়**

কৰ্মচাৰীসকলে প্ৰচাৰ পত্ৰখনৰ উল্লেখ কৰা মতে গুৱাহাটী মহানগৰীৰ বি, বৰুৱা কলেজৰ সন্মুখত যথেষ্ট মূল্যবান এডোখৰ মাটি থকাটো সঁচা। সেই মাটি ডোখৰত কেবামহলীয়া এটা ভৱন নিৰ্মাণ কৰিব পৰা যায়। সংঘই এই ভৱনটোত নিজাববীয়াকৈ কাৰ্য্যালয় আৰু লাইব্ৰেৰীৰ বাবে কোঠা লোৱাৰ ওপৰিও দুটা বা তিনিটা মহলা ব্যৱসায়িক ভিত্তিত ভাৰা দি প্ৰতিবছৰে অতিৰিক্ত পূঁজি আহৰণ কৰিব পাৰে। ইয়াৰ বাবে ৰাজ্যিক চৰকাৰৰ পৰ্য্যায়ত কেইবাখনো বৈঠকত (HUDCO) এপেক্স বেংক, হাউচফেড আদি অনুস্থানৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত সংঘৰ বিষয়ববীয়া সকলক প্ৰকল্প - আঁচনি (Project Report) প্ৰস্তুত কৰিবলৈ কোৱা হৈছিল। কিন্তু এই আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে সমবায় সংঘৰ কাৰ্য্যবাহী সমিতিখনেহে নিজাববীয়াকৈ উদ্যোগ ল'ব লাগিব। এই ক্ষেত্ৰত

চৰকাৰে যাবতীয় পৰামৰ্শ আগবঢ়াবলৈ সাজু আছে। ইয়াৰ ওপৰিও সংঘৰ বিভিন্ন জিলাত থকা সা-সম্পতি বানিজ্যিক ভাবে ব্যৱহাৰ কৰি আৰু বিভিন্ন প্ৰদৰ্শনী, প্ৰশিক্ষণ কেন্দ্ৰ কিতাপ আৰু বিভিন্ন পুস্তিকা চপাই, বিক্ৰী কৰি আৰু consultancy services আগবঢ়াই সংঘই সংঘটো স্বনিৰ্ভৰশীল কৰাৰ বাবে কাৰ্য্যকৰী সমিতিয়ে ব্যৱস্থা ল'ব পাৰে।

**Mrs. Deputy Speaker :** I now call upon Hon. Member, Shri Hemendra Nath Brahma to raise his Zero Hour Notice which was published in the 'Dainik Agradoot' dt. 3.4.2000 under the caption "Athawan Hejar Pariyal Banchita".

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ-** মাননীয়া উপাধ্যক্ষা মহোদয়া যোৱাকালি দৈনিক অসম কাকতত প্ৰকাশিত "৫৮ হেজাৰ পৰিয়াল বঞ্চিত" শীৰ্ষক বাতৰিটো মই মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ১৯৯৩ চনৰ গোষ্ঠীগত সংঘৰ্ষত ক্ষতিগ্ৰস্ত সংখ্যালঘু শৰণাৰ্থী সকলৰ অনশন, আন্দোলন কৰাটো অসম বিধান সভাৰ অধিবেশনকালীন সময় ছোৱাৰ এক পৰিচিত দৃশ্যত পৰিণত হৈছে বুলি বাতৰিটোত প্ৰকাশ পাইছে। কিন্তু এইবিলাক কৰা স্বত্বেও এই শৰণাৰ্থী সকলৰ পুনৰ সংস্থাপনৰ কাৰণে কোনা ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই নাইবা তেওঁলোকৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত চৰকাৰৰ তৎপৰতাৰ অভাব পৰিলক্ষিত হৈছে। ঠিক একেই ধৰণৰ সমস্যাত জৰ্জৰিত হৈ অন্ধকাৰ ভবিষ্যতক ধিয়াই জীৱন কটাই আছে কোকৰাঝাৰ জিলাৰ ৭৮ টা শৰণাৰ্থী শিবিৰত থকা প্ৰায় আঢ়ৈ লক্ষ শৰণাৰ্থীয়ে। এওঁলোকৰ কিছুমানে পুনৰ সংস্থাপনৰ কাৰণে ১০ হেজাৰকৈ টকা চৰকাৰী অনুদান পায়ো মাটিৰ অভাৱত শিবিৰৰ পৰা উভতি যাব পৰা নাই। এওঁলোকৰ ভিতৰত আন কিছুমান শৰণাৰ্থীয়ে নিৰাপত্তাৰ কাৰণেও নিজৰ নিজৰ গাওঁলৈ উভতি যোৱা নাই। বৰ্তমান তেওঁলোক কেম্পতেই আছে আৰু তেওঁলোকৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। ৭৮ টা শিবিৰত থকা আঢ়ৈ লাখ শৰাণাৰ্থীৰ কাৰণে ৫ দিনৰহে খাদ্যৰ যোগান ধৰা হয়। এই শৰাণাৰ্থী সকলৰ লৰা-ছোৱালী সকলে পঢ়া-শুনাৰ পৰাও বঞ্চিত হৈছে। গতিকে এই লৰা-ছোৱালী বিলাকৰ ভবিষ্যতৰ কথা আমাৰ চৰকাৰে চিন্তা কৰি চাব। এই শৰণাৰ্থী সকলৰ ক্ষেত্ৰত দেখা যায় যে মধ্যভোগী দালালৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। ১৯৯৬ চনৰ বড়ো আৰু আদিবাসী সকলৰ মাজত হোৱা গোষ্ঠীগত সংঘৰ্ষত ক্ষতিগ্ৰস্ত শৰণাৰ্থী সকলৰ পৰিয়ালৰ সংখ্যা কোকৰাঝাৰ জিলাত ৪০ হাজাৰ আৰু গোসাই গাওঁ মহকুমাত ১ লাখ ৬০ হাজাৰ শৰণাৰ্থী এতিয়াও শৰণাৰ্থী শিবিৰত আছে। আনহাতে এই শৰণাৰ্থী সকলৰ ভিতৰত ২৪,৭৭৪ টা শৰণাৰ্থী পৰিয়ালৰ পুনৰ সংস্থাপনো বন গাওঁ সমূহত বন বিভাগ আৰু প্ৰশানৰ সহযোগত ব্যৱস্থা কৰিব পৰা হ'ব বুলি জিলা প্ৰশাসন আশাবাদী। কিন্তু অনিশ্চিত

★ Speech not corrected

হৈ পৰিছে অবৈধ বে-দখলকাৰী চিহ্নিত ১৫,৩০৬ টা শৰণাৰ্থী পৰিয়ালৰ ভবিষ্যৎ। এই বেদখলকাৰী শৰণাৰ্থী সকলৰ পুনৰ সংস্থাপনৰ চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা কৰা হৈছে বা এই শৰণাৰ্থী সকলক কত পুনৰ সংস্থাপন কৰিব বিচাৰিছে এইটো ক্ষেত্ৰত চৰকাৰে নিশ্চয় উত্তৰ দিব। বাতৰিটোত উল্লেখ কৰা হৈছে যে কোকৰাঝাৰ জিলাৰ বিবিন্ন শিবিৰত এতিয়াও আশ্ৰয় লৈ থকা ১১৩৭ টা সংখ্যালঘূ শৰণাৰ্থী পৰিয়ালৰ পুনৰ সংস্থাপনৰ নামত ইতিমধ্যে ৪ কোটিতকৈও আধিক খৰচ কৰা হৈছে। আনহাতে পুনৰ সংস্থাপনৰ নামত ১৯৯৩ চনৰ পৰা ৩০ কোটিতকৈও অধিক টকা ব্যয় কৰা হৈছে যদিও মাত্ৰ কেইহেজাৰমান পৰিয়ালৰ বাহিৰে প্ৰায়ভাগেই এতিয়াও শিবিৰতেই আছে। এই শৰণাৰ্থীসকলৰ ক্ষেত্ৰত যদি অতি সোনকালে পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰে তেতিয়া হ'লে আমাৰ কোকৰাঝাৰ জিলাত গোষ্ঠীগত সংঘৰ্ষত যি বিলাক পৰিয়াল ক্ষতিগ্ৰস্ত হৈ শৰণাৰ্থী শিবিৰত আছে ভবিষ্যতে নিশ্চয় তেওঁলোক আৰু শোচনীয় পৰিস্থিতিৰ সন্মুখীন হোৱা সম্ভৱনা আছে। সেই কাৰণে মই মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন মন্ত্ৰী মহোদয়ক এই শৰণাৰ্থী সকলক পুনৰ সংস্থাপন কৰাৰ কাৰণে অনুৰোধ জনাইছো।

কোকাৰাঝাৰ জিলা প্ৰশাসনৰ 'একচন প্লেন' খনত উল্লেখ কৰা মতে, কোকাৰাঝাৰ জিলাৰ শৰণাৰ্থী সকলক পুনৰ সংস্থাপন দিবলৈ এতিয়া প্ৰায় ৫৩ কৌটি টকাৰ প্ৰয়োজন। কিন্তু চৰকাৰে এই পৰ্য্যন্ত ধন মুকলি কৰি দিবলৈ ইচ্ছা প্ৰকাশ কৰা নাই। ১৩ কৌটি ২৩ লাখ ৩০ হাজাৰ টকাৰ অনুদান মুকলি কৰি দিলে ৰাজহ গাওঁত পূৰ্ব্বৰ বসতি থকা শৰণাৰ্থী পৰিয়াল সমূহক এমাহৰ ভিতৰতে পুনৰ সংস্থাপন দিব পৰা যায় বুলি 'একচন প্লেন'ত উল্লেখ কৰা হৈছে। সেই কাৰণে এই টকাখিনি মোকলাই দি এই শৰণাৰ্থী পৰিয়ালসমূহক ৰাজহ গাওঁলৈ লৈ যায় তাৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো।

মাননীয়া উপাধ্যক্ষা, মহোদয়া, জিলাখনৰ বনাঞ্চালত বেদখল কৰি থকা ১৫,৩০৬ টা পৰিয়ালক লৈ অসম চৰকাৰে চিৰিয়াচ চিন্তা কৰাৰ প্ৰয়োজন হৈছে। সেই লোক সকলৰ ভিতৰত আদিবাসী লোক আছে আৰু বড়ো লোক সকলো আছে। যোৱা অধিবেশনত প্ৰশ্নকালৰ সময়ত প্ৰশ্ন কৰোঁতে পুনৰ সংস্থাপন মন্ত্ৰী মহোদয়ে কৈছিল যে বেদখলকাৰী সকলক চিনাক্তকৰণৰ ব্যৱস্থা লোৱা হৈছিল বুলি এতিয়াও মোৰ মনত আছে। সকলোৱে ভাৰতীয় আৰু সকলোৱে ভাৰতত থকাৰ অধিকাৰ আছে। ভাৰতৰ যিকোনো ঠাইতে থাকিব পাৰে বুলি কৈছে যদিও আমি দেখিছো যে নাগালেণ্ডৰ কোনোবা মানুহ বসবাস কৰি থাকিব পাৰে বা অৰুণাচলটো কোনোবা মানুহ যাব পাৰে। তেতিয়া অৰুণাচল, নাগালেণ্ড আৰু মিজোৰাম মানুহ অসমত বসবাস কৰি থাকে। তেতিয়া হ'লে অসমত বাহিৰতো বসবাস কৰিবলৈ সম্পূৰ্ণ অধিকাৰ পাব নেকি? সেইকাৰণে মই অনুৰোধ কৰিছো যে ১৫,৩০৬ টা পৰিয়াল জংঘলত আছিল যদিহে চিনাক্তকৰণ কৰা হৈছে, সেই সকলক অতিশীঘ্ৰে

চিনাক্তকৰণ কৰিব লাগে তেওঁলোক ক'ৰ পৰা আহিছে, কলৈ যাব? গতিকে পুনৰ সংস্থাপনৰ ব্যৱস্থা যাতে অতি সোনকালে কৰে তাকে মই অনুৰোধ কৰিছো আৰু পুনৰ সংস্থাপনৰ নামত যিটো ৰেভিনিউ গ্ৰান্ট দিয়া হৈছে সেইটো বিতৰণ কৰিব লাগে। গোষ্ঠী গত সংঘৰ্ষত যথেষ্ট ক্ষতিগ্ৰস্ত হোৱা ফেমিলি কেইটা মই ইয়াত গাই দিব বিচাৰিছো। গোসাঁই গাওঁ চাব-ডিভিজনত ১৯৯৬ চনত মুঠ ২২,১৫০ টা ফেমিলি ফুল্লি এফেকটেড হ'ল ১৪,১৮৮ টা পাৰচিয়েলি এফেকটেড ৪,৭৬৮ টা প্ৰপাৰটি ডেমেজৰ ভিতৰত ৩,১৯৪ টা ফেমেলি আছে আৰু প্ৰত্যেক ফেমিলিয়ে ১০ হেজাৰকৈ টকা পাইছে আৰু পাৰচিয়েলি ২,৫৫৮ টা ফেমিলিক ৫ হেজাৰ টকা দিয়া হৈছে। (received relief grant out of the total families affected so far) ১,৬৪৯ টা ফেমিলিক দিয়া হৈছে আৰু ১ হেজাৰকৈ দিয়া হৈছে। এতিয়া আমাৰ টকা দিবলৈ বাকী থাকে ৩,১৪৯ টকা পৰিয়ালক ১০ হেজাৰকৈ দিব লাগে আৰু ৯,০২৫ টা ফেমিলি ফুল্লি এফেকটেড আছে। সেইবোৰকো দিব লগা আছে। আৰু প্ৰপাৰটি ডেমেজ আছে ১,৫৪৫ টা ফেমিলি। এতিয়াও বাকী আছে। সেইমতে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিবিলাক ফেমিলিয়ে ৰিলিফ পোৱা নাই আৰু ফুলি এফেকটেড হৈছে সেই শৰণাৰ্থী সকলক চৰকাৰে যি যি ধৰণে পাৰে কিবা এটা এমাউন্ট দি অতি শীঘ্ৰে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ কৈ ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী)** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। শিবিৰত থকা সৰহ সংখ্যক লোকে বেদখলকাৰী। তেওঁলোকক নিজ নিজ ঘৰটো দিয়া হৈছে কিছু ক্ষেত্ৰত বিভিন্ন সমস্যা নোহোৱা নহয়। মাননীয় সদস্য গৰাকীয়ে জানে যে সৰহ সংখ্যকে বনাঞ্চলত আছে। বনাঞ্চলত বন নাথাকিলেও অঞ্চলটো বন বিভাগৰ এই বিষয়টো হাইকোৰ্ট আৰু চুপ্ৰিমকোৰ্টলৈকো গৈছে। তেওঁলোকক প্ৰয়োজনীয় সকলোখিনি দিবৰ বাবে চৰকাৰ প্ৰতিজ্ঞাবদ্ধ। শৰণাৰ্থী সকলক অনুদান দিয়া পিচতো কিছুমান শৰণাৰ্থী শিবিৰত থাকি গ'ল। কিছুমান নিজ গাৱলৈ উভতি গ'ল। কোকৰাঝাৰ, গোসাঁইগাওঁ অঞ্চল সদন কমিটিয়ে ভ্ৰমণ কৰি সেইবিলাকৰ বিষয়ে অভিজ্ঞতা লাভ কৰিছে। আনহাতে জমিয়ত ওলেমা লোক সকলৰ কাৰণে ব্ৰহ্মপুত্ৰ চৰ অঞ্চলত য'ত সংখ্যলঘুলোক সকল আছে তাত পুনৰসংস্থাপন দিবৰ বাবে ইছলামধৰ্মী মানুহখিনিক সেই অঞ্চলত পুনৰাবাসন দিয়াত ইছলামী সকল বিৰোধিতা কৰিছে। জমিয়েত ওলেমাও বিৰোধীতা কৰিছে মাননীয় সদস্য মজুমদাৰ ডাঙৰীয়াইও সেই অঞ্চল ভ্ৰমণ কৰিছে। চৰকাৰে শৰণাৰ্থী সকলক অনিদিষ্ট কাললৈ সাহাৰ্য্য দিয়াটো সম্ভৱ নহয়। সেয়েহে মানুহখিকি একচেপ্ত কৰিব বুলি ভাবিছিল কিন্তু এতিয়া তেওঁলোকক একচেপ্ত নকৰি, কেন্দ্ৰীয় চৰকাৰৰ লগত টেকআপ কৰিছো, শৰণাৰ্থীসকলক কেনে ধৰণে পুনৰ

সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা যায় তাৰ কাৰণে চেষ্টাও কৰা হৈছে। এই শৰণাৰ্থী সকলক বছৰে বছৰে ৰিলিফ দি থকাটো চৰকাৰৰ পক্ষে সম্ভৱ নহয় সেইকাৰণে আমি প্ৰচেষ্টা চলাইছো যে যিমান সোনকালে পৰা যায় তেওঁলোকক পুনৰ সংস্থাপন দিব পাৰি আমাৰ চেষ্টা অব্যাহত আছে। কিন্তু প্ৰেকটিকেলি অসুবিধাও হৈছে. যি কি নহওক যিমান সোনকালে পৰা যায় চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা হাতত লোৱা হ'ব।

**Mrs. Deputy Speaker :** I now call upon Hon'ble Dr. Ardhendu Kumar Dey, Bharat Chandra Narah, Mustafa Shahidul Islam, Nagibul Umar, Nazmuul Islam, Rupam Kurmi, Abdul Muqtadir Choudhury, Wazed Adli Choudhury, Bhupendra Nath Bhuyan, Dileswar Tanti, Pradyut Bordoloi, Sukur Ali, Bhimananda Tanti, Abu Saleh Nazauddin and Sheikh Abdul Hamid to raise their Zero Hour Motion in regard to the news item which published in the 'Asomiya Pratidin' dt. 4.4.2000 under the caption. "নিয়ন্ত্ৰনহীতাৰ দোষত দুৰ্ঘটনা।"

I now call upon Hon'ble Member Ardhendu Kumar Dey to speak.

* **ডঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয়া উপাধ্যক্ষ মহোদয়া, যোৱা কালি গুৱাহাটী মহানগৰৰ জুৰোডত এটা পথ দুৰ্ঘটনা ঘটিলে আৰু এই খবৰটো অসমীয়া প্ৰতিদিন কাকত, অগ্ৰদূত কাকত, দৈনিক অসম, আমাৰ অসম, আসাম ট্ৰিবিউন আদি যিমান বিলাক স্থানীয় বাতৰি কাকত আছে সকলোতে প্ৰকাশ পাইছে। বাতৰি কাকত এই কাৰণে উলাইছে যে এই ঘটনাটো কেৱল সেইদিনাই নহয় আগৰ যোৱা ২ দিনৰ আগতে মালিগাওঁতো তেনেকুৱা ধৰণৰ পথ দুৰ্ঘটনাত এজন ডাক্তৰ মৃত্যু মুখত পৰিছে। আজি কিছুদিন ধৰি গুৱাহাটী মহানগৰীত এনেকুৱা ধৰণৰ ঘটনা ঘটিয়ে আছে। এতিয়া মাননীয় উপাধ্যক্ষা মহোদয়া আমি চাব লাগিব যে কি কাৰণত এই ধৰণৰ পথ দুৰ্ঘটনা ঘটি আছে। মহানগৰীৰ ভিতৰত চলা প্ৰায়বিলাক চিটি বাছত মানুহে যাতায়ত কৰে। যাত্ৰী কঢ়িয়াই নিয়া এই বাছবিলাকৰ অৱস্থা বৰ দুখ লগা নিচিনা। এম, ভি, আই বোলা এটা অফিচ আছে। আমাৰ ট্ৰেন্সপোট মিনিষ্টাৰ অধীনত এম,ভি,আই সকল নাথাকি কি কাম কৰে আমি বুজি পোৱা নাই।

কাৰণ এই যে বাছ বিলাকৰ প্ৰয়োগ। ব্ৰেক ভাল নহয়, ষ্টিয়াৰিং, এস্কলেটৰ একোৱেই ভাল নহয়। আনকি বাছৰ চকা বিলাকো ব্যৱহাৰৰ অযোগ্য। এনেকুৱা ধৰণেই বাছত যাত্ৰী উঠাই লৈ গৈ আছে। বাছৰ ড্ৰাইভাৰৰ কোনো নিয়ম নীতি নাই। আমি দেখিছো ইমান যাত্ৰী কঢ়িয়াই যে বাছখন এফালে কাটি খাই যায়। কন্ডাকটৰ জনে উলমি থকা আৰু সি বেলতলা, গণেশগুৰি চিঞৰী চিঞৰী গৈ থাকে। বাছত মানুহ ধৰক নধৰক উঠাই নিয়ে। বাছৰ কম্পিটিচন চলে এখন বাছে আন এখনক

★ Speech not corrected

ওভাৰ টেক কৰি কিমান যাত্ৰী ল'ব পাৰে সেইটো প্ৰতিযোগিতা চলে। অথচ সেই বাছ বিলাক স্পীদত চলাৰ কোনো সুবিধাই নাই। দিল্লীৰ ৰিজেকটেড বাছবিলাক আনি গুৱাহাটী মহানগৰীত চলাই আছে। ড্ৰাইভাৰৰ যি লাইচেন্স সেইবিলাক জানো ট্ৰেন্সপোৰ্ট ডিপাৰ্টমেন্ট পদ্ধতি মতে দিয়ে ৫/৬ মাহৰ কাৰণে প্ৰথমে লাৰনাৰ লাইচেন্স দিব লাগে। তাৰ পাচত আকৌ পৰীক্ষা কৰি, যদিহে যাত্ৰী বাহী বাছ চলাবলৈ উপযুক্ত হয় লাইচেন্স দিব লাগে। কিন্তু ট্ৰেন্সপোৰ্ট বিভাগৰ এই ক্ষেত্ৰত কোনো চিনিচিয়েৰিটি নাই, একো নাই। মাননীয় মন্ত্ৰী মহোদয়ক বিভিন্ন সময়ত প্ৰশ্ন কৰা হয় কিন্তু এই বিভাগটোত একো নাই, একো ক'ব নোৱাৰে বুলি উত্তৰ দিয়ে। এক্সিডেন্ট হৈছে কেবাটাও কিন্তু মন্ত্ৰী মহোদয়ে গৈ স্পট ভিজিত কৰা নাই। কোনো খবৰ লোৱা নাই। ৰেল দুৰ্ঘটনা হলে ৰেল মন্ত্ৰী যায়। বিমান দুৰ্ঘটনা হ'লে বিমান মন্ত্ৰী যায়। এক্সিডেন্ট বিলাক কি কাৰণে হ'ল ভেৰিফাই কৰে। কিন্তু আজি কুকুৰ মেকুৰীৰ নিচিনা মানুহ মৰিব, ট্ৰেন্সপোৰ্ট বিভাগৰ দোষৰ কাৰণে সেইটো কিয় হৈছে? গতিকে আজি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যি হতাশাত তেখেত ভূগি আছে তাৰ পৰা ওলাই আহি এই সকলো বিলাক চাব নেকি? বিভাগৰ এম, ভি, আই, ডি,টি,ও, লাইচেন্স দিয়াৰ গাইড লাইন, লাইচেন্স দিয়াৰ গাইডলাইন আদি সকলো আইন অনুযায়ী নিয়মানুবৰ্ত্তীতাৰে ব্যৱস্থা কৰিব নে নকৰে? আপোনাৰ যি ফাচট্ৰেচন তাৰ পৰা আহি মানুহৰ জীৱন বচাব লাগে।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, উৎথাপিত বিষয়টোৰ ওপৰত মই ক'ব বিছাৰিছো যে, এই সম্পৰ্কত কিছু নীতি নিয়োগ কৰিব পাৰি। আমাৰ চৰকাৰে এই বাছ সম্পৰ্কত হস্তক্ষেপ নকৰে কেৱল পাৰ্চনেল মেটাৰ বুলি। কিন্তু মই ভাবো ৫ বছৰৰ অভিজ্ঞতা থকা লোকক হে বাছ চলাবলৈ নিযুক্তি দিব লাগে। আৰু যিয়ে ৫ বছৰৰ অভিজ্ঞ লোকক নিযুক্তি নিদিয়ে তেওঁলোকৰ গাড়ীৰ লাইচেন্স কেনচেল কৰিব লাগে। বাছৰ মালিক সকলে আজি অভিজ্ঞতা থকা লোকক দৰমহা বেচি দিব লাগিব বুলিয়েই নিযুক্তি নিদিয়ে। আৰু নতুন ল'ৰাক ইচ্চা মতে দৰমহা দিব পাৰে বাবে অনভিজ্ঞ লৰাক বাছ চলাবলৈ দিয়ে। বাছৰ মালিক যিয়েই নহওক পৰিবহণ মন্ত্ৰীয়ে হাউচত এনে এখন বিল আনক আৰু বাছৰ মালিক সকলক কমপেল কৰক। আগতে যিমান এক্সিডেন্ট হৈছিল, বৰ্তমান মন্ত্ৰী হোৱাৰ পাচত ১০ গুন বেচি হৈছে। মন্ত্ৰী মহোদয়ে ভাবিছে, এ,এচ,টি,চি, ইনলেণ্ড ওৱাটাৰ ট্ৰেন্সপোৰ্ট আদিৰ বাদে টেক্সী, ডিলাক্স বাছ, প্ৰাইভেট বাছ আদি বিলাকৰ দায়িত্ব নাই। ড্ৰাইভাৰৰ লাইচেন্স আপোনালোকে দিয়ে। তাৰোপৰি বাছৰ নীতি নিয়ম বিলাক আইন সন্মত নহয়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ দায়িত্ব আছে। বিমান দুৰ্ঘটনা হ'লে বিমান মন্ত্ৰী যায় ৰেল দুৰ্ঘটনা হ'লে ৰেল মন্ত্ৰী যায়। যোৱা চাৰি বছৰত যিমান এক্সিডেন্ট হ'ল আমাৰ পৰিবহন মন্ত্ৰী কোনো স্পষ্ট ভেৰিফিকেচনত যোৱা নাই। সেইটো মন্ত্ৰী মহোদয়ৰ ডিউটি আছিল। আপোনাৰ জৰিয়তে মই মন্ত্ৰী

মহোদয়ক অনুৰোধ কৰিব বিছাৰিছো যে য'ত এক্সিডেন্ট হয় সেইবিলাক গাড়ী পৰীক্ষা কৰক। কোন জন এম,ভি,আইৰ ডিউটি আছিল চাচপেন কৰক, ডি,টিওক নিলম্বিত কৰক। বাছ মালিককো আপুনি মাতি আনিব পাৰে। এইখিনিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো।

* **শ্ৰীমুস্তাফা শ্বহিদুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, বাছ বিলাকৰ যিটো নিয়ন্ত্ৰণ সেই সকলো হেৰাই গৈছে। কিন্তু ৫০ বছৰীয়া পুৰণি নীতিনিয়মৰ কোনো হেৰ ফেৰ হোৱা নাই। এই বাছ বিলাক চলাওতে ড্ৰাইভাৰে মদ খাই চলায়। যিহেতু মদৰ দোকানৰ টো কোনো অভাব নাই। মদ খাই ড্ৰাইভাৰে এটা ৰাস্তা দেখাৰ সলনি ৩ টা ৰাস্তা দেখা পায়। গতিকে এই বিলাকৰ পৰাও সাৱধানতা অৱলম্বন কৰিব লাগে।

**মাননীয়া উপাধ্যক্ষা ঃ** আপুনি দেখে নেকি? আপুনি কেনেকৈ জানিলে?

**শ্ৰীমুস্তাফা শ্বহিদুল ইছলাম ঃ** মোৰ অভিজ্ঞতা নাই যদিও শুনিবলৈ পাইছো। তাৰোপৰি ৰাষ্টাৰ ফিটনেচৰো কথা আছে। ৰাষ্টা বিলাকো গাড়ী চলাব পৰাকৈ ভাল হব লাগে ইয়াৰ ব্যৱস্থা লোৱাৰো প্ৰয়োজন তাৰোপৰি দিল্লীৰ যি বিলাক গাড়ী বেয়া হৈ পৰি আছে সেইবিলাক আমাৰ অসমৰ ৰাষ্টাত চলাবলৈ লৈছে। তাৰোপৰি এক্সিডেন্টৰ সময়ত গাড়ী পৰি থাকিলে আন ঠাইত যেনেকৈ ক্ৰেন ব্যৱহাৰ কৰি উঠাই লৈ যায়। ইয়াত তেনে ধৰণেৰ কোনো ব্যৱস্থা এতিয়ালৈকে আমি দেখা নাই। ফলত ৰাস্তাৰ দুয়োকাষেৰে আন গাড়ী বিলাক পাৰ হৈ যোৱাত যথেষ্ট অসুবিধা হয়। দিল্লীৰ ৰিজেকটেড গাড়ী আমাৰ গুৱাহাটীত চলোৱাৰ বাবে যিটো পলিউচন হৈছে তাৰ এটা ব্যৱস্থা কৰিব লাগে। ৰাইজৰ থাটিৰত জনসাধাৰণৰ স্বাৰ্থৰ বাবে এই দায়িত্বৰ ল'বলৈ মহোদয়ে হেমাহী নকৰে যেন।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি সদনত যিটো বিষয় উত্থাপন কৰিছে এই পৰিপ্ৰেক্ষিতত মই ক'ব বিচাৰিছো যে, যোৱা পৰহিৰ দিনা পশু মহাবিদ্যালয়ৰ অধ্যাপক ডঃ কুদ্দুচ এখন মাৰুতি জেনৰ দুৰ্ঘটনাত নিহত হৈছে। যোৱা কালি জু-ৰোডত এক্সিডেন্ট হৈছে তাতো মানুহ নিহত হৈছে। ঠিক তেনেকৈ বিভিন্ন সময়ত পথ দুৰ্ঘটনাত মানুহৰ মৃত্যুৰ সংখ্যা বৃদ্ধি পাব ধৰিছে। প্ৰথমতে মই ক'ব বিচাৰিছো, বৰ্তমান অৰুণাচল, নাগালেণ্ড, মণিপুৰ আদি ঠাইত অতি সহজে লাইচেন্স পায়। গতিকে মই নতুন ড্ৰাইভাৰ দেখিলে সোধো লাইচেন্স ক'ৰ পৰা লৈছে। নাগালেণ্ড বুলি ক'লে লগে লগে ৰিজেক্ট কৰি দিওঁ। এনেকুৱা ধৰণৰ ঘটনা হৈ আছে। লাইচেন্স পোৱা যিবিলাকৰ নিয়ম আছে চাইন বোৰ্ড পঢ়া, চিগনেল দিয়া কিছুমান ঠাইত ধৰক হৰ্নৰ চবি অঁকা আছে সেই বিলাক চাব জনা, সেই সকলোবিলাক জ্ঞান আহৰণ কৰাৰ পাচতহে পৰীক্ষা লৈ লাইচেন্স দিব লাগে। কিন্তু নাগালেণ্ড, মণিপুৰ আদিৰ ঠাইত এনেয়ে লাইচেন্স পায়।

ড্ৰাইভিং লাইচেন্স দিয়াৰ আগতে ইন্টাৰভিউৰ ব্যৱস্থা কৰিব লাগে। জ্ঞান আহৰণ নকৰাকৈ

★ Speech not corrected

যাতে লাইচেন্স ল'ব নোৱাৰে সেই ব্যৱস্থা থাকিব লাগে বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে। নাগালেণ্ড, মিজোৰাম অৰুণাচলৰ যিবিলাক অনভিজ্ঞ ড্ৰাইভাৰ আছে তেওঁলোকে যাতে গাড়ী চলাব নোৱাৰে তাৰ কাৰণে দৰ্কাৰ হ'লে আইন প্ৰণয়ণ কৰক। দুৰ্ঘটনা এটা দৈনন্দিন ঘটনা হৈ পৰিছে। ৰাষ্টাত যিবিলাক দিভাইডাৰ আছে সেইবিলাকত প্ৰায়ে গাড়ী বিলাকে খুন্দা মাৰে আৰু খুন্দিয়াই খুন্দিয়াই ভাঙি পেলাইছে। সেইবিলাক বহুত ক্ষেত্ৰত হেন্ড চেক দিয়াৰ কাৰণেও হয়। সিদিনাখন আকৌ নৰনাৰায়ণ সেতুত কৰ্মৰত পুলিচজনকে গাড়ীয়ে খুন্দিয়ালে। নাইট চুপাৰ বিলাক এই ক্ষেত্ৰত বেছি আগবঢ়া সদায় দুৰ্ঘটনা ঘটায়ে। আমি আৰু দেখিছো ট্ৰেফিক ৰুল কোনোৱে নমানে। ৰঙা লাইট জলি থাকিলেও আন কিছুমান ৰঙা লাইট জলোৱা গাড়ীয়ে কেৰেপ নকৰি তেনেকৈ নৰোৱাকৈ ওলাই যায়। অন্য ৰাজ্যত কিন্তু আমি এনেকুৱা কাৰবাৰ দেখা নাই. ভি ভি আই পিৰ ক্ষেত্ৰত ট্ৰেফিকৰ ৰুল অলপ বেলেগ। কিন্তু কিছুমান ৰঙা লাইট জলোৱা গাড়ীয়ে বেলেগ গাড়ীক দাবী ধমকী দি চাইদলৈ যায়, কুত্তাৰবাচ্ছা আদি শব্দবিলাক ব্যৱহাৰ কৰে যিবোৰ শুনিলে লাজ লাগে। সিদিনাখন মই নিজে গাড়ী চলাই গৈ আছো এনেতে পিছফালৰ পৰা এখন ৰঙা লাইট থকা গাড়ীয়ে মোক ধমকী লগালে চিকিউৰিটি নামি আহি গেৰ গেৰাই উঠিছে। দেখিলো সেইখন এখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ গাড়ী। ময়ো কৈছো বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য গৰাকীয়েটো গাড়ীত ৰঙা লাইট জ্বলাব নোৱাৰে, কিয় লগাই লৈছে। এতিয়া আমাৰ গনেশগুৰীত ফ্লাই অভাৰ হৈ আছে, উলুবাৰীতো এখন ফ্লাই অভাৰ হ'ব ৰাইজৰ উপকাৰ হ'ব কিন্তু নোহোৱা পৰ্য্যন্ত পৰিবহন বিভাগেই হওক বা পুলিচ বিভাগৰ বহুত কাম আছে। ৰাষ্টা বিলাকত ট্ৰেফিক পুলিচ থাকে আমি কাহিলীপাৰালৈ যাওঁতে দেখিছো ট্ৰেফিক পুলিচে ৰাস্তাৰ কাষত চাধা মাৰি থাকে ইফালে যেনীয়ে তেনীয়ে গাড়ী চলি থাকে। ৰাতিৰ ভিতৰত দুৰ্ঘটনা বেছি হয়। মই নিজে জীপচী গাড়ীখন চলাই ফুৰো কিন্তু দেখিছো ট্ৰেফিক ৰুল মনা গাড়ী বহুত বেছি গতিকে পৰিবহন বা পুলিচ বিভাগে যথেষ্ট কাম কৰিব লগীয়া আছে। পুলিচে অৱশ্যে এটা ভাল কাম কৰিছে নো পাৰ্কিং জোনত যদি গনেশগুৰী বা অন্য ঠাইত গাড়ী বা স্কুটাৰ ৰাখি থয় সেইবিলাক বেলেগ গাড়ীৰে টানি আনি থানাত ৰাখি মালিকক ৫০০ টকা ফাইন কৰে। সামৰিক বাহিনীয়েটো ট্ৰেফিক ৰূল মনা নিয়মেই নাই, স্বয়ং আমাৰ ডিজিপি জনকে খুন্দা মাৰী মাৰিব খুজিছিল। গতিকে আমি আইন প্ৰণয়ন কৰিব লাগে যে যিমান ডাঙৰ মন্ত্ৰী বিষয়াই নহওক কিয় ট্ৰেফিক ৰূল মানিবই লাগিব। নহ'লে গুৱাহাটীখনত আনকি ফুটপাথেদি খোজকাঢ়ি যোৱাটোও অসম্ভৱ হৈছে। গতিকে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। জনস্যংখ্যা আৰু গাড়ী বৃদ্ধি হোৱাৰ লগে লগে নতুন আইনৰ ব্যৱস্থা কৰাও প্ৰয়োজনীয় হৈ পৰিছে দৰ্কাৰ হ'লে পুৰনা যিবিলাক গাড়ী সেই বিলাক বিক্ৰী কৰাৰ ব্যৱস্থাও কৰিব লাগিব। মহাৰাষ্ট্ৰ দিল্লী আদি ঠাইত ১০ বছৰৰ বেছি পুৰণা গাড়ী ৰাষ্টাত চলাব নোৱাৰে

সেইবিলাক দিস্পোজ কৰাৰ ব্যৱস্থা আইনত আছে। সেইবিলাক গাড়ী যে আমাৰ অসমৰ মানুহে কিনি আনি ঠগ খাইছে। আমি আইন কৰিব লাগে যাতে পৰিয়ালে প্ৰতি এখন গাড়ীহে ৰাখিব পাৰে, এনে আইন নকৰিলে বিপদ হ'ব। কাৰণ গুৱাহাটীখন হৈছে উত্তৰ পূবৰ গেট। ইয়াত দিনক দিনে গাড়ী বাঢ়ি গৈ আছে। যান বাহন আইন খন সংশোধন কৰাৰ প্ৰয়োজন আহি পৰিছে। আকস্মিক দুৰ্ঘটনা প্ৰতিৰোধ কৰিব লাগিলে আমি নতুন উপায় উৎভাৱন কৰিব লাগিব। আমি সিদিনাখন দলংৰ পৰিসংখ্যা পাইছিলো একোখন দলংত একো হেজাৰতকৈও বেছি গাড়ী চলে। আমাৰ ব্ৰহ্মপুত্ৰৰ ওপৰৰ শৰাইঘাট যিখন দলং সেই দলংখনৰ ওপৰেদি ১ লাখ ৭২ হাজাৰখন প্ৰতিদিনে গাড়ী চলাচল কৰে। গতিকে আজি আমাৰ আইন প্ৰণয়ণ কৰাৰ প্ৰয়োজন আহি পৰিছে।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* **শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী** ঃ মাননীয়া উপাধ্যক্ষা, মহোদয়া, এই বিষয়টো জনসাধাৰণৰ লগত জৰিত। বিশেষকৈ ড্ৰাইভাৰৰ যি লাইচেন্স সেইবিলাক পৰীক্ষা কৰা নহয়। সেই কাৰণে দুৰ্ঘটনা সংঘটিত হয়। সেই কাৰণে এই ক্ষেত্ৰত যাতে আমাৰ অসম চৰকাৰে বিশেষ আইন প্ৰণয়ণ কৰে। এই কথা কৈছো — এবাৰ মোক এজন ড্ৰাইভাৰ লগা হ'ল। মই এজন ল'ৰা লৈ ডি,টি,ওক ক'লো যে পৰীক্ষা কৰি দিয়ক ই গাড়ী চলাব পাৰিব নে নোৱাৰে। তেতিয়া ডি,টি,ও ৱে লৰাটোক প্ৰশ্ন কৰিলে যে বেগত কি আছে। তেতিয়া লৰাটোৱে দৌৰি পলাল। ১ মাহ পিচত গম পালে যে সেইজন লৰাই গাড়ী চলাই আছে। মই শুধিলো লাইসেন্স পালা ক'লে পালো। কৰবাৰ পৰা আনিলে। মঙ্গলদৈৰ পৰা প্ৰায় ৪ হাজাৰ ছোৱালী আৰু ৫ হাজাৰ লৰাই পুলিচৰ সাক্ষাতকাৰ দিবলৈ আহোতে দুৰ্ঘটনা হৈছিল। শৰাইঘাটত চাকৰী বিচাৰি অহা প্ৰাৰ্থীৰ মূৰ ভাঙিলে। এই বিলাক ড্ৰাইভাৰে নাগালেণ্ড, মিজোৰামৰ পৰা লাইচেন্স সংগ্ৰহ কৰে। এইবিলাকত দালাল জৰিত আছে। ডি,টি,ও কাৰ্য্যালয়ৰ কৰ্ম্মচাৰী সকলক দৰমহা নালাগে হেনো। ক'তো নিয়ন্ত্ৰণ নাই। সেই কাৰণে এখন ভাল আইন প্ৰণয়ণ কৰিব লাগে। এনেকুৱা ব্যৱস্থা গ্ৰহণ কৰক যাতে জনসাধাৰণ জীয়াই থাকিব পাৰে। উপাধ্যক্ষা মহোদয়া, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তেখেতে এটা ভাল কাম কৰক যাৰ কাৰণে অসমৰ মানুহে ভাবিব যে আমাৰ পৰিবহণ মন্ত্ৰীজন ভাল কাৰণে এটা ভাল কাম কৰি গৈছে।

* **শ্ৰীপ্ৰদীপ হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় সদস্য সকলে যিটো গুৰুত্বপূৰ্ণ বিষয় আজি সদনত ডাঙি ধৰিছে সেইটোত মইও সমানে উদ্বেগ প্ৰকাশ কৰিছো। তেখেতসকলে যেনেধৰণে ভাবিছে মই তেনেধৰণে হতাশ হোৱা নাই। মাননীয় সদস্য ডাঃ দে ডাঙৰীয়াই কোৱাৰ দৰে মই হতাশ হোৱা নাই আৰু হতাশ হ'বলগীয়া কামো কৰা নাই। যি দুৰ্ঘটনা ইতিমধ্যে সদনত দাঙি ধৰিছে এই গাড়ীখনৰ মালিক হৈছে শ্ৰী কবিতা ৰায়, কালাপাহাৰ আৰু এই গাড়ীখনৰ ইঞ্জিন নং ৪৭৭০২২ এইচ ডি ডি

★ Speech not corrected

৭৩২৩৮৫ চেচিচ নং ৩৮৬০২৬ এইচ আইন কিউ ৭০৬৯৪৪ আৰু গাড়ীখন হৈছে আমাৰ ইয়াত এক্সপ্ৰেচ চিটি চাৰ্ভিচত চলা। আদাবাৰী হেঙেৰাবাৰী ভায়া চাৰ্চফিল্ড, গুৱাহাটী ক্লাব চান্দমাৰী-আৰ,জি, বৰুৱা পথত চলাৰ কাৰণে অনুমতি দিয়া আছিল। এতিয়া এটা দুৰ্ঘটনা ঘটিছে। কি কাৰণে দুৰ্ঘটনা হৈছে আজিয়েই সদনত জনাব নোৱাৰিম। তদন্ত কৰিবলৈ দিয়া হৈছে আৰু তদন্ত কৰাৰ পিচত যিখবৰ পাম সেইটো আপোনালোকক জনাব পাৰিম। এই কেচটো দিশপুৰ থানাইও লৈছে আৰু গাড়ী চিজ কৰি আনিছে। পুলিচ ইনভেষ্টিগেচন হৈছে। এতিয়া আপোনালোকক জনাব বিচাৰিছো যে আমাৰ বিভাগৰ ফালৰ পৰা গুৰুত্ব সহকাৰে আগৰ পৰাই লৈছো। দিল্লীত এখন গাড়ী যমুনা নৈত পৰি গোটেই স্কুলীয়া ল'ৰা-ছোৱালী মৰিছিল। আপোনালোক সকলোৱে জানে তেনেকুৱা ঘটনা ভাৰতবৰ্ষৰ দৃষ্টিৰ পৰা বিভিন্ন ধৰণে নীতি অৱলম্বন কৰি সেইবিলাক দূৰ কৰাৰ কাৰণে ব্যৱস্থা লৈছে। তেনেকুৱা ধৰণৰ ঘটনা হৈ আছে। আমি যথেষ্ট ব্যৱস্থা লৈছো। সৰু সৰু স্কুলীয়া ল'ৰা-ছোৱালীক থেলা গাড়ীত বাকচ বনাই বা সৰু ভেনত লৈ যায়। সেইবিলাকতো আমি সতৰ্কতা অৱলম্বন কৰিছো। ড্ৰাইভাৰ সকলক নীতি নিয়ম মানি চলাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। তাৰ কাৰণে শাস্তিও দিয়া হৈছে। ইউনিফৰ্ম পিন্ধোৱাৰ ব্যৱস্থাও কৰা হৈছে। তাৰোপৰি কোন পথত গাড়ী চলাব লিখি দিয়া হৈছে আৰু বাছত অভাৰ পেচেঞ্জাৰ নিনিবৰ কাৰণেও সতৰ্ক কৰি দিয়া হৈছে। এখন বাছৰ পিচত এখন বাছ চলোৱাৰ ব্যৱস্থা কৰিছো। ১৯৪০ চনৰ আইনখন নতুনকৈ কৰি উলিয়াইছো। ফাইনেল ষ্টেজত আছে। সোনকালে আইন হৈ আহিব। এতিয়া কথা হৈছে যত দোষ নন্দ ঘোষ তেতিয়া দুৰ্ঘটনা এতিয়া দুৰ্ঘটনা হোৱা কাৰণে আপোনালোকে পৰিবহণ মন্ত্ৰী দৃষ্টি আকৰ্ষণ কৰিছে ভাল হৈছে। এই বিভাগে কাম কৰাৰ উপৰিও কিছুমান কাম আইনে কৰিবলগীয়া আছে। চান্দমাৰীৰ পৰা গুৱাহাটী ক্লাবলৈ এই পথছোৱা বহল কৰিব পৰা নাই. কাম কৰিবলৈ গ'লেই হাইকোৰ্ট কৰে।

মাননীয় অধ্যক্ষা মহোদয়া, হাই ওৱেৰ পুৰণী গুডামৰ ওচৰত এটা ডাঙৰ টাৰনিং আছে, তাত কেতিয়াবা দুৰ্ঘটনা হ'ব। কিয়নো তাত ঠেক ৰাস্তাৰ ওপৰতে এটা ধৰ্মীয় অনুস্থান পাতিছে। এইবিলাক ব্যৱস্থা ল'ব লাগে। আমাৰ ইয়াত ক্ৰমে গাড়ী বাঢ়ি গৈছে এইবিলাক গাড়ী ৰাস্তা বিলাকতে চলে। কিছুমান ৰাস্তা বহল কৰিছে যদিও তাত থকা লাইট পষ্ট বিলাক এতিয়াওঁ আতৰোৱা নাই। এনে কিছুমান অসুবিধা হোৱাৰ কাৰণে দুৰ্ঘটনা ঘটে। আমি এতিয়া ড্ৰাইভাৰ সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছো ঃ তেওঁলোকে যাতে যাত্ৰী সকলক ভাল ব্যৱহাৰ কৰে, গাড়ী যাতে ভালকৈ চলাই, ঠিকমতে ৰাখিব লগা ঠাইত ৰাখে এইবিলাক ট্ৰেইনিং দিয়া হৈছে। আমাৰ এখন ড্ৰাইভিঙৰ ট্ৰেইনিং স্কুল আছে বেটকুছিত - মই সেইখন বিচাৰি বিচাৰি উলিয়াইছো কিবা এখন চিঠিৰ সংক্ৰান্তত। কিন্তু সেইখন এতিয়া কাৰ্য্যক্ষম হৈ থকা নাই। সেইটো টকাৰ অভাবৰ কাৰণে হোৱা নাই। এইটো আকৌ চলাবৰ

কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে এনেকুৱা প্ৰশিক্ষণ কেন্দ্ৰ আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে অতি প্ৰয়োজন হৈছে। এই বিষয়ত মাননীয় বিধায়ক শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াই কিছু কথা কৈছে আৰু মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া, শ্ৰী ভৰত নৰহ ডাঙৰীয়াই বহু পৰামৰ্শ দিছে। আমাৰ কাষৰীয়া ৰাজ্যবিলাকৰ কাৰণে অসুবিধা হৈছে কিয়নো তেওঁলোকে মাহেকৰ মূৰত গেটত লাইসেন্স দিয়ে। তেওঁলোকে দিয়া লাইচেন্সৰ বেছি গাড়ী ইয়াত চলে অৱশ্যে এইটো উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে হয়। আমি এইটো আমাৰ মিনিষ্টাৰ লেভেলত আলোচনা কৰিছো। তেওঁলোকৰ টেক্স যি লয় সেই টেক্স বিলাক আমাৰ লগত তাৰতম্য আছে। সেই বিলাকৰ কাৰণে অসুবিধা হয়। মই মিনিষ্টাৰ হিচাবে এ এচ টি চি বাছৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। প্ৰাইভেট গাড়ীৰ কথাটো চাব লাগিব। সাধাৰণতে যি বিলাক দুৰ্ঘটনা হয় সেই বিলাক দুৰ্ঘটনালৈ যাওঁ। যিমান পাৰো দুৰ্ঘটনা বিলাকলৈ গৈ সহায় কৰো। মই মিনিষ্টাৰ হৈ নাথাকোতে বহুত দুৰ্ঘটনা ৰাস্তাত পাইছো, ডেড্ বডী মই ডাঙিছো। গৌৰী সাগৰৰ এটা দুৰ্ঘটনাত গোটেই পৰিয়ালটোৰে মৃত্যু হ'ল আনকি ড্ৰাইভাৰ জনৰো মৃত্যু হ'ল - মাক দেউতাক ল'ৰা-ছোৱালী সকলো সেইটো দুৰ্ঘটনাত মই নিজে লাগি মেলি উঠাইছিলো। ডিব্ৰুগড় দিহিং নৈত পৰি গোটেই পৰিয়াল মৰিছিল। তালৈ আমাৰ মন্ত্ৰী যোৱা নাছিল। এইটো মন্ত্ৰী হিচাবে যাব লাগে সেইটো নহয় এইবিলাকৰ খবৰ লোৱাটো প্ৰত্যেক মানুহৰে কৰ্ত্তব্য। ইয়াৰ গনেশগুৰি চাৰিআলিত এখন মাৰুতী গাড়ী দুৰ্ঘটনাত উৰি গৈছিল এইটো সকলোৰে জানে। নৈত নাও দুবিছে তালৈ মই গৈছো। তাত ডেড্ বড়ী বিচাৰি উলিয়াইছো। আমাৰ ড্ৰাইভাৰ সকলৰ ৫ বছৰ অভিজ্ঞতা থাকিব লাগে বুলি পৰামৰ্শ দিছে। অৱশ্যে গাড়ী নচলালে কেনেকৈ অভিজ্ঞতা হ'ব। অৱশ্যে এইটো থিক যে ভিৰ নোহোৱা ৰাস্তাত গাড়ী চলোৱাৰ অভিজ্ঞতা থকাতো প্ৰয়োজন।

এইটো ঠিক কথা এনেকুৱা গুৰুত্বপূৰ্ণ কথা য'ত ৩০/৪০ জন মানুহ অকলে গাড়ী লৈ যোৱা অফিচত ড্ৰাইভাৰ থকাৰ ব্যৱস্থা কৰিব লাগে। এই পৰামৰ্শ মই গ্ৰহণ কৰিছো। আপোনালোকক মই এই কথাটো জনাইছো যে চিকিউৰিটি বেচিচত গাড়ী চলি আছে। মোৰ সন্মুখতে এচকৰ্ট লৈ যোৱা গাড়ী এখন নেলী পোৱাৰ আগতে ঘুৰি ঘুৰি খাৱৈত পৰি গ'ল। মই গাড়ীৰ পৰা গৈ মেটেকা আৰু পানীত পৰিলো।

ঘটনা বহু ধৰণৰ হ'ব পাৰে, মেকানিকেল দিফিকাল্টিৰ বাবে ব্ৰেকফেইল কৰিব পাৰে। ফলত দহজন মানুহক বচাবলৈ গৈ সন্মুখত পৰা গৰু এটাকো মাৰি যাব পাৰে। তেতিয়া ড্ৰাইভাৰৰ গাত দোষ থাকিব নোৱাৰে। সিদিনা উৎপল দত্ত শিলচৰৰ পৰা ঘূৰি আহোঁতে খালত গাড়ীখন পৰি গ'ল, মুৰ ফাটিছে। জিপচি গাড়ী ৰাস্তাত পিচলি পৰি যাব পাৰে। এনেকুৱা ঘটনা হ'ব পাৰে। অভাৰটেক কৰিলেও ঘটনা সংঘটিত হয়।

মই আপোনালোকক জনাইছো যে ট্ৰেন্সপোৰ্ট ৰুল আহি পাইছে, সোনকালে আপোনালোকে পাব। আপোনালোকৰ পৰামৰ্শখিনি মই সমৰ্থন কৰিছোঁ আৰু সাৱধানতাখিনি লম। আশা কৰিছো এনে ধৰণৰ ঘটনা কমোৱাৰ কাৰণে সকলো যত্ন কৰিব লাগিব।

এইখিনিকে জনাই মই সামৰণি মাৰিছোঁ।

## MATTER UNDER RULE 54

**Mrs. Deputy Speaker :** Now, item No.2., I call upon Hon'ble Member Shri Dilip Kumar Saikia

*. **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০০০ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত "জীয়াঢল আৰু গাই নদীৰ মিলন সম্ভাৱনা-আগত বাৰিষাৰ চিন্তাত কম্পমান ধেমাজীবাসী।" শীৰ্ষৰ বাতৰিটোৰ প্ৰতি বান নিয়ন্ত্ৰণ মন্ত্ৰী মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় মন্ত্ৰী ডাঙৰীয়াক জনাওঁ যে মাতমৰা, মাইনাপাৰা, শিমলুগুৰি আদি সকলোবোৰ ভ্ৰমণ কৰিছো। এতিয়া বাৰিষা আহিব আৰু অহাৰ লগে লগে এই স্কীমবোৰ সম্পূৰ্ণ হৈ নুঠাৰ কাৰণে ভীষণ অসুবিধা হ'ব।

গাই নদীৰ মথাউৰী যোৱাবাৰ এন, এচ, চিয়ে বান্ধিছিল। বানপানীয়ে ভাঙি লৈ গ'ল। আৰু জীয়াঢ়লৰ কেইবাটাও অংশ চিঙি লৈ যোৱাৰ কাৰণে হাইৱে বন্ধ হৈ আছিল। আশা ৰাখিছো মন্ত্ৰী ডাঙৰীয়াই এই দুয়োখন নৈৰ গতি ৰোধ কৰাৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি? কিমান দিনৰ ভিতৰত ইয়াৰ ব্যৱস্থা কৰিব?

জীয়াঢল প্ৰতি ঘন্টাত ১৯ শ কিঃমিঃ বালি আৰু মাটি কঢ়িয়াই লৈ যায়। মই মাননীয় ডাঙৰীয়াক পৰামৰ্শ দিব বিচাৰিছো যে প্ৰৱল বালি আৰু মাটি কঢ়িয়াই অনাৰ মূলতে হ'ল ইয়াৰ উৎপত্তিৰ স্থলি হ'ল — অৰুণাচল প্ৰদেশ। অৰুণাচল চৰকাৰে গছ-গচনি কাটি শেষ কৰাৰ কাৰণে - প্ৰৱল বানপানীৰ সৃষ্টি হ'ল। সেই কাৰণে এই নদীবিলাকৰ কাষত যিবিলাক গছ আছিল কাটি দিয়াৰ ফলত বানপানীয়ে আগতে প্ৰতি কিঃমিঃত পানী আহিছিল ঘন্টা ১০ কিঃমিঃ কিন্তু এতিয়া আধা ঘন্টাত ১০ কিঃমিঃ অতিক্ৰম কৰে। বিজ্ঞান ভিত্তিক এই আঁচনিবিলাক হোৱা নাই, নৈৰ গতি বাঢ়ি গৈছে। ইয়াৰ গতি ৰোধ কৰাৰ কাৰণে বন্ডাৰৰ সলনি বাঁহ গছ, বেত গছ দিয়াৰ ব্যৱস্থা কৰিব নেকি? এনে ধৰণৰ আঁচনি ল'লে নিশ্চয় সমস্যা সমাধান কৰিব পৰা হ'ব।

* **ডঃ অৰ্দ্ধেন্দু কামাৰ দে ঃ** চচিয়েল ফৰেষ্ট্ৰিয়ে কৰিব। যোৱাবাৰ মাতমৰা, কাৰেং চাপৰি আদিত

★ Speech not corrected

কাম কৰাৰ কাৰণে ধেমাজীবাসী আৰু লক্ষীমপুৰবাসী এইবাৰ ভাত খাবলৈ পাইছে।

এইবাৰ ভ্ৰমণ কৰি দেখিছো কাৰেং চাপৰি, মাতমৰা আৰু পিপলুগুৰি অৱস্থা শোচনীয়। এইখিনি কাম কেতিয়াকৈ কৰিব? বিশেষকৈ জীয়াঢল আৰু গাই নদীৰ আঁচনি কেতিয়া হ'ব মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** আমাৰ অসম, পূৱালী, প্ৰহৰী, আদি বগা কাগজৰ ওপৰত ৰেভিনিউ লগাই দিব লাগে পইচা কিমান দিব সেইটো নাই। তেওঁলোকে সাংঘাটিক ফাঁকি দি আছে। প্ৰতিদিনে ১ লাখ টকা লাভ কৰে।

উপাধ্যক্ষা মহোদয়া, নেট্ ইনকাম দেখুৱাই আচলতে গ্ৰচ ইনকামৰ ওপৰত হোৱা উচিত। ৱাছাওতত সাংবাদিক সকলে যিখিনি দৰমহা নাপায় সেইখিনি পোৱাৰ কাৰণে সুবিধা হ'ব লাগে। বাছাৱতত যি দৰমহা গাঠনি আইন তাক প্ৰয়োগ নকৰি ৰহস্যজনকভাবে তেওঁলোকে কাম চলাই আছে। এই ব্যৱস্থা কেনচেল কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে আমাৰ সদনত এখন হাউচ কমিটি পাতি দিব লাগে। তেখেত সকলৰ যিখন মেম'ৰেণ্ডাম পৰীক্ষা কৰাৰ কাৰণে হাউচৰ পৰা এটা পেনেল পাতি দিব লাগে। এই সিদ্ধান্ত সদনত হওক বুলি মোৰ অনুৰোধ থাকিল। সাংবাদিক সকলৰ স্বাৰ্থৰ কাৰণে সদন কমিটি গঠন কৰি দিলে কাগজৰ কৰ্ম্মচাৰী সকলৰ এই গুৰুত্বপূৰ্ণ বিষয়টোৰ এটা ভাল ব্যৱস্থা হ'ব বুলি মই আশা কৰিছো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, "জীয়াঢল আৰু গাইনদীৰ মিলন সম্ভাৱনা" সন্দৰ্ভত মাননীয় বিধায়ক শ্ৰীদিলীপ কুমাৰ শইকীয়াই উৎথাপন কৰা আশংকা সম্পৰ্কে স্পষ্টীকৰণ এনেদৰে দাঙি ধৰা হৈছে।

জীয়াঢল আৰু গাইনদী দুয়োখন নদীয়েই অৰুণাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চলৰ পৰা উৎপত্তি হৈছে। দুয়োখন নদীয়েই অতি খৰস্ৰোতা। বাৰিষা কালত দুয়োখন নদীৰ তীব্ৰ সোঁত পাহাৰীয়া অঞ্চলৰ পৰা যথেষ্ট পৰিমানে শিল, বালি পলস আদি কঢ়িয়াই আনে আৰু এইবোৰ সমভূমি অংশত নদীৰ বুকুত জমা হোৱা হেতুকে নদীৰ বুকু অংশ (River Bed) ক্ৰমান্বয়ে ওপৰলৈ উঠি আহিছে। ফলত নদী দুখনৰ জল-ধাৰণৰ ক্ষমতা ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। পাহাৰীয়া অঞ্চলত বাৰিষাৰ সময়ছোৱাত দুদিনমান বৰষুণ হ'লেই দুয়োখন নদীয়েই বান-পানীৰে উফন্দি উঠে আৰু মাজে সময়ে গতিপথ সলনি কৰি দুয়ো পাৰৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰে। বাৰিষাৰ বান-পানীৰ পৰা কাষৰীয়া অঞ্চল সমূহক ৰক্ষনা-বেক্ষন দিবৰ পৰা বান নিয়ন্ত্ৰণ বিভাগে তলত দিয়া ব্যৱস্থাবোৰ লৈছে।

| ক্রমিক নং | নদীৰ নাম | মথাউৰিৰ দৈৰ্ঘ্য | | (কিলোমিটাৰ) |
|---|---|---|---|---|
| | | বাওঁপাৰ | সোঁপাৰ | মুঠ |
| ১ | জীয়াঢল | ১৬.০৫ কিঃমিঃ | — | ১৬.০৫ কিলোমিটাৰ |
| ২ | গাইনদী | ৯.৯০ কিঃমিঃ | ৭.৯৯ কিঃমিঃ | ১৭.৮৯ কিলোমিটাৰ |

এই মথাউৰি সমূহ ২০/২৫ বছৰ আগতেই নিৰ্মাণ কৰা হেতুকে ক্ৰমান্বয়ে দুৰ্বল হৈ আহিছে। সেইবাবে বান-পানী তীব্ৰ হ'লে মাজে সময়ে এই দুয়োখন নদীৰে বাৰিষাৰ ঢল নামি মথাউৰি চিঙি পাৰ্শ্ববৰ্ত্তী অঞ্চল প্লাবিত কৰাৰ উপৰিও উঃলক্ষীমপুৰ পৰা ধেমাজী হৈ জোনাই পৰ্য্যন্ত নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰেদি বানপানী বাগৰি যোগাযোগ বিচ্ছিন্ন কৰে। দুয়োখন নদীতে বাৰিষা সৃষ্টি হোৱা বানপানী আৰু গড়া খহনীয়া সমস্যা সম্পৰ্কে বান নিয়ন্ত্ৰণ বিভাগ সচেতন যদিও নিম্ন উল্লেখিত কাৰণ সমূহৰ বাবে পাৰ্শ্ববৰ্ত্তী অঞ্চল সমূহক বানপানীৰ কবলৰ পৰা শতকৰা ১০০ ভাগ বিপদ মুক্ত কৰিব পৰা হোৱা নাই।

(১) নদীৰ উৎপত্তি স্থল আৰুণাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চলত গছ-গছনি কঁটা বাবে পাহাৰীয়া অঞ্চলৰ পৰা নৈৰ সোঁতে লৈ অহা শিল, বালি, পলসে, নৈৰ বুকুভাগ ক্ৰমান্বয়ে ওপৰলৈ উঠাই অনাৰ প্ৰক্ৰিয়া।

(২) মথাউৰি সমূহৰ মেৰামতি আৰু শক্তিশালী কৰণৰ বাবে প্ৰয়োজন অনুসৰি পুঁজিৰ নাটনি।

(৩) বাৰিষাৰ সময় ছোৱাত মথাউৰি সমূহত সতৰ্ক পহৰা দিয়াৰ বাবে (Petrolling) পূৰ্বৰ (Khalasi) আৰু মাষ্টাৰ ৰ'ল কৰ্মীৰ নিয়োগ বন্ধ কৰা।

তথাপিতো দুয়োখন নদীৰ ক্ষেত্ৰত বানপানীৰ সময়ত উদ্ভৱ হ'ব পৰা গুৰুত্বৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বান নিয়ন্ত্ৰণ বিভাগে ৰাজ্যিক পৰিকল্পনা শিতান, পৰিকল্পনা বৰ্হিঃভূত শিতানত প্ৰাকৃতিক দুৰ্য্যোগ শিতানৰ আৱন্টিত সীমিত পুঁজিৰ দ্বাৰা সময়ে সময়ে মথাউৰিৰ মেৰামতি আৰু খহনীয়া প্ৰতিৰোধ আঁচনি ৰূপায়িত কৰি থকা হৈছে।

বিগত বছৰ কেইটাত বানপানীয়ে সৃষ্টি কৰা পৰিস্থিতি অধ্যয়ন কৰি উত্তৰ পূব পৰিষদৰ আৰ্থিক অনুদানেৰে গাইনদী নিয়ন্ত্ৰণৰ বাবে ৩৮৪.২৮ লক্ষ টকাৰ এখন আঁচনিৰ ৬০% কাম এই পৰ্য্যন্ত সম্পূৰ্ণ কৰা হৈছে। বাকী থকা কামখিনি ২০০১ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

একেদৰে জীয়াঢল নদীয়ে ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰেল লাইনত সৃষ্টি কৰা সমস্যা লাঘৱৰ অৰ্থে বান নিয়ন্ত্ৰণ বিভাগে আঁচনি যুগুতাই আছো আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডক আৰ্হি অধ্যয়ন (Model study) দায়িত্ব ন্যস্ত কৰা হৈছে। উক্ত আৰ্হিৰ অধ্যয়নৰ ৰিপৰ্টৰ ভিত্তিত আঁচনিখন তৈয়াৰ কৰা হ'ব

আৰু উত্তৰ পূব পৰিষদৰ অনুমোদন সাপেক্ষে আগন্তুক খৰালি সময়ছোৱাৰ পৰা আঁচনিখন ৰূপায়িত কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। এই দুয়োখন আঁচনি ৰূপায়িত হ'লে ধেমাজী জিলাত গাইনদী আৰু জীয়াঢলৰ গতিপথ নিয়ন্ত্ৰণ কৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰেলপথ বানপানী আক্ৰান্ত হৈ বিচ্ছিন্ন হোৱাৰ বৰ্তমান জীয়াঢল নদীৰ সম্ভাব্য সংযোগৰ (মিলন) আশংকা সম্পৰ্কে এই কথা উল্লেখ কৰিব পাৰি যে, বৰ্তমানে নদী দুখনৰ অৱস্থিতিৰ ব্যৱধান প্ৰায় ২৫ কিলোমিটাৰৰো অধিক। তদুপৰি এই দুয়োখন নদীৰ মাজৰ এক বৃহৎ অঞ্চল জনবসতিপূৰ্ণ গাওঁ-ভূই আৰু ধেমজী নগৰ থকাৰ উপৰিও মৰিঢল নদী বৈ গৈছে আৰু এই নদীৰ সোঁপাৰে মথাউৰী নিৰ্মান কৰা আছে। গতিকে এই বৃহৎ অঞ্চল বিধস্থ কৰি আগন্তুক বাৰিষাৰ কাল ছোৱাত জীয়াঢল আৰু গাইনদী সংযোগ হোৱাৰ সম্ভাৱনা সম্পৰ্কে উত্থাপিত অভিযোগৰ কোনো ভিত্তি আছে বুলি বিবেচনা কৰা হোৱা নাই।

বৰ্তমানে চলি থকা গাইনদীৰ আঁচনিখন আৰু জীয়াঢল নদীৰ প্ৰস্তাৱিত আঁচনিখন ৰূপায়িত হ'লে দুয়োখন নদীৰ গতিপথ নিয়ন্ত্ৰণ কৰিব পৰা হ'ব বুলি বান-নিয়ন্ত্ৰণ বিভাগে আশা কৰে। তদুপৰি ৰাষ্ট্ৰীয় পথৰ নামনি অংশ বান মুক্ত কৰিবৰ বাবে গাইনদীৰ দুয়ো পাৰে থকা মথাউৰি শক্তিশালী কৰণৰ বাবে বান-নিয়ন্ত্ৰণ বিভাগে প্ৰায় ৪১০.৮৩ লাখ টকাৰ আন এখন আঁচনি যুগুতাই আছে। ৰাষ্ট্ৰীয় ঘাইপথৰ নামনিত গাইনদীৰ বাওঁপাৰৰ মথাউৰি চিঙা অংশ জৰুৰীভাবে পুনৰ নিৰ্মাণৰ বাবেও এখন আঁচনি ধেমাজি জিলাৰ উপায়ুক্তৰ অনুমোদন লৈ পুঁজি আৱন্টনৰ বাবে ৰাজহ বিভাগলৈ প্ৰেৰণ কৰা হৈছে। পুঁজি আৱন্টন হ'লে আঁচনিখন ৰূপায়ন কৰিব পৰা হ'ব। তদুপৰি আৱশ্যকীয় পুঁজি আৱন্টিত হ'লে জীয়াঢল আৰু কমটীয়া নদীৰ গ্ৰহণ কৰা হ'ব। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি যে, জীয়াঢল আৰু গাইনদীৰ নিয়ন্ত্ৰণৰ বাবে উত্তৰ পূব পৰিষদে ব্ৰহ্মপুত্ৰ বৰ্ড, কেন্দ্ৰীয় জল আয়োগ, কেন্দ্ৰীয় জল আৰু শক্তি গৱেষণা কেন্দ্ৰ, বান নিয়ন্ত্ৰণ বিভাগ, গড় কাপ্তানী বিভাগ, উত্তৰ পূব সীমান্ত ৰেলৱে উত্তৰ পূব পৰিষ আৰু স্থল-পৰিবহন বিভাগৰ প্ৰতিনিধিসকলে এখন 'মনিটৰিং কমিটি' গঠন কৰি দিছে, অভিজ্ঞ কাৰিকৰী লোকৰে গঠিত এই উচ্চ ক্ষমতা সম্পন্ন মনিটৰিং কমিটিয়ে এই দুয়োখন নদীৰ বৰ্তমানৰ সমস্যা সমূহ নিৰীক্ষণ আৰু অনুদাৱন কৰি আছে। এই কাৰিকৰী কমিটিৰ দিহা পৰামৰ্শ অনুযায়ী ল'ব লগা নদী নিয়ন্ত্ৰণৰ ব্যৱস্থা সমূহ ৰূপায়নৰ বাবে উত্তৰ পূব পৰিষদৰ পৰা আৰ্থিক অনুদানৰ মঞ্জুৰী পালে এই নদী দুখনৰ পৰা বন্যা আক্ৰান্ত ধেমাজী বাসী ৰাইজ ভালেখিনি উপকৃত হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। গতিকে আগন্তুক বাৰিষাৰ সময়ছোৱাত জীয়াঢল আৰু গাইনদীৰ সংযোগৰ আশংকাৰ দ্বাৰা ধেমাজীবাসী ভীতিগ্ৰস্ত নহ'বলৈ মাননীয় শইকীয়া দেৱলৈ অনুৰোধ থাকিল।

উপাধ্যক্ষা মহোদয়া, মনিটৰিং কমিটিৰ পৰামৰ্শ মতে আঁচনিবিলাক প্ৰস্তুত কৰা হয়। তেওঁলোকে কাম কাজ পৰিচালনা কৰে। মই তিনি মাহ আগতে গাই নদী চাইছো। তেওঁলোকে কিছুমান পৰামৰ্শ

দিছে আৰু জীয়াঢল মডেল টেষ্টিংখন কৰিছে। সেই মডেল টেষ্টিংখন সোনকালে হ'লে আমি কামখিনি আৰম্ভ কৰিম বুলি আশা কৰিছো। দুয়োটা নদী একে হ'ব পাৰে নেকি এই বিষয়ে মই মডেল টেষ্টিংখন চাইছো। দুয়োখন প্ৰস্তুত হৈছে। এতিয়া ২৫ কিঃমিঃ সদ্যহতে দুয়োখন নদী নাই, সেয়ে একে লগ হোৱা সম্ভাৱনা কম। গাই নদী ব্ৰহ্মপুত্ৰত পৰিছে আৰু জীয়াঢল সোৱনশিৰি নদীত পৰিছে। একে লগ হোৱা সম্ভাৱনা নাই। ভবিষ্যতে হয়তো কেতিয়াবা হ'ব পাৰে। আমি সেই কাৰণে দুয়োখন আঁচনি সোনকালে ৰূপায়ণ কৰাৰ কাৰণে উত্তৰ পূৰ্ব পৰিষদক অনুৰোধ কৰিছো। তেওঁলোকে যাতে ব্ৰহ্মপুত্ৰ মডেল টেষ্টিং কৰি দিয়ে। আশা কৰিছো মডেল টেষ্টিংখন সোনকালে শেষ হোৱাৰ পাচত আমি জীয়াঢল আৰম্ভ কৰিব পাৰিম। দুয়োখন আঁচনি হোৱাৰ পিচত ধেমাজী জিলা ৰাইজৰ যি দুখ দুখ কষ্ট হৈছে, সেইটো সোনকালে দূৰ হ'ব। ধেমাজী লক্ষীমপুৰ জিলাৰ যিবিলাকত গড়াখহনীয়া হয় সেই বিলাক নদীৰ পাৰত 'কলমৌ' দিয়া হৈছে। মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই পৰামৰ্শ দিছে যে মনিটৰিং সমিতি গঠন কৰিব লাগে। এইটো চোৱা হ'ব।

**Mrs. Deputy Speaker :** Item No.3. Now I call upon Hon'ble Member Shri Hiren Das.

* **শ্ৰীহিৰেন চন্দ্ৰ দাস ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং নিয়মৰ অধীনত অসমৰ অন্যতম গড়কাপ্তানী পথ "মঙ্গলদৈ ভুটিয়াচাং পথৰ শোচনীয় অৱস্থা" এই বিষয়টো উৎথাপনৰ জৰিয়তে মন্ত্ৰী দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। উপাধ্যক্ষ মহোদয়া, ভুটিয়াচাং পথ - এই পথটোত হৈছে যদিও ই বৃটিছৰ দিনৰ পৰাই আছে। সেইটো মঙ্গলদৈৰ পুৰণি পথ। বৃটিছ সকল আহি সেই পথেৰে ভুটিয়াচাং বুলি পথটো নামাকৰণ কৰে। আচলতে এইটো পথ নহয় - পানী নোহোৱা নদীৰ ওপৰেদি মানুহে কেনেবাকৈ পাৰ হৈ আছে। মঙ্গলদৈৰ পৰা গুৱাহাটীলৈ আহিলে আমাক সময় লাগে মোটামোটি ডেৰ ঘন্টা। মঙ্গলদৈৰ পৰা টংলালৈ আগতে ভাল আছিল। ৪৫ মিনিট সময় লাগিছিল, এতিয়া চাৰে তিনি ঘন্টা সময় লাগে। আজি এটা বিষয়ত আলোচনা কৰিছো, ড্ৰাইভাৰৰ বিষয়ে আলোচনা কৰিছো। মই টংলালৈ যাব লগা হ'লে মোৰ ড্ৰাইভাৰজনৰ পেটৰ অসুখ বা জ্বৰ হ'ব। মই টংলালৈ গৈছিলো, কলাইগাওঁত দেখিলো, বেনাৰত লিখা আছে — সাৱধান, আগত ভাল ৰাষ্টা আছে। তাৰ মানে বেয়া ৰাষ্টা আছে। সেই ৰাষ্টাৰ অৱস্থা নাই, ভাঙি চিঙি গৈছে। মঙ্গলদৈ চহৰৰ পৰা আৰম্ভ কৰি ভুটান সীমান্তলৈ গৈছে, এই ঠাইৰ পৰা ৰাজহ আহে। তাৰ পৰা শিল, বালি, চুণ আদিৰ পৰা যথেষ্ট পৰিমাণৰ ৰাজহ আহে। আমি বহুত বাৰ কৈছো, আমাৰ ৰাষ্টা ভাল কৰক। সেই ৰাষ্টাই মঙ্গলদৈ, ওডালগুৰি আৰু পানেৰি এই বিধান সভা সমষ্টি কেইটা চুই গৈছে। ৰাস্তাৰ বিষয়ে আমি বহুত বাৰ জনাইছো, কিন্তু কোনেও মন কান দিয়া নাই।

এই ৰাস্তাৰ বেছিখিনি ঠাই জনজাতি অঞ্চল। মই ভাবিছো এই কাৰণে অৱহেলা কৰা হৈছে নেকি?

উপাধ্যক্ষা মহোদয়া, আজি যি উগ্ৰপন্থী সমস্যা হৈছে, দৰঙৰ উত্তৰ উঞ্চল উগ্ৰপন্থীৰ ঘাটি বুলি বাতৰি কাকতত পাইছো। বি, এল, টি, আল্‌ফা, বি,এচ,এফ, এ,ডি,এফ,বি, আদিৰ উগ্ৰপন্থী আছে।

এতিয়া কথা হ'ল মাননীয়া উপাধ্যক্ষা মহোদয়া, কলাইগাওঁত সদায় মানুহ মাৰি আছে। মঙ্গলদৈৰ পৰা পুলিচ গৈ নাপায়গৈ। কলাইগাওঁ পৰা গৈ পাই মানে উগ্ৰপন্থী গৈ নোহোৱা হয়। এতিয়া তাত কেৱল উগ্ৰপন্থীয়ে কাম কৰি আছে। সেই কাৰণেই এই অঞ্চলত গুৰুত্ব দিব লাগে। ইমান দিনে এই অঞ্চলৰ ওপৰত গুৰুত্ব দিয়া নাই। যিটো এফ-ডি-আৰ ৰ টকা দিছিল ৯৫ লাখ টকা। তাৰ ওপৰত টেণ্ডাৰ ক'ল কৰা হ'ল কিন্তু পিচত কেঞ্চেল কৰি চল্লিশ লাখহে হ'ল। এইটো অন্যায় নহয় জানো। আমি চাৰিজন বিধায়কে উগ্ৰপন্থী সমস্যাৰ সমাধান কৰাৰ বাবে দাবী জনাইছো। পঞ্চল্লিশ লাখ টকা কেনেকৈ উঠাই নিলে তাৰ বিচাৰ হ'ব লাগে। আমি মানুহক এই সমস্যাৰ কাৰণে কি উত্তৰ দিম? এতিয়া সমস্যা সমাধানৰ কাৰণে প্ৰতিটো সমষ্টিৰ কাৰণে প্ৰতিজন বিধায়কে মন্ত্ৰী পাতি দিব লাগে। তেতিয়া কেনে ধৰণৰ কথা হ'ব। পঞ্চলিশ লাখ টকা কেনেকৈ নোহোৱা হৈছে তাৰ এটা তদন্ত হ'ব লাগে। তাৰ উত্তৰ দিব লাগে। ইয়াৰ লগত কোন কোন জড়িত সেইটো উলিয়াই ল'ব লাগে। ৰাস্তাঘাটৰ কাৰণে প্লেন এষ্টিমেট প্ৰতি বছৰে দিছে। কিন্তু ইয়াত আহি সকলে ঠান বান হৈ যায়। চীফ ইঞ্জিনীয়াৰ অফিচ এডিশ্যনেল চীফ ইঞ্জিনীয়াৰ আৰু জনতা ভৱনৰ চেম্বাৰত এই বিলাক কিয় কেন্সেল হৈ যায়। উগ্ৰপন্থী সিঁচৰিত হৈ থকা এই অঞ্চলৰ ৰাষ্টাৰ অৱস্থা কৰি কাৰ্য্যকৰী নহয়? উপাধ্যক্ষা মহোদয়া, মই মন্ত্ৰী হ'ব নালাগে কিন্তু বিধায়ক হ'লেও সন্মান সহকাৰে এই বিচাৰো যে এই ৰাস্তাটো ৰাইজৰ স্বাৰ্থতে সম্পূৰ্ণ হৈ উঠিব লাগে। যদি এই ৰাস্তাটোৰ ওপৰত উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি কোন বিষয়াৰ কাৰণে ৰাষ্টাটো বন্ধ হৈ আছে এই সৰ্ম্পকত ব্যৱস্থা লোৱা নহয় তেন্তে সেই অঞ্চলৰ ৰাইজৰ কাৰণে নিশ্চয় কিবা কৰিব লাগিব। টকাবিলাক কিয় ঘুৰাই আনে তাৰ ব্যৱস্থা কৰিব লাগিব। এফ ডি আৰত টকা যিবিলাক দিয়া হৈছিল তাক কিয় কাটি দিয়া হ'ল তাৰ তদন্ত হ'ব লাগে। সকলো উগ্ৰপন্থীৰে এই অঞ্চলটো মাটিত পৰিণত হৈছে। সেই অঞ্চলৰ দলগাওঁৰ পৰাও এজন মন্ত্ৰী আছে যি জনে দহ পইছাও পোৱা নাই।

উপাধ্যক্ষা মহোদয়া, আপোনাৰ জৰিয়তে কৈছো এফ ডি আৰৰ টকা পোৱা নাই। মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে অঞ্চলবোৰৰ ৰাইজক যাতায়তৰ হাৰাশাস্তিৰ পৰা ৰক্ষা কৰিবলৈ বিহিত ব্যৱস্থা লয়। মোৰ সমষ্টিত বানপানী নোহোৱা কৰি দিব পাৰিলে যাতায়তৰ সমস্যা এনেয়ে সুচল হৈ পৰিব। মই মুখ্যমন্ত্ৰী মহোদয়ক এনেয়ে ব্যতিব্যস্ত কৰি আৰু নাথাকোঁ। আৰু সমষ্টিটোত এইসমূহ অসুবিধা দূৰীকৰণৰ কাৰণে বিহিত ব্যৱস্থা ল'ব বুলি আশা

কৰিলো।

* **শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য হীৰেন দাস ডাঙৰীয়াই যিটো কথাৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছে সেই ৰাস্তাটো হ'ল মঙ্গলদৈ হৈ ভুটীয়াচাং পথ। এইটো অসমৰ ভিতৰতে এটা গুৰুত্বপূৰ্ণ পথ সেয়ে এই পথটোৰ বিষয়ে মইও জোৰ দি ক'ব বিচাৰিছো। অসমৰ পৰা ভূটানলৈ যাব পৰা এই পথটো যদি বেয়া বা বন্ধ হৈ যায় তেতিয়া আমাৰ প্ৰশাসনৰ স্বাৰ্থতে বহুখিনি অসুবিধাৰ সৃষ্টি হ'ব। এইটো আজিৰ পৰা এবছৰৰ আগতে আৰম্ভ হৈছিল কিন্তু এতিয়াতো ইয়াৰ অৱস্থা বৰ্ননাতীত। বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। আজি এবছৰ মানৰ আগতে মুখ্যমন্ত্ৰী মহোদয় কিবা কাৰ্য্যসূচী লৈ সেইফালেদি যাওঁতে কাষৰ পৰা মাটি কাটি দি অলপ অহা যোৱা কৰিব পৰা কৰি দিছিল কিন্তু তাৰ পিচৰে পৰা ইয়াৰ অৱস্থা একেবাৰে বেয়া। গোটেই ৰাস্তাটোতে একাঠু একাঠু গাতঁ। অৱশ্যে গুৱাহাটীৰ মাছখোৱাত কৰাৰ দৰে তাত মাছ পোহা নাই কিন্তু অৱস্থা একেবাৰে বেয়া। আমাৰ সেইফালৰ মন্ত্ৰী নাই কাৰণেই ৰাস্তাটোৰ এই অৱস্থা নেকি? ৰাইজৰ মনত আজি একেবোৰ প্ৰশ্ন জাগিছে। আগতে যিটো ৰাষ্টাৰে পোন্ধৰ মিনিট লাগিছিল এতিয়া সেই ঠাইত এঘন্টা লাগে। আগতে টংলালৈ আধাঘন্টা লাগিছিল কিন্তু আজি প্ৰায় তিনিঘন্টা লাগে। আমাৰ সেইফালৰ মানুহে মাৰুতী গাড়ী বিক্ৰী কৰি দিলে। কাৰণ চকা বন্ধ হৈ থাকে। এক্সেলেটৰ ভাঙি যায়। আমি এই পথটো উন্নত কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো একজিকিউটিত ইঞ্জিনীয়াৰক সুধিলে কয় বিটুমেন নাই। পিচত বিটুমেন আহিল গৰম কৰিবলৈ খৰি নাই নবাৰে জুই ধৰি গৰম কৰে। ভাল দৰে নগলে। ৰাস্তাত দিলে উঠি আহে। ইঞ্জিনীয়াৰক সোধাত কলে খৰি কিনা টকা নাই। কিন্তু বিল খৰি কিনাৰ নাম ঠিকেই পায়। হাজাৰ হাজাৰ টকা পায়। বৃটিছৰ দিনৰে এই চাৰিখন দলং আজি জৰাজীৰ্ন অৱস্থা। ননৈ নদীৰ দলংত কাঠেৰে সৈতে গাড়ী পৰি গৈছিল। এই ৰাস্তাৰ এলেকাতে পাচটা উগ্ৰপন্থী সংগঠন বিদ্যমান। ভগৱানে নকৰক কিবা এটা দুৰ্ঘটনা হ'লে তালৈ অহা যোৱা কৰাই টান হৈ পৰিব। আটাইতকৈ আচৰিত কথা হ'ল মাননীয় সদস্য হীৰেন দাসে কোৱাৰ দৰে ৯৫ লাখ টকাৰ টেণ্ডাৰ হৈছিল যদিও মাত্ৰ ৪০ লাখ টকাহে ৰাখি বাকী টকা বেলেগলৈ উঠাই নিলে এইটো কোনে কৰিছে? অতিৰিক্ত মুখ ইঞ্জিনীয়াৰক কৈছিলো তেওঁলোকে ক'ব নোৱাৰে। এফ ডি আৰত কিমান ঠিকাদাৰে বা কোন ঠিকাদাৰে কাম কৰিব ৰাষ্টাত কি কাম হ'ব এইটো অন্যত ঠিক হয়। এইটো বৰ সাংঘাতিক কথা হৈছে। এইটো কথা মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ নকৰিলোহেতেন যদিহে এইটো অসমৰ এটা গুৰুত্বপূৰ্ণ ৰাষ্টা নহলহেতেন। সামান্য শিলৰ ৰাষ্টাতে লাখ লাখ টকা দিয়া হৈছে অথচ এই অজনজাতীয় সকলো লোক বসতিস্থান এই উত্তৰ অঞ্চলতে কোনো যোগাযোগৰ ব্যৱস্থা নাই। বাৰিষাৰ আগতে যাতে ৰাষ্টাটো ভাল কৰা হয় তাৰ বাবে অনুৰোধ

★ Speech not corrected

কৰিলো। ছাত্ৰ সন্থা আৰু যুৱ ছাত্ৰ পৰিষদে ৰাস্তাটো বন্ধ কৰি দিয়াৰ কাৰণে চাইনবোৰ্ড দিছে বুলি দাস ডাঙৰীয়াই কৈছে। এই ৰাষ্টাটো নাবাৰ্ডে লব বুলি আমি খবৰ পাইছিলো। এডিচনেল ইঞ্জিনিয়াৰ কোনোবা এজনে ৰাষ্টাৰ কাম চলি আছে বুলি কৈছে। আমাৰ বিষয়া বিলাকে ক'ত প্ৰায়'ৰিটি দিব লাগে জানিব লাগে। বিশ্ব বেংকৰ পৰাও ৰাষ্টাটো কৰা কথা আছিল কিন্তু হৈ নুঠিল সেয়েহে এই কথা বিলাক তদন্ত কৰি যাতে টকা পইচা অহাৰ ব্যৱস্থা কৰে সেয়ে ন্যায়িক বিচাৰৰ কাৰণে ইয়াত সদনৰ মজিয়াত উৎথাপন কৰিলো। তাৰ লগতে ইতিমধ্যে আবন্টিত এই ৪০ লাখ টকা যাতে অপব্যয় হ'ব নোৱাৰে সেইটো চালিজাৰি চাবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাই সামৰণী মাৰিলো। ধন্যবাদ।

* **শ্ৰী কুমুদ চন্দ্ৰ দাস ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মঙ্গলদৈৰ পৰা টংলা মাত্ৰ ৩৩ কিঃমিঃ। এই ৰাস্তাটো ভাল কৰিবৰ কাৰণে বহুবাৰ চৰকাৰক কোৱা হৈছে কিন্তু যিখিনি টকা ৰাস্তাৰ কাৰণে দিয়া হৈছে সেইখিনিৰে ৰাস্তাটো হৈ নুঠে। কিন্তু সোনকালে ৰাস্তাটোৰ ব্যৱস্থা কৰিব লাগে যাতে যাতায়ত কৰিব পাৰি। বৰ্তমান মুহূৰ্ত্তত এই ৰাস্তাটো যথেষ্ট প্ৰয়োজনীয়তা আছে। চৌধুৰী ডাঙৰীয়াও কৈছে এই ৰাস্তাটোৰ বৃটিছ আমোলৰ ৰাষ্টা। ইমান যেইখন দলং আছে এখনৰ অৱস্থাও ভাল নহয়। কিমান বছৰ ধৰি কংগ্ৰেছ আমোলৰ পৰাই ৰাস্তাটো বেয়া হৈ আছে। অথচ এইটো এটা গুৰুত্বপূৰ্ণ ৰাষ্টা। কেৱল জিলাৰ ভিতৰতে নহয় অসমৰ ভিতৰতে গুৰুত্বপূৰ্ণ। গতিকে ৰাস্তাটোৰ ওপৰত কিবা এটা কৰিব লাগে। নাবাৰ্ডৰ পৰাও সাহাৰ্য্য লৈ এই ৰাস্তাটো কৰিলৈ জনোৱা হৈছে। কিন্তু গড়কাপ্তনী মন্ত্ৰীৰ লগত সভা পতা স্বত্তেও ইমান দিনে ৰাস্তাটো হৈ নুঠিল। এই ৰাস্তাৰ লগতে পানেৰী আৰু ওদালগুৰি সমষ্টিও সাঙোৰ খাই আছে। আমাৰ এই উত্তৰ অঞ্চলটোত ৰাজহৰ যথেষ্ট উৎস আছে কিন্তু উন্নয়নৰ কাম একো নাই, চাহবাগান যথেষ্ট আছে কিন্তু অনা নিয়া বা অহা যোৱা কৰাৰ কাৰণে ৰাস্তাটো ঠিক নহয়। গতিকে এই বিষয়ত দৃষ্টি দিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় উপাধ্যক্ষা মহোদয়া, মই এটা কথা ক'ব বিচাৰিছো যে যোৱা বছৰ চেল টেক্সত যথেষ্ট ৰেভিনিউ কালেকচন হৈছিলে। টংলা অসমৰ ভিতৰত ২ নম্বৰ পজিচনত আছিল। আজি টংলা, পানেৰি আৰু মঙ্গলদৈ সেইকেইটা সমষ্টি আটাইতকৈ পূতৌ লগা। আমাৰ সমষ্টিৰ পৰা এতিয়া ৰাজহৰ পৰিমাণ শুন্যৰ ঘৰত। প্ৰত্যেক গাওঁৰ পৰা আমি এইটো দেখিবলৈ পাইছো আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে চৰকাৰে ৰাস্তা বিলাকত কোনো গুৰুত্ব দিয়া নাই। বিশেষকৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে জনসাধাৰণৰ স্বাৰ্থত বিশেষ ভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ধন্যবাদ-

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্ৰী কুমুদ চন্দ্ৰ দাস ডাঙৰীয়া, মাননীয় সদস্য মহেন্দ্ৰ ৰায়চৌধুৰী ডাঙৰীয়া উৎথাপন কৰা বিষয়টো চৰকাৰৰ দৃষ্টি

★ Speech not corrected

গোচৰ হৈছে। মঙ্গলদৈ ভুটিয়া চাং ৰাস্তাৰ মুঠ্য দৈৰ্ঘ ৫২ কিঃমিঃ। ইয়াৰ পৰা প্ৰায় ৩২ কিঃমিঃ পকী আৰু বাকীখিনি শিলগুটী দিয়া পথ। এই পথ পুৰণা দিনৰ স্ক্ৰু পাইল দলং ৩ খন আৰু কাঠৰ দলং ৫ খন আছে। এই দলং সমুহ আপেক্ষিক ভাবে দুৰ্বল আৰু জৰুৰী ভাবে মেৰামতিৰ আৱশ্যক। এই ৰাস্তাটো চিংগল লেন হোৱা বাবে পকী অংশটো ভাঙি ঠায়ে ঠায়ে ঘাটৰ সৃষ্টি হৈছে। এই ৰাষ্টাটো ভূটান সীমান্তৰ লগত সংলগ্ন হোৱা হেতুকে যথেষ্ট গাড়ী আৰু গধুৰ যানবাহান চলাচল কৰে। এই পথটোৰ বংলাৰ পৰা পানেৰী মুঠ ৮ কিঃ মিঃ - পথৰ অৱস্থা ভাল নহয়। ১৯৯৯-২০০০ চনৰ বান বিধস্ত শিতানত আবন্টন হোৱা পূজীৰ (৪০ লাখৰ) পৰা ৭২,২০১,২৩০৩,২১২ আৰু ৩৬১ দলং কেইখন মান মেৰামতিৰ কাম আৰম্ভ হৈছে। ৰাষ্টাটোৰ পকী অংশ ৯ কিঃ মিঃ, ১৪ কিঃমিঃ, ১৫ কিঃমিঃ ১৬ কিঃমিঃ, ১৯ কিঃমিঃ, ২৯ কিঃমিঃ আৰু ৩০ কিঃমিঃৰ মেৰামতিৰ কাম বান বিধস্ত শিতানৰ আৰম্ভ কৰা হৈছে আৰু অগ্ৰগতি লাভ কৰিছে। ৰাষ্টাটোৰ পকী অংশখিনি বিশেষ মেৰামতিৰ (এচ.আৰ) বাবে প্ৰয়োজনীয় নিবিদা আহ্বান কৰি ইতিমধ্যে টেন্ডাৰ গ্ৰহণ কৰা হৈছে আৰু আৱন্টনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰা হৈছে।

এই ৰাষ্টাটোৰ পথ দলং সমূহ (বান বিধস্ত পুঁজিৰ পৰা লোৱা অংশ বাদ দি মেৰামতি কৰি যানবাহান চলাচলৰ বাবে সুচল কৰিবলৈ আনুমানিক ২৩০ লাখ টকাৰ আৱশ্যক হ'ব।

এতিয়া মাননীয় সদস্য গৰাকীয়ে কেইবাটাও প্ৰশ্ন উৎথাপন কৰিছে। আমাৰ স্কীম আছে, স্কীম মতে টকা চেংচন কৰে। আঁচনিমতে কাম কৰিবৰ কাৰণে বিভাগৰ ফালৰ পৰা নিৰ্দ্দেশ যায়। ৰেভিনিউ বিভাগক বহুতে সমালোচনা কৰে যে এই বিভাগটোৰ ইমপ্লিমেন্ট কৰাৰ বাহিৰে কোনো কাম নাই, এইবিলাক ইমপ্লিমেন্ট কৰা কাৰণে ৰেভিনিউ বিভাগত আনকি ডেপুটি চেক্ৰেটাৰীও নাই।

* **শ্ৰী আলাউদ্দিন সৰকাৰ ঃ** মাননীয়া উপাধ্যক্ষ মহোদয়া, ৰাষ্টা নিৰ্মাণ কৰাৰ কাৰণে শিক্ষা বিভাগক টকা দিয়া হয়। প্ৰজেক্ট ইমপ্লিমেন্ট কৰাৰ কাৰণে পি,ডি,ইউ,ডিক টকা চেংচন দিয়া হয়।

(ভইচ..................)

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, সেই চিচ্‌টেমটো চেঞ্জ কৰা হৈছে। যিকি নহওক এই বিষয়টো মই বেছি দীঘলীয়াকৈ ক'ব খোজা নাই। সেই ৰাষ্টাটো নাবাৰ্ডেও এতিয়া ল'ব খোজা নাই। সেয়েহে এই ৰাষ্টাটো আমি নাবাৰ্ডৰ পৰা ল'ব বিচাৰিছো। এইটো কথা নহয় যে ইয়াত কোৱাৰ কাৰণে লোৱা হৈছে। মাননীয় সদস্য গাৰাকীয়ে কৈছে নাবাৰ্ডক আমি বাছি দিছো। ৰেভিনিউৰ ৫০ লাখ টকা দিছে আৰু কাম কৰি আছে। কামটো সম্পূৰ্ণ কৰিবৰ কাৰণে চেষ্টাও কৰি আছে। যিখিনি কাম সম্পূৰ্ণ কৰিব নোৱাৰে। NABARD was not taken up.

* **শ্ৰীআলাউদ্দিন সৰকাৰ ঃ** মাননীয়া উপাধ্যক্ষ মহোদয়া, প্ৰয়াত গড়কাপ্তানি বিভাগৰ মন্ত্ৰী নগেন

শৰ্মা ডাঙৰীয়াই কৈছিল যে পথ আৰু দলং নিৰ্মাণৰ কাৰণে ১ কোটি টকাৰ চেংচন দিব আৰু এটা ফেজত ৭৫ লাখ টকা দিয়াৰ কথা আছিল। এইটো এতিয়া কি পৰ্য্যায়ত আছে এই বিষয়টো আমি জানিব কাৰণে সকলোৱে আশা কৰি আছো।

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

**Mrs. Deputy Speaker :** Now, Report Of The Business Advisory Committees. 04-04-2000

Under Rule 230 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, a meeting of the Business Advisory Committee was convened on 3rd April, 2000 for fixing a date for discussion on the Censure Motion moved against the Minister-in-charge of Rural Development.

The Committee after a threadbare discussion decided that discussion the Censure Motion would be taken up on 07-04-2000, after transaction of all normal business listed for that day. The Committee has also authorised the Hon'ble Speaker to regulate the time of speech of the Hon'ble Member including the replies of the Minister.

I hope this has approval of the House.

(Voices : Yes yes)

Now item No : 4. Hon'ble Minister Shri Ramendra Narayan Kalita to complete reply on behalf of the Industries Minister.

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া যোৱা ৩১ মাৰ্চ ২০০০ চন শুক্ৰবাৰে মাননীয় সদস্য শ্ৰীনিজামুদ্দিন খান ডাঙৰীয়াই উৎথাপন কৰা সংকল্প প্ৰস্তাৱ যোগে ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহৰ পুনৰ উজ্জীৱিত কৰা মানসেৰে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহাৰ্য্যৰ দাবী স্বাভাবিকতে সময় উপযোগী হোৱা বাবে সদনৰ দল নিৰ্বিৰ্বযেৰে সকলোৰে সমৰ্থন লাভ কৰিছে। সেয়েই মাননীয় খান ডাঙৰীয়াক ধন্যবাদ জনালো। আন আন মাননীয় সদস্য শ্ৰী আব্দুল ৰৌফ, শ্ৰীচন্দ্ৰকান্ত টেৰাং, মুস্তাফা শ্বহিদুল ইছলাম, আলী আকবৰ মিএগ, শ্ৰী দিলীপ কুমাৰ শইকীয়া, শুকুৰ আলি, শ্ৰী প্ৰণতি ফুকন, আবু চালেহ নাজমুদ্দিন, দেৱহাগ্ৰা মুছাহাৰী ডাঙৰীয়াকে প্ৰমূখ্য কৰি সদস্যসকলে জনোৱা পৰামৰ্শৰ বাবে তেখেত সকলোকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ৰাজহুৱা খণ্ডৰ আটাইবোৰ ৰুগ্ন উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰশাসনীয় নিয়ন্ত্ৰণত নাই। আন

আন বিভাগৰো নিয়ন্ত্ৰণৰ কেইবাটাও নিয়ম আছে। উদ্যোগ আৰু বাণিজ্য বিভাগে যোৱা চৰকাৰ দিনত বন্ধ হৈ যোৱা কেইবাটাও উদ্যোগ পুনৰ উজ্জীৱিত কৰিবলৈ যত্ন কৰি আহিছে। উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধিনত ১২ টা ৰাজহুৱা খণ্ডৰ আৰু যুটীয়া খণ্ডৰ উদ্যোগ আছে। এই উদ্যোগ সমূহ পুনৰ উজ্জীৱিত কৰণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত, ৰাজহুৱা খণ্ডৰ নিম্ন উল্লেখিত উদ্যোগ সমূহক যুটীয়া ভাবে ব্যক্তিগত খণ্ডত হস্তান্তৰ কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

(১) অসম চিনটেক্স লিমিটেড (ASL)

(২) অসম ৰাজ্যিক বয়ন ও উৎপাদন কম্পেনী লিমিটেড (ASW&MC.)

(৩) ফাৰ্টিকেম লিমিটেড

(৪) অসম স্পান চিল্ক মিল লিমিটেড (ASSML)

(৫) অসম ৰাজ্যিক ফাৰ্টিলাইজাৰ ও কেমিকেলচ্ লিমিটেড (ASFCL)

(৬) অসম পলিটেক্স লিমিটেড (APL)

তদানুসাৰে বাতৰি কাকত যোগে নিবিদা আহ্বান কৰা হয়। প্ৰাপ্ত নিবিদা সমূহক বাছনি কৰিবৰ বাবে উচ্চ স্তৰীয় এক সমিতি গঠন কৰা হয়। বাছনি সমিতিয়ে নিম্ন উল্লেখিত ৪ (চাৰি)টা উদ্যোগৰ বাবে নিবিদা জমা পায় আৰু ৪ (চাৰি)টা ফাৰ্মক যুটীয়া খণ্ডৰ সহযোগীতাত উদ্যোগ কেইটা পৰিচালনা কৰিবলৈ নিৰ্বাচিত কৰে।

| | |
|---|---|
| (১) Assam Syntex Ltd. | M/s Elite Metro Residence Pvt. Ltd., Guwahati |
| (২) ASW & MC Ltd. | M/s Alps Industries Ltd., New Delhi. |
| (৩) Festichem Ltd. | M/s |
| (৪) ASF&C Ltd. | M/s Associated Chemical Industries, Guwahati. |

অসম চিনটেক্স লিমিটেডৰ ক্ষেত্ৰত M/s Elite Metro Residence Pvt. Ltd., এ পিছত যুটীয়া খণ্ডৰ সহযোগীতাৰে ASL পৰিচালনা কৰিবলৈ অমান্তি হোৱাত ২০০০ চনৰ জানুৱাৰীও ফেব্ৰুৱাৰী মাহত পুনৰ বাতৰি কাকত যোগে ASL পুনৰ উজ্জীৱিত কৰণৰ বাবে নিবিদা আহ্বান কৰা হয়। বৰ্তমান এই নিবিদা সমূহ পৰীক্ষা কৰি থকা হৈছে।

অশোক কাগজ কল চলাবৰ বাবে Samghi Textiles ৰ লগত MOU স্বাক্ষৰিত হৈছিল

★ Speech not corrected

কিন্তু পিছত তেওঁলোকে MOU অনুযায়ী ব্যৱস্থা নোলোৱাত চৰকাৰে APM ৰ চুক্তি বাতিল কৰে। ইতিমধ্যে APM পুনৰ ব্যক্তিগত খণ্ডলৈ আনি পুনৰ উজ্জীৱিত কৰাৰ কাৰণে বাতৰি কাকতৰ যোগেদি নিবিদা আহ্বান কৰি M/s Soneko Paper & Industries Ltd. ক নির্বাচিতও কৰি MOU সম্পাদন কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে।

ইয়াৰ উপৰি কাছাৰ চেনিকল ব্যক্তিগত খণ্ডত হস্তান্তৰ হৈছিল যদিও চুক্তি অনুযায়ী ব্যক্তিগত সংস্থাটোৱে নানান অজুহাত দেখুৱাই চেনিকলটো পৰিচালনা কৰিবলৈ অমান্তি হয়। সম ৰাজ্যিক বস্ত্র নিগম ব্যক্তিগত খণ্ডত হস্তান্তৰ হৈছে আৰু ব্যক্তিগত খণ্ডৰ সংস্থাটোৱে মিলটো চলাই আছে।

এই সন্দর্ভত জানোৱা যায় যে ১৯৯৭ চনত উদ্যোগ সমূহ পুনৰ উজ্জীৱিত কৰাৰ কাৰণে এক প্ৰস্তাৱ ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল। উদ্দ্যোগ সমূহ হ'ল। (সংলগ্ন পতাকা ক)

(১) Assam Syntex Ltd.

(২) Assam State Weaving & Mfg. Co. Ltd.

(৩) Assam Spun Silk Mill Ltd.

(৪) Fertichem Ltd.

(৫) Assam State Fertilizers & Chemicals Ltd.

(৬) Industrial Papers.

এই প্ৰস্তাৱত কোৱা হৈছিল যে কোনো ব্যক্তিগত সংস্থাই এই ৰুগ্ন উদ্দ্যোগ সমূহ পুনৰ উজ্জীৱিত কৰিবলৈ আগবাঢ়ি নাহে যেতিয়ালৈকে পূৰ্বৰ বকেয়া ধনৰ দায়িত্ব ৰাজ্য চৰকাৰে নলয়। কেন্দ্ৰীয় চৰকাৰে বিত্তীয় প্ৰতিষ্ঠান সমূহক দিব লগা ধনৰ দায়িত্ব লৈ অন্যান্য বকেয়া ধনৰ দায়িত্ব ৰাজ্য চৰকাৰে ল'লে এই ৰুগ্ন উদ্যোগ সমূহ পুনৰ উজ্জীৱিত কৰিব পৰা যাব।

প্ৰতিষ্ঠান সমূহৰ এটা খতিয়ান সংলগ্ন কৰি দিয়া হ'ল। কেন্দ্ৰীয় চৰকাৰক এই কথাও জনোৱা হৈছিল যে —

১) কেন্দ্ৰীয় চৰকাৰে বিত্তীয় প্ৰতিষ্ঠান সমূহক দিব লগা ধন ৪৬.৪০ কোটি টকা সমূলঞ্চে বহন কৰিব লাগিব।

২) ৰাজ্যিক চৰকাৰে ২, ৪, ৫, ৬ শিতানত দেখুৱা ধনসমূহ বহন কৰিব।

৩) ৰাজ্য চৰকাৰে বিদ্যুৎ পৰিষদক দিব লগা ধন পৰিশোধ কৰিব

৪) ব্যক্তিগত খণ্ড সংস্থাই যন্ত্ৰপাতিৰ মেৰামতি আৰু উৎপাদনৰ কাৰণে আৱশ্যকীয় Working Capitalৰ ক্ষেত্ৰত ব্যৱস্থা লব।

৫) ৰাজ্য চৰকাৰে (Assom State Industrial Relief under taking Act 1884)

মতে উদ্‌গনি মূলক সাহার্য্য আগবঢ়াব।

ইয়াৰ পাছত ১৯৯৮ চনত ভাৰত চৰকাৰলৈ ব্যৱস্থা প্ৰজোয্য কৰিবলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল।

ASL, ASW & MCL, Fertichem, ASFCL, ASSML এই পাচটা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানক দিব লগা ধনৰ পৰিমান মুঠ ৪,১৬৪.৯৫ লাখ (সংলগ্ন পতাকা 'খ') ইয়াৰ উপৰি দৰমহাৰ শিতানত পৰিশোধ কৰিব লগা ধনৰ পৰিমান তলত উল্লেখ কৰা হ'ল।

| | | দৰমহা | সানমিহলী | বিদ্যুৎ বিল |
|---|---|---|---|---|
| ১. | Assam syntex Ltd. | ৭৫৮.০০ লাখ | ৫৮.৫৪ লাখ | ৬২.৫৭ লাখ |
| ২. | Fertichem Ltd. | ৩৭৮.১০ লাখ | ২৮.০০ লাখ | ৭.০৩ লাখ |
| ৩. | Assam State Weaving MFG. & Co. Ltd. | ১৭১.৬০ লাখ | ৭৭.৩৬ লাখ | ৭.২৬ লাখ |
| ৪. | Assam State Fertilizer & Chemicals Ltd. | ২২৫.০০ লাখ | ১২.৩৪ লাখ | ৪৭.০২ লাখ |
| ৫. | Industrical Paper (Assam) Ltd | ৯.৫০ লাখ (৯৮-৯৯ চনৰ) | — | ৩.১২ লাখ |
| ৬. | Cachar Sugar Mill | — | — | ১.০৩ লাখ |
| ৭. | Assam Span Silk Mills Ltd. | ২০১.০০ লাখ (৯৮-৯৯) | ৯৯.৭৭ লাখ | ১০.৪৮ লাখ |
| | | ১৭৪৩.২০ লাখ | ২৭৬.০১ লাখ | ১৩৮.২১ লাখ |

অসম চৰকাৰে উক্ত ৰুগ্ন উদ্যোগসমূহ পুনৰ উজ্জীৱিত কৰিবলৈ অসম বিদ্যুৎ পৰিষদৰ সভাপতিকলৈ এখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিছিল। সমিতিৰ প্ৰতিবেদন পতাকা 'গ'ত দিয়া হ'ল। উক্ত সমিতিয়ে ১৪।৫।৯৪ চনত বহা সভাত অসম চৰকাৰে ৰুগ্ন উদ্যোগ সমূহৰ উৎজীৱিত কৰাৰ কাৰণে সিদ্ধান্ত লোৱা হয় আৰু বেংক আৰু অন্যান্য বিত্তীয় সংস্থাৰ বকেয়া ধন পৰিশোধ কৰিবলৈ পৰ্য্যায় ক্ৰমে সিদ্ধান্ত লোৱা হয়। আনহাতে বেংক সমূহক সুদৰ ধন ৫০% ভাগলৈ কমাই দিবলৈ অনুৰোধ কৰা হয়। বেংক সমূহে প্ৰতিষ্ঠান বিশেষে কিছুমান নিৰ্দিষ্ট স্তৰত বিবেচনা কৰিবলৈ

★ Speech not corrected

সিদ্ধান্ত লয়। বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান সমূহে ৰুগ্ন উদ্যোগৰ বকেয়া ধন আদায়ৰ বাবে (AIDC) যোগেদি বুজাবুজি চুক্তি কৰি চৰকাৰৰ ওচৰত মঞ্জুৰীৰ বাবে আগবঢ়াবলৈ সিদ্ধান্ত লয় কিন্তু চৰকাৰৰ বিত্তীয় নাটনিৰ বাবে এই ক্ষেত্ৰত বিশেষ আগবাঢ়িব পৰা নাই।

যিহেতু অসম চৰকাৰৰ বেংক / বিত্তীয় প্ৰতিষ্ঠান সমূহৰ বকেয়া ধন আৰু উক্ত ৰুগ্ন উদ্যোগ সমূহৰ নতুনকৈ বিনিয়োগ কৰিবলৈ যথেষ্ট পুঁজিৰ অভাৱ আৰু ব্যক্তিগত বা যুটিয়া খণ্ডত এই উদ্যোগ সমূহ Zero liabilityত হস্তান্তৰ হোৱাটো প্ৰতিষ্ঠান সমূহৰ দাবী।

গতিকে আজিৰ সদনৰ প্ৰস্তাৱ মৰ্মে ভাৰত চৰকাৰৰ ওচৰত উক্ত ৰুগ্ন উদ্যোগ সমূহ পুনৰ উজ্জীৱিত কৰিবলৈ বিত্তীয় পুঁজিৰ আবণ্টন কৰিবলৈ অনুৰোধ জনোৱা হওক।

## PRIVATE MEMBER'S RESOLUTION

* **শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (হস্ত তাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী) ঃ**

মাননীয় সদস্য নিজামুদ্দিন খান ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটোৰ অলপমান সংশোধন কৰি গৃহীত কৰিলে ভাল হয়। মই এই সংকল্প প্ৰস্তাৱটো সংশোধন কৰি পাঠ কৰাৰ কাৰণে মাননীয় সদস্য সকলক অনুৰোধ জনাইছো। প্ৰস্তাৱটো আছিল - আজিৰ সদনে প্ৰস্তাৱ কৰে যে অসমৰ ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠিত উদ্যোগ সমূহৰ কেইটামান যোৱা কেইবছৰ মানৰ ভিতৰত বন্ধ আৰু ৰুগ্ন অৱস্থা হোৱাৰ পৰিপ্ৰেক্ষিতত এই সমূহ পুনৰ্জ্জীৱিত কৰাৰ বাবে প্ৰয়োজনীয় পুজিৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে যোগান ধৰাৰ কাৰণে দাবী জনোৱা হওক।

ইয়াত অলপ কথা সুমাই দি প্ৰস্তাৱটো সংশোধন কৰা হৈছে। সংশোধনী প্ৰস্তাৱটো হৈছে - আজিৰ সদনে প্ৰস্তাৱ গ্ৰহণ কৰে যে অসমৰ ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠিত উদ্যোগ সমূহৰ কেইটামান যোৱা কেইবছৰ মানৰ ভিতৰত বন্ধ আৰু ৰুগ্ন অৱস্থা হোৱাৰ পৰিপ্ৰেক্ষিতত এই সমূহ পুনৰজীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থাৱলীৰ ভিত্তিত ইতিমধ্যে বিচাৰ প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে যোগান ধৰাৰ কাৰণে দাবী জনোৱা হওঁক।

গতিকে মাননীয়া উপাধ্যক্ষ মহোদয়াই এই সংশোধনী প্ৰস্তাৱটো গৃহীত কৰিব।

**Mrs. Dy. Speaker :** I now put the resolution before the House, the resolution is that,

আজিৰ সদনে প্ৰস্তাৱ গ্ৰহণ কৰে যে অসমৰ ৰাজহুৱা খণ্ডত প্ৰতিস্থত উদ্যেগ সমূহৰ কেইটামান যোৱা কেইবছৰ মানৰ ভিতৰত বন্ধ আৰু ৰুগ্ন অৱস্থা পৰিপ্ৰেক্ষিতত এই সমূহ পুনৰ্জ্জীৱিত কৰাৰ বাবে প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে যোগান ধৰাৰ কাৰণে দাবী জনোৱা হওঁক।

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (হস্ত তাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষা মহোদয়া যিখিনি সংশোধনী অনা হৈছে সেইখিনি তাত সোমাই দিয়াটো ভাল।

মাননীয় উপাধ্যক্ষা ঃ সংশোধনী সহ প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

Those are in favour of the resolution say, 'Ayes' those not in favour say 'Noes'..... 'Ayes' have it, 'Ayes' have it, 'Ayes' have it, the Resolution is passed and adopted.

Now, Resolution No. 3. I call upon Hon'ble Member Dilip Kumar Saikia to move the resolution and speak on it.

* Shri Dilip Kumar Saikia - Hon'ble Deputy Speaker, I beg to move that. বৰ্ত্তমান অসমৰ পৰা প্ৰকাশ পোৱা দৈনিক বাতৰি কাকত সমূহৰ ভিতৰত অধিক সংখ্যক বাতৰি কাকত গুৱাহাটীৰ পৰাই প্ৰকাশ পায়। কিন্তু অধিক সংখ্যক কাকতেই কৰ্ম্মচাৰীসকলক 'বাছাৱট'ৰ দৰমহা গাথনি আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰা হোৱা নাই বুলি অভিযোগ উৎখাপন হৈ আছে। সেয়ে আজি বিধানসভাই ৰাজ্য চৰকাৰক অনুমোদন জনায় যে ৰাজ্য চৰকাৰে চৰকাৰী আইন প্ৰণয়ণৰ ব্যৱস্থা কৰি ইয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। এই বিধানসভাৰ মজিয়াত এই বিষয়টো আলোচনা কৰা হৈছিল আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা ১/১/৯৯ তাৰিখে ৰাজহুৱা মিটিঙত ঘোষণা কৰিছিল যে আৰু যেতিয়া সাংবাদিকসকলক লগ কৰিছিল তেতিয়াও কৈছিল যে 'বাছাৱট'ৰ দৰমহা গাঁথনিৰ যিখন আইন সেই আইনখন অসমত প্ৰযোজ্য কৰিব লাগিব। লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত সেই আইনখন প্ৰযোজ্য কৰাৰ কাৰণে বিবেচনা কৰিম বুলি কৈছিল। আজি আমি দেখিছো বিশেষকৈ সাংবাদিক বন্ধুসকলে ডাঙৰ ডাঙৰ আখৰেৰে ৰাইজনৰ আগত বিভিন্ন ধৰণৰ বাতৰি পৰিবেশন কৰিবলৈ সক্ষম হৈছে। বিভিন্ন ধৰণৰ চৰকাৰী দুৰ্নীতিৰ কথাকেই হওক, বিষয়া কৰ্মচাৰীসকলৰ দুৰ্নীতিৰ কথাকেই হওক বা বিভিন্ন শিতানত থকা শোষণ বঞ্চনাৰ কথাকেই হওক এই সকলো বিলাক কথা সাংবাদিকসকলে বাতৰি কাকতৰ জৰিয়তে অসমৰ ৰাইজক জনাবলৈ সক্ষম হৈছে। কিন্তু অসমৰ বাতৰি কাকত গোষ্ঠীসমূহৰ ভিতৰত কেৱল মাত্ৰ 'দৈনিক অসম' বাতৰি কাকত গোষ্ঠী আৰু 'দৈনিক জনমভূমি' বাতৰি কাকত গোষ্ঠীয়েহে এতিয়ালৈকে 'বাছাৱট'ৰ দৰমহা গাঠনিৰ ভিত্তিত সা-সুবিধা প্ৰদান কৰি আছে। সেই দুখন কাকত গোষ্ঠীৰ বাহিৰে অন্যবিলাক বাতৰি কাকতগোষ্ঠীয়ে এতিয়ালৈকে আমাৰ কোনো সাংবাদিক বন্ধু সকলক 'বাছাৱট'ৰ দৰমহা গাঠনি আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰাৰ কাৰণে পৰামৰ্শ আগবঢ়োৱা হৈছে যদিও সেইটো কাৰ্য্যকৰী কৰাৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থ কৰা নাই। তেওঁলোকক মালিক গোষ্ঠীয়ে যিটো শোষণ কৰিছে সেই

★ Speech not corrected

কথাবিলাক তেওঁলোকে লিখিব নোৱাৰে। বিশেষকৈ আমি কেইখনমান বাতৰি কাকত দেখিবলৈ পাইছো, তাৰ ভিতৰত আজিৰ বাতৰি কাকতখন যোৱা ৮/৯ মাহ পৰ্যন্ত কৰ্ম্মচাৰী, সাংবাদিক বন্ধুসকলক দৰমহা নিদিয়াকৈ এতিয়াও চলাই আছে। এই 'বাছাৱট' দৰমহা গাঁথনি আইনখন প্ৰণয়ণ কৰা হোৱা নাই কাৰণেই কৰ্মচাৰী, সাংবাদিকসকলক দৰমহা নিদিয়াকৈও বাতৰি কাকত প্ৰকাশ কৰি আছে। বাতৰি কাকতত কাম কৰা কৰ্মচাৰী, সাংবাদিকসকলৰ ভিতৰত কিছুমানক পে স্কেল দিয়া নাই আৰু কিছুমানক এপইন্টমেন্ট লেটাৰ দিয়া নাই। 'অগ্ৰদূত' বাতৰি কাকতৰ ষ্টাফ ৰিপোৰ্টাৰ বিকাশ শৰ্মাই যেতিয়া 'বাছাৱট' দৰমহা গাঁথনি আইনখন ইমপ্লিমেন্ট কৰিব লাগে বুলি মালিক গোষ্ঠীৰ ওচৰত আবেদন কৰিছিল তেতিয়া তেওঁক একেদিনাই চাটাই কৰিলে। বাতৰি কাকতৰ মালিকগোষ্ঠীয়ে সাংবাদিকসকলক অধম, ভৃত্য, চাকৰৰ দৃষ্টিৰে চায়। চৰকাৰে এটা সিদ্ধান্ত ল'ব লাগে তেখেত সকলৰ প্ৰাপ্যখিনি পোৱাৰ কাৰণে। যি সময়ত ভাৰতবৰ্ষত দৰমহা গাঁঠনি ইতিমধ্যে কাৰ্য্যকৰী হৈছে সেই সময়ত আমাৰ অসমত সাংবাদিক সকলে দৰমহা পোৱা নাই। যি সময়ত ট্ৰিবিউন গোষ্ঠীয়ে এই কথাটো বিবেচনা কৰি আছে সেই সময়ত বিভিন্ন গোষ্ঠীৰ কাকতসমূহ যেনে, অগ্ৰদূত গোষ্ঠী, প্ৰতিদিন গোষ্ঠী আদিয়ে ফিক্স পেৰ কাৰণে বগা কাগজত ৰেভিনিউ ষ্টাম্প দি appointment দিয়ে। যি সময়ত বিভিন্ন বাতৰি কাকতসমূহ কৰ্ম্মচাৰী সকলক অসমৰ ৰাইজে জানে সেই সময়ত সাংবাদিক সকলৰ কাৰণে মাত মতাৰ কাৰো অধিকাৰ নাই। তেখেতসকলক প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে। বিশেষ কে নৰ্থ ইষ্ট দেইলিয়ে কিমান টকা দিয়ে? ১২ শ টকা ফিক্সড পেৰে গুৱাহাটীৰ নিচিনা চহৰত চলিব পাৰেনে? তেখেতসকলে হাউচ ৰেন্ট নেপায়। মাননীয় সদস্য ফণীভূষণ চৌধুৰীৰ লগত এখন মিটিংত বহিছিল।

Proceeding of the Committee for monitoring of the implementation of the Bachawat Award held on 30.10.98 in the conference room of the Assam Tea Employees' Welfare Board, Ganeshguri, State Govt. constituted this Committee for monitoring the award........

গণেশগুৰিত এখন সভা হৈছিল। মই গোটেইখিনি নেগাওঁ, মাননীয় সদস্যসকল ভৰত নৰহ, হেমেন দাস আদিয়ে ক'ব। কিন্তু এটা কথা হ'ল — কমিটিখনৰ আসাম ট্ৰিবিউন গোষ্ঠীৰ চিনিওৰ মষ্ট অজিত - ডাঙৰীয়া সভাপতি গিৰীশ মেধি জেনেৰেল চেক্ৰেটাৰী, বিভিন্ন সময়ত বিভিন্ন ঠাইলৈ যাবলৈ কৈছিল। চেন্টিনেল গোষ্ঠীৰ বৰ্ত্তমান যিজন জেনেৰেল মেনেজাৰ আছে, তেওঁ অৱসৰ প্ৰাপ্ত ডেপুটি চেক্ৰেটাৰী, পে পায়, অনাৰেৰিয়াম পায়। বাতৰি গোষ্ঠীৰ এজন সাংবাদিকে ৰিপৰ্ট কৰি প্ৰকাশ কৰে আজিৰ অসমত। মালিক গোষ্ঠীৰ পক্ষত আমি নাই, আমি সাংবাদিক সকলৰ লগত

আছো। আমি আশা ৰাখিছো ......

দ্বিতীয়তে All the newspapers owner will pay wages in terms of Bachawat Award. For this purpose, they will themselves determine the class and will pay on the basis of gross revenue earned by them with effect from 1.9.89. All the Newspapers will report compliance to Govt. The Labour & Employment Deptt. will move the Govt. in case those Newspapers fail to implement the same......

অসম চৰকাৰৰ বিজ্ঞাপনৰ ওপৰত বাতৰি কাকতবিলাক চলি আছে। অসম চৰকাৰে বিজ্ঞাপন নিদিলেও বাতৰি কাকত চলি থাকে। অসম চৰকাৰে আসাম ট্ৰিবিউনক ২.৪৫ লাখ টকা দিবলৈ আছে, তথাপি আসাম ট্ৰিবিউন, আজিৰ অসম, প্ৰতিদিন আদি বন্ধ হৈ যোৱা নাই। চৰকাৰৰ এই সিদ্ধান্তই কাকত গোষ্ঠীৰ নোম এডালো লৰাব নোৱাৰে। ইয়াৰ পিচত বিজ্ঞাপন বন্ধ কৰি দিয়াৰ কথা যিটো কৈছে সেইটোৱেও একো কৰিব নোৱাৰে। ৮/৯ মাহ দৰমহা পোৱা নাই বাতৰি কাগজ চলি আছে। গতিকে যিখন আইন প্ৰণয়ণ কৰিছে এইখন প্ৰণয়ণ কৰাৰ কাৰণে চৰকাৰে তৎকালীন ব্যৱস্থা ল'ব লাগে। তেখেতসকলৰ যিখিনি প্ৰাপ্য দিব লাগে। নহলে বিভিন্ন সময়ত তেখেতসকলক শোষণ কৰা হৈছে, তেখেতসকলে মালিক গোষ্ঠীৰ বিপক্ষে যাব নোৱাৰে, গলে ৰাতিটোৰ ভিতৰতে ছাটাই হব। বাতৰি গোষ্ঠীৰ মালিক গোষ্ঠী মানে কি? গাড়ীত ৰঙা আখৰেৰে প্ৰেছ বুলি লিখে, কিতাপ ছপা কৰা মানুহেও প্ৰেছ বুলি লিখে। সেই কাৰণে মই কওঁ কেইটামান সিদ্ধান্ত লব লাগে।

জি. এল. পাব্লিকেশ্বনৰ কেইখনমান কাগজ আছে, নৰ্থ ইষ্ট দেইলি

আমি আশা ৰাখিছো আজিৰ এই সদনে সৰ্ব্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যেন চৰকাৰে অতি সোনকালে বাচাৱাট কাৰ্য্যকৰী কৰিবলৈ এখন অধ্যাদেশ জাৰী কৰি সেই অধ্যদেশ পৰৱৰ্ত্তী বিধানসভাত আইনত পৰিণত কৰে। আমি দেখি আহিছো যে সাংবাদিক বন্ধুসকলক সকলো সময়তে শোষণ কৰি আহিছে এই সংক্ৰান্তত মোৰ হাতত বহুত কাগজ পাতি আছে মই বেছি দীঘলীয়া কৰিব খোজা নাই কাৰণ বিধানসভাৰ মাননীয় সদস্যসকলে এই বিষয়ে কব। বাছাৱটৰ কথা আহিলে নিশ্চয় মনিসেনা আয়োগৰ কথাও আহিব। আজি বাতৰি কাকতৰ মালিক পক্ষই সত্য হওক বা নহওক অমুক বাতৰিটো লিখিবলৈ বাধ্য কৰায় তেওঁলোকে শ্ৰুতিলিপি দিয়ে। ভৱিষ্যতে যাতে এই সাংবাদিক বন্ধুসকল আৰু অধিক শোষণৰ বলি নহয় তাৰ কাৰণে এই বেচৰকাৰী প্ৰস্তাৱটো দল নিৰ্বিশেষে গ্ৰহণ কৰিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* ভৰত নৰহ ঃ মাননীয় উপাধ্যক্ষা মহোদয়া মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াই

★ Speech not corrected

অনা বেচৰকাৰী প্ৰস্তাৱটো মই তথা আমাৰ কংগ্ৰেছ দলৰ ফালৰ পৰা সমৰ্থন জনাইছো। ইয়াৰ আগতেওঁ এই বিষয়ে বিতৰ্ক হৈছিল আৰু তেতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল কি কি অসুবিধা আছে। বাছাৱট প্ৰতিবেদনত সাংবাদিকসকলৰ কাৰণে কি সা সুবিধা আছে সকলোৱে জানে। মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াই সদায়ে কয় যে তেওঁ মালিক পক্ষত নাই সাংবাদিক পক্ষত আছে এই কথাটো আমি আগতেও শুনিছো। কিন্তু শইকীয়া বা আমি যি পক্ষত নাথাকো কিয় প্ৰশ্ন হ'ল মাননীয় মুখ্য মন্ত্ৰী বা শ্ৰম মন্ত্ৰী কোন পক্ষত আছে সেইটোহে আচল কথা কাৰণ ইয়াক ইম্প্লিমেন্ট কৰা পাৰাৰ আমাৰ হাতত নাই আছে মাত্ৰ তেখেতসকলৰ হাতত। সাংবাদিক সকলক ৰক্ষণাবেক্ষন দিয়াৰ দায়িত্ব চৰকাৰৰ হাতত। শ্ৰী দিলীপ শইকীয়াই সাংবাদিকৰ যি অধিকাৰ সেই অধিকাৰক ৰক্ষণা বেক্ষন দিয়াৰ কাৰণেই এই প্ৰস্তাৱ আনিছে। আজি ৪ বছৰ হ'ল সাংবাদিকৰ অধিকাৰ ৰক্ষা কৰাত কি অসুবিধা আছে শ্ৰম মন্ত্ৰীয়ে কৈ গৈছে যাৰ কাৰণে আজি আকৌ এই বেচৰকাৰী প্ৰস্তাৱ আনিবলগীয়া হৈছে। যোৱা কালি চৰকাৰৰ ফালৰ পৰা টকা জমা লোৱা বেপেৰুৱা অনুষ্ঠান বিলাকৰ নিয়ন্ত্ৰণৰ কাৰণে আৰু লটাৰী নিষিদ্ধ কৰণৰ কাৰণে প্ৰস্তাৱ ও আইন কৰিবলৈ লৈছে বিল আনিছে কিন্তু সাংবাদিকক ৰক্ষণাবেক্ষণ দিবলৈ কিয় বিল আনিব নোৱাৰে তাত কি অসুবিধা আছে। অধ্যাদেশ অৱশ্যে এতিয়া দিব নোৱৰে কাৰণ বিধান সভা চলি আছে। কিন্তু সংসদী পৰিক্ৰমা মন্ত্ৰী বা শ্ৰম মন্ত্ৰীয়ে সদন শেষ হোৱাৰ পাছত এনেধৰণৰ অধ্যাদেশ জাৰি কৰিম বুলি আজি কথা দিয়ক আৰু তাৰ পিছত বিধান সভাত তাক ৰেগুলাৰ কৰিব লাগিব। মই চৰকাৰক অনুৰোধ কৰিছো আপোনালোক প্ৰতিশোধ পৰায়ন নহব। মই যেতিয়া সেই দলত আছিলো তেতিয়া ইমান প্ৰতিশোধ পৰায়ণ নাছিলো। কিন্ত এ জি পি দ্বিতীয়বাৰ পাৱাৰত অহাৰ পিছত প্ৰতিশোধ পৰায়ণ হোৱা পৰিলক্ষিত হৈছে। তেওঁলোকে আগতে এনে ধৰণৰ আইন আনিব লাগিছিল। গতিকে সাংবাদিক সকলৰ স্বাৰ্থ ৰক্ষা কৰাৰ ক্ষেত্ৰত সংসদী পৰিক্ৰমা মন্ত্ৰী আৰু শ্ৰম মন্ত্ৰীয়ে পজিটিভ উত্তৰ দিয়ক ইয়াকে কামনা কৰি মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

* **হেমেন দাস ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে তাক সমৰ্থন কৰি দুষাৰমান কবলৈ ওলাইছো। আমাৰ দেশত গণতান্ত্ৰিক ব্যৱস্থা চলি আছে। গণতন্ত্ৰ ৪ টা স্তম্ভৰ ওপৰত ঠিয়হৈ আছে। এই চাৰিটা স্তম্ভৰ ভিতৰত ইও এক স্তম্ভ। কিন্তু এই চাৰিটা স্তম্ভই থৰক বৰক হৈছে। সাংবাদিক সকলে চতুৰ্থ স্তম্ভৰ তলত থাকি নিজৰ ঘৰতে গণতন্ত্ৰৰ প্ৰহৰী হিচাবে দায়ীত্ব পালন কৰিবলগীয়া হৈছে। তেওঁলোকক আজি জীয়াই থকাৰ কাৰণে অৰ্থৰ প্ৰয়োজন কিন্তু সেইখিনি নাপায়।

মাননীয় উপাধ্যক্ষা মহোদয়া, বৰ্তমান প্ৰশাসন ব্যৱস্থাই হৈছে সামন্তবাদী ৰজা মহাৰজাৰ

নিচিনা। যাক যি দিছে তাকে ল'বই লাগিব। এইটো দেখুউৰাটো দুৰ্ভাগ্যজনক অৱস্থা। মই এজন সাংবাদিকক শুধিছিলো যে দৰমহা কিমান পোৱা, ৫০০০ টকা মান পোৱানে নাই। তেই কলে নাপাও দাদা। ১০-১২ বছৰৰ পিচতহে হেনো সিমান হ'বগৈ। এই অৱস্থাৰ অৱসান ঘটোৱাৰ সপক্ষে আজি সদনে থিয় দিব লগা হৈছে। ইয়াৰ প্ৰয়োজন আছে। মালিক শ্ৰেণী মালিক হৈ আছে। সাংবাদিকসকল তেওঁলোকৰ বলি হ'বলগীয়া হৈছে। মালিকে যিমানেই কমকৈ দিব পাৰে সিমানেই মালিকৰ লাভ। সাংবাদিক সকলৰ হাতত ক্ষমতা আছে, কিন্তু তেওঁলোকে সেই ক্ষমতা প্ৰয়োগ কৰা নাই। সমগ্ৰ ভাৰতবৰ্ষতে ইন্ডাষ্ট্ৰিয়েল ষ্ট্ৰাইক হয়। বিভিন্ন চৰকাৰী বে-চৰকাৰী কৰ্মচাৰী সকলে ধৰ্ম্মঘটৰ মাধ্যমেদি নিজৰ দাবী আদায় কৰি আছে। কিন্তু সাংবাদিক সকলে ধৰ্মঘট কৰাৰ ফলত কোনো এদিনো প্ৰচাৰ মাধ্যম বন্ধ হৈ থকা দেখা নাই। তেওঁলোকেও আন্দোলন কৰাটো উচিত। সামন্তবাদী ব্যৱস্থাৰ সংশোধন কৰিব লগা হৈছে। আজি মানুহৰ মানবীয়তা মূল্যবোধ নাইকীয়া হৈছে। সেই কাৰণে কলম বন্ধ কৰিব লাগে। সাংবাদিকতাৰ লগত জৰিত বন্ধু সকলক আহ্বান জনাইছো তেওঁলোকে ইন্ডাষ্ট্ৰিয়েল লেবাৰ নহয় বুলি ভাৱে। কিন্তু ইন্ডাষ্ট্ৰিয়েল লেবাৰতকৈ আধা সুবিধাও পোৱা নাই। তেওঁলোকক দেখিলে দুখ লাগে। বাছাৱাত অনুমোদনাৱলী কেতিয়াবাৰ পৰাই পৰি আছে। দুই এক সংবাদ পত্ৰৰ মালিকৰ প্ৰতি শ্ৰদ্ধা আছে। এই ক্ষেত্ৰত ট্ৰিবিউন গোষ্ঠীৰ কথা ক'ব পাৰি। ট্ৰিবিউন গোষ্ঠীত কাম কৰিবলৈ সকলো সাংবাদিকে যাব বিচাৰে। ট্ৰিবিউন গোষ্ঠীয়ে অন্ততঃ মানুহ হিচাবে জীয়াই থকাৰ সুযোগ-সুবিধা দিছে। তাত তেওঁলোকে প্ৰাণ খুলি কাম কৰিছে। বাকী বিলাক সংবাদ পত্ৰও বিক্ৰী হয়, মানুহে পঢ়ে, মালিকৰ লাভ হয়। কিন্তু তেওঁলোকৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশহে সাংবাদিক সকলে পায়। বেলেগ কাগজৰ চাৰ্কুলেচনো বেচি হয়। এইবিলাক মালিকৰ দ্বাৰা হোৱা নাই। ডেকা সাংবাদিকে পৰিবেষণ কৰা উত্তেজনাপূৰ্ণ বাতৰিৰ কাৰণেহে এই চাৰ্কুলেচন হৈছে। ইয়াৰ লাভাংশ পাইছে মালিক পক্ষইহে। সাংবাদিক সকলে নিজৰ ল'ৰা-ছোৱালীকে ভালকৈ ভৰণ-পোষণ দিব পৰা নাই। তেওঁলোকৰ জীৱন যন্ত্ৰণাময় হৈছে। সংবাদ পত্ৰই অকল যে ইনফৰমেচন দিয়ে এনে নহয় ই ভাষা সাহিত্যৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ লগতে বিজ্ঞানৰো বিভিন্ন আলোচনা এই সংবাদ পত্ৰই আনি দিছে। এই সাংবাদিক বিলাকে আজি ধৰ্ণা দিবলগীয়া হৈছে। তেওঁলোকৰ সপক্ষে আজি বিধানসভাত প্ৰস্তাব উত্থাপন কৰিবলগীয়া হৈছে। আজি আমি এইটো গ্ৰহণো কৰিম। অন্ততঃ মালিক শ্ৰেণীটোক আইনৰ যোগেদি আইনৰ গন্দিৰ ভিতৰত আনি ৰখাৰ চেষ্টা কৰক। সেই কাৰণে কৈছো ৰাজ্য চৰকাৰে আইন প্ৰণয়ণ কৰি তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লবলগীয়া হৈছে। আইন থাকিলে সুযোগ সুবিধা আদায় কৰি ল'ব পাৰি। চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰাৰ লগে লগে আইন প্ৰণয়ণ কৰক। অসমত এইটো এটা লাভজনক উদ্যোগ। লাভ হোৱা কাৰণেহে সদায় নতুন কাগজ ওলাই আছে। যি সকল ব্যক্তি ইয়াৰ

★ Speech not corrected

লগত জৰিত আছে তেওঁলোক সন্মান সহকাৰে জীয়াই থাকিব, ইয়াৰ এটা ব্যৱস্থা কৰাৰ কাৰণে আইনৰ প্ৰয়োজন। সংগ্ৰাম আমি কৰিবই লাগিব। আমি সংগ্ৰাম কৰিলেই নহ'ব। সংবাদ পত্ৰৰ লগত জৰিত সকলেও কৰিব লাগিব। নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ কাৰণে নিজে সংগ্ৰাম নকৰিলে আনে কৰিব নোৱাৰে। ইয়াত আইন হওঁক আৰু বাহিৰত তেওঁলোকৰ কলম বন্ধ হওঁক। অসমত ৭ দিন সংবাদ পত্ৰ বন্ধ হওক কি হয় চোৱা যাওঁক। আমিও তেওঁলোকৰ লগত আছো। ত্যাগ নকৰিলে পৃথিৱীত একো বস্তুৱেই নাপায়। আমেৰিকাত প্ৰান দিবলগীয়া হৈছে আৰু তাৰ বিনিময়ত আমাৰ ইয়াত শ্ৰমিকে দৰমহা পাইছে। আমি সাংবাদিক সকলক আবেদন কৰিছো তেওঁলোক আন্দোলনৰ পথলৈ ওলাই আহক। এই প্ৰস্তাৱ গ্ৰহণ কৰি আৰু চৰকাৰে অধ্যাদেশ জাৰি কৰি আইনলৈ ৰূপান্তৰিত কৰাৰ ব্যৱস্থা হাতত লওঁক। কেইজনমান মালিকৰ খেয়াল-খুচিৰ ওপৰত আমাৰ যুৱ সাংবাদিকক এৰি দিব নোৱাৰো। গতিকে এই প্ৰস্তাৱত সমৰ্থন জনাইছো আৰু আশা ৰাখিছো মাননীয় সকলো সদস্যই ইয়াত সমৰ্থন জনাব। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীমুনিন মহন্ত ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি এই সদনত মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেইটো আমি আমাৰ ফালৰ পৰা সমৰ্থন কৰিছো। এই বিধানসভাৰ জৰিয়তে ইয়াৰ আগেয়ে এই প্ৰশ্নটো উত্থাপন কৰা হৈছিল। বিধান সভাৰ বাহিৰতো সাংবাদিক বন্ধু সকলে বিভিন্ন সময়ত চুড়ান্ত পৰ্য্যায়ৰ নকৰিলেও গণ আন্দোলনৰ মাজেদি শোভাযাত্ৰা, আন্দোলন সংগঠিত কৰিছে। চৰকাৰৰ বাচাৱত অনুমোদনাৱলীৰ দা-দৰমহাৰ যি সুবিধা সেইবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে বিধান সভাত আলোচনা হোৱাৰ পিচতো মাননীয় শ্ৰম মন্ত্ৰীৰ লগত যি আলোচনা হৈছিল তাৰ পিচত এই ক্ষেত্ৰত যি নিৰ্দ্দেশ দিয়া হৈছিল তাৰ পিচতো এইবিলাক সংবাদ পত্ৰই গুৱাহাটীত থকা স্বত্তেও মাত্ৰ গুৱাহাটীৰ পৰা প্ৰকাশিত এটা গোষ্ঠীৰ বাহিৰে বাকী বিলাকে এই অনুমোদনাৱলী কাৰ্য্যকৰি নকৰিলে। আমাৰ প্ৰশাসন যন্ত্ৰৰ যিসকলে এই সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ কাৰণে মুলতঃ দায়িত্ব ল'ব লাগে তেখেতসকলে নিৰৱ হৈ থকাটো সঁচাকৈ দুখজনক। এই ক্ষেত্ৰত চৰকাৰৰ বিফলতা তেখেতসকলে স্বীকাৰ কৰিব লাগিব। সাংবাদিক সকলৰ যে অসুবিধা হৈছে সেই সম্পৰ্কে আমি সকলোৱে জানো। আমি লগে লগে এই কথাও জানো যে যিসকলে সংবাদপত্ৰৰ কৰ্মচাৰীক কেন্দ্ৰীয় চৰকাৰৰ দৰমহা নিদিয়াৰ কাৰণে অনবৰত তেওঁলোকৰ অধিকাৰ খৰ্ব কৰা হৈছে বুলি উত্তেজিত পৰিবেশ তৈয়াৰ কৰিছে সেয়ে সংবাদ পত্ৰৰ মালিক পক্ষই বাচৱাত কমিটিৰ অনুমোদনাৱলী কাৰ্য্যকৰী নকৰাকৈ কি যুক্তিত অন্যান্য কৰ্মচাৰীসকলক সমস্যালৈ তুলি ধৰি কৰ্মচাৰী সকলৰ দৰদী হৈ সমস্যাৰ সৃষ্টি কৰিছে। আমি সেই কাৰণে অহা সময়চোৱাত অসমৰ চৰকাৰৰ দায়িত্বত যি সকল আছে বিশেষ কৈ সংসদী পৰিক্ৰমা মন্ত্ৰী, শ্ৰম মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে এই কাৰ্য্যাৱলী

কৰাৰ কাৰণে এই বিধানসভাৰ পিচতে এখন 'অৰ্ডিনেন্স' অনাৰ কাৰণে যি প্ৰস্তাৱ উত্থাপন হৈছে তাক মই সমৰ্থন জনাইছো আৰু অহা বিধান সভাৰ লগে লগে এখন আইন প্ৰণয়ণ কৰি যেনেকৈ অন্যান্য ব্যক্তিগত খণ্ডত প্ৰস্তাৱ কৰিছে যি তেনেকৈ এই বাচাৱত আয়োগৰ অনুমোদনাৱলী পালন কৰে আৰু যিবিলাকে বিৰোধীতা কৰে তাৰ ব্যৱস্থা ল'ব পাৰে তাৰে প্ৰতিশ্ৰুতি বিচাৰিছো আৰু যাতে আজিৰ সদনতে এই প্ৰস্তাৱটো গ্ৰহণ হয় তাৰ বাবে আহ্বান জনাইছো। মালিক পক্ষই যে এইবিলাক কাৰ্য্যকৰী নকৰে তাৰ বহুতো দৃষ্টান্ত আমাৰ ৰাজ্যত আছে। এই সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ কাৰণে সদনৰ বাহিৰতো কাৰ্য্যকৰী কৰাৰ কাৰণে সাংবাদীক বন্ধু সকলে জংগী পদক্ষেপ গ্ৰহণ কৰিব পাৰে আৰু আমাৰ ৰাইজৰ প্ৰতিনিধি সকলো যাতে থাকে। এই সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ কাৰণে প্ৰস্তাৱটো সমৰ্থন জনাই মোৰ বক্তব্য সামৰণী মাৰিছো।

* **শ্ৰীহলিৰাম টেৰণ** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজিৰ সদনত যিটো প্ৰস্তাব আনিছে বাতৰি কাকতত কাম কৰা সাংবাদিক সকলক উচিত দৰমহা পোৱাৰ বাবে এই প্ৰস্তাৱত কোনোৱে বিৰোধীতা নকৰিব। নীতিগত অৱস্থাৰ পৰাই হওক বা অন্য ৰাজনৈতিক পক্ষৰ পৰাই হওক স্বাভাৱিকতে এই প্ৰস্তাৱটো সকলোৱে সমৰ্থন জনাব। এফালেদি এনেধৰণে আজিৰ দিনতো ভাৰতবৰ্ষৰ স্বাধীন হোৱা ৫০ বছৰৰ পিচতো সাংবাদিকসকলে উচিত দৰমহা নাপায় তাৰ কাৰণে বিধানসভাত প্ৰস্তাৱ আনিব লগা হৈছে আৰু সকলোৱে আলোচনা কৰিব লগা হৈছে ইয়াতকৈ দুখৰ কথা একো নাই। আমি সকলোৱে দাবী কৰো এইটো এটা গণতান্ত্ৰীক দল গণতান্ত্ৰীক দেশত সকলোৱে উন্নতিৰ কাৰণে শ্ৰমৰ এটা মূল্য পাব পাৰে। যি কোনো শ্ৰমিকে - হোৱাইট বা ব্লুজৰেই হওক সকলোৱে শ্ৰমৰ মূল্য পাব লাগে। যিটো আমি আলোচনা কৰিছো। এখন গণতান্ত্ৰীক দেশত বাতৰি কাকতৰ বহুতো অৰিহণা থাকে - তাৰ বাবেই আমাৰ গণতন্ত্ৰ জীয়াই আছে। এই গণতন্ত্ৰ জীয়াই থকা কাৰণে শ্ৰমিক সকলে যদি উচিৎ মূল্য নাপায় তেনেহলে এই গণতন্ত্ৰ বাচি থকাতো বিপদজনক। এই বিলাক কথাৰ বাবে দেশৰ বিভিন্ন ঠাইৰ পৰা বিভিন্ন ধৰণৰ দাবী আহিছে সেই কাৰণে ভাৰত চৰকাৰে বাচাৱত কমিতি গঠন কৰি দিছিল। ইয়াৰ দ্বাৰা দৰমহাৰ গাঠনী থিক কৰি দিছিল। ইয়াৰ আগতে পালেৰ্কাৰ এৱাৰ্ড আছিল - গুৱাহাটী ট্ৰিবিউন গোষ্ঠীয়ে এই পাৰ্লেকাৰ এৱাৰ্ড কাৰ্য্যকৰী কৰিছিল। বিৰোধী দলৰ মাননীয় সদস্য সকলে এই প্ৰস্তাৱটোত অনুমোদন জনাইছে। এইটো ক'বলৈ হ'লে যিহেতু শাসক দলৰ পৰা প্ৰস্তাৱটো আহিছে স্বাভাৱিকতে অসম চৰকাৰে ইয়াক সমৰ্থন নজনোৱাৰ কোনো কথা নাই। এফালেদি আন এটা কথা হৈছে - এই বিধান সভাতে ইয়াৰ আগতে আলোচনা কৰিছে আৰু এই আলোচনা ভিত্তিতে অসম চৰকাৰে সেইটো কাৰ্য্যকৰী কৰাৰ প্ৰচেষ্টা চলাইছে কিন্তু কাৰ্য্যকৰী নহ'ল। এতিয়া অসম চৰকাৰে ব্যৱস্থা ল'ব লাগিব। সেই কাৰণে মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ

★ Speech not corrected

শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাম। তাৰ বাহিৰেও অসম চৰকাৰৰ হাতত যি ক্ষমতা আছে তাৰ যোগেদি বাতৰি কাকতৰ মালিক সকলক অসম চৰকাৰে এটা কঠোৰ পদক্ষেপ লোৱাটো বিচাৰিছো আৰু সাংবাদিক সকলেও কঠোৰ সংগ্ৰাম চলোৱাৰ প্ৰয়োজন আছিল। মালিকসকলে বিভিন্ন ধৰণে ভাগ ভাগ কৰাৰ প্ৰচেষ্টা চলাইছে। সকলো সাংবাদিক যাতে এক গোট হ'ব পাৰে তাৰ বাবে আমিও একতা প্ৰকাশ কৰিছো আৰু তেওঁলোকৰ যি অৱস্থা হৈছে এইটো অসম চৰকাৰে গভীৰভাৱে চিন্তা কৰি এই আইন খন প্ৰস্তুত কৰিব লাগে। ইয়াকে কৈ মোৰ বক্তব্য সামৰণী মাৰিছো।

* **দেৱকান্ত ৰামছিয়াৰী** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি এই পবিত্ৰ সদনত মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াই এটা ভাল প্ৰস্তাৱ আনিছে। তাৰ সমৰ্থনত মই দুআষাৰ মান বক্তব্য দাঙিব খুজিছো। এদিনাখনৰ কথা মই সময় আৰু তাৰিখ পাহৰিছো ল'ৰা এজন আহিছিল আৰু মোক ক'লে যে মই নগাওঁ যাম কেটিমান টকা লাগিছিল বাছৰ ভাড়া দিবৰ বাবে। ল'ৰাজনক মই চিনি পোৱা নাই। মই ক'লো মই মাহে মাথো তিনি হাজাৰ নশ টকা পাওঁ। স্কুলত ল'ৰা ছোৱালীক মাচুল দিব লাগে, গাড়ীত তেল ভৰাব লাগে, পৰিয়াল পোহলপাল দিব লাগে ইত্যাদি ইত্যাদি কাম এই কেইটা টকাৰ পৰাই। এইটোৱে মোৰ অৱস্থা। তথাপি কিমান মান টকা দিলে হ'ব বুলি সুধিলো তেতিয়া ল'ৰাজনে ক'লে যে দুশমান টকা হ'লে হ'ব। পকেটত সেইখিনিয়ে টকা আছিল দি দিলো। যোৱাৰ সময়ত কৈ গ'ল তেওঁ হেনো এখন বাতৰি কাকতৰ সাংবাদিক আজি সাংবাদিকৰ এই অৱস্থা। গতিকে দেখা গ'ল বাতৰি কাকত গোষ্ঠীয়ে বাছাৱাট ৰিকমেণ্ডছনৰ হাৰত সাংবাদিক বিলাকক দৰমহা দিয়া হোৱা নাই। গতিকে এখন আইন হোৱাৰ পিছত ৰক্ষণা বেক্ষণ দিয়াৰ দায়িত্ব চৰকাৰৰ হাতত ল'ব লাগে। মালিক পক্ষক ভয় কৰি বহি থাকিলে নহ'ব। সাংবাদিক সকলৰ ওপৰতে এখন বাতৰি কাকতৰ মানদণ্ড নিৰ্ভৰ কৰে। আজি প্ৰায় এদিনত ৭০ হাজাৰৰ পৰা প্ৰায় ১ লাখ প্ৰতি বাতৰি কাকত গোষ্ঠীৰ বাতৰি কাকত বজাৰত ছাৰকুলেট কৰা হয়। এতিয়া প্ৰতিখন দৈনিক বাতৰি কাকতৰ এখনৰ দাম দুই টকাৰ ওপৰত এতিয়া মাহত কিমান টকা মালিক পক্ষই পায় সহজেই অনুমান কৰক। বিভিন্ন খৰছ অৱশ্যে আছে। তথাপি সাংবাদিক সকলৰ দৰমহাটো প্ৰথমে গুৰুত্ব দিব লাগে। গতিকে যিসকল মালিক গোষ্ঠী বাছাৱট ৰিকমেণ্ডচনৰ নিৰিখত দৰমহা দিয়া নাই চৰকাৰে চোকা নিৰ্দ্দেশ জাৰি কৰিব লাগে। প্ৰয়োজন হ'লে আইন প্ৰণয়ণ কৰিবৰ কাৰণে বিল উত্থাপন কৰক আৰু আইন প্ৰণয়ণ নোহোৱালৈকে অৰ্ডিনেন্স জাৰি কৰি হ'লেও সাংবাদিক সকলক বাছাৱট ৰিকমেণ্ডচনৰ মতে দৰমহা দিওৱাৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰৰ ওচৰত দাবী জনোৱা হ'ল।

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ ডাঙি ধৰিছে মইয়ো সকলোৰে লগত একমত হৈ দুষাৰ ক'ব খুজিছো। আজি

অসমৰ জন জীৱনৰ যিটো খবৰ কাগজ উদ্যোগ, এই খবৰ কাগজৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ১৯৮৬ চনৰ 'বাছাৱাট' আয়োগৰ দৰমহা গাঁঠনি সম্পৰ্কে উত্থাপন কৰিছিল। আজি সঁচাকৈ দুৰ্ভাগ্যৰ কথা যে ১৪ বছৰ উকলি যোৱাৰ পিচত এই উদ্যোগৰ মালিক পক্ষই এতিয়ালৈকে বাছাৱাট দৰমহা আয়োগৰ প্ৰতিবেদন মতে দৰমহা দিয়া নাই। সেই দৰমহা আয়োগে যিখিনি তেওঁলোকক দিছিল, এতিয়ালৈকে কাৰ্য্যকৰী কৰা নাই। এটা কথা দেখা গৈছে যে অসমৰ বাতৰি কাকত উদ্যোগ দেশৰ লগত সম্পৰ্ক ৰাখি উন্নতি কৰিছে। পিচপৰি থকা নাই। আজি অসমৰ কেইজন খবৰ কাগজৰ সংবাদিক ওলাইছে? এই সকলো ক্ষেত্ৰতে তেওঁলোকক বিমুখ কৰিছে। তেওঁলোকৰ শ্ৰমিকৰ দা-দৰমহা আছে। এই দৰমহা নিদিয়াকৈ আছে। এজন শ্ৰমিক কৰ্মচাৰীয়ে নুন্যতম দৰমহা ১৮ শ টকা পায়। অসমৰ বাতৰি কাকত উদ্যোগৰ ভালেমান সাংবাদিক কৰ্মচাৰীয়ে এতিয়ালৈকে ১৮ শ টকা নাপায়। বহুত সাংবাদিক শ্ৰমিকক দৰমহা দিয়া নাই। এই ক্ষেত্ৰত শোষন চলি আছে। সেয়েহে আজি এই সদনত মই সকলোৰে লগত চোলিদাৰিটি প্ৰকাশ কৰিবলৈ বিচাৰিছো। ইতিমধ্যে আন এখন ফেডাৰেশ্বন হ'ল, তাৰ পিচত অল আসাম প্ৰেছ কৰোচপোনডেন্স ইউনিয়ন আৰু খবৰ কাগজ গোষ্ঠী কৰ্মচাৰী সাংবাদিক সকলে আন্দোলনৰ পথ লৈছিল। আমি আশা ৰাখিছো এই সকলৰ স্বাৰ্থ সুৰক্ষাৰ কাৰণে বিধান সভাৰ পৰা তেওঁলোকৰ প্ৰতি চোলিডাৰিটি প্ৰকাশ কৰিব লাগে। আশা কৰিছো সকলো মিলি বাছাৱাট আযোগে যেনেকৈ প্ৰতিবেদন দিছে তেনেকৈ মালিক পক্ষই সেই বিলাক লাগু কৰে তাৰ কাৰণে আমি একমত প্ৰকাশ কৰিছো। আশা কৰিছো আজি সদনত এই প্ৰস্তাৱটো সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰিব। ধন্যবাদ।

* **শ্ৰীহেমন্ত কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে, এই প্ৰস্তাৱৰ প্ৰতি আমি সম্পূৰ্ণ সমৰ্থন প্ৰকাশ কৰিছো। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ লগত জড়িত ব্যক্তি সকলৰ যি নিয়ম নীতি আছে তাক আওটাৰ মাজলৈ আনি উপযুক্ত ভাবে ৰক্ষণা-বেক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিখন বিশেষ প্ৰতিবেদন আগবঢ়াইছে সেই খন চতুৰ্থ স্তম্ভৰ লগত জড়িত। মালিক পক্ষই হওক বা অন্যান্য প্ৰতিষ্ঠান সমূহেই হওঁক ইয়াক কাৰ্য্যকৰী কৰণৰ বাবে তেখেত সকলে যথোপুক্ত ভাবে ব্যৱস্থা গ্ৰহণ নকৰাটো দুখৰ কথা। ইতিমধ্যে মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই প্ৰস্তাৱত উল্লেখ কৰিছে যে তেখেতে সকলৰ উন্নয়নৰ পৰিবেশ গঢ়ি তোলক। আন্দোলনৰ মাজেদি তেখেত সকলৰ দাবী দুবা বিলাক কাৰ্য্যকৰী কিয় হোৱা নাই সম্পৰ্কে জনসাধাৰণক অৱগত কৰক। বিভিন্ন দাবী দুবালৈ অন্যান্য প্ৰতিষ্ঠান সমূহে হওক বা শ্ৰমিক সকলেই হওঁক যি ধৰণে আগবাঢ়িছে সেই দাবী দুবা বিলাক সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণকৰক। মই ভাবো যে এই বিষয় বিলাক আন্দোলনৰ লগত জড়িত ব্যক্তি সকলে বঞ্চিত। আজি অসমৰ বহুত কেইখন বাতৰি কাকত পৰিচালনা হৈছে।

★ Speech not corrected

ইয়াৰ অধিক প্ৰচলন আমাৰ সমাজতে ৰাখিছে, বাহিৰত নহয়। যদি ইয়াক ব্যৱসায়ীক মনোভাবৰ লগত পৰিচালনা কৰা যায় বা আৰ্থিক ভাবে লাভজনক দৃষ্টিভঙ্গীৰ জৰিয়তে চোৱা যায়, নিশ্চয় চতুৰ্থ স্তম্ভ কৰ্মচাৰীৰ লগত জড়িত। এই সকলো আপত্তি তেখেত সকলৰ বাছাৰাট আয়োগৰ লগত জড়িত কৰি তেখেত সকলক সেই ধৰণে দৰমহা দিবলৈ আগবাঢ়ি আহিব লাগিছিল। কিন্তু দুৰ্ভাগ্যজনক কথা সেই পৰিস্থিতি হোৱা নাই। সেয়ে আজি সদনৰ মজিয়াত আলোচনা কৰিবলৈ বহিছো।

উপাধ্যক্ষা মহোদয়া, মালিক পক্ষৰ ফালৰ পৰা এনে কিছুমান সময়ত পৰ্য্যালোচনা কমিটী কৰি দিয়া দেখা যায়। কিন্তু সিবিলাকৰ কাম কাজ বৰ সন্তোষজনক নহয়। সেই কাৰণে মই ক'ব বিচাৰিছো যে চৰকাৰৰ পক্ষৰ পৰা সদনত এটা প্ৰস্তাৱ লৈ সেইটো কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আগবাঢ়িব লাগে। বৰ্তমান আমাৰ এই সাংবাদিক সকলৰ ক্ষেত্ৰত আৰু বাতৰি কাকতৰ মালিক পক্ষৰ লগত দুটা প্ৰস্তাৱ কাৰ্য্যকৰী কৰিব লগা আছে। বৰ্তমান বাছাৱট কমিটীৰ কাৰ্য্যাৱলী কাৰ্য্যকৰী কৰা হোৱা নাই। কিয় হোৱা নাই মই নাজানো। যদি সৰ্বাধিক প্ৰচাৰ হোৱা বিভিন্ন বিশেষ বাতৰি সমূহ প্ৰচাৰ হ'ব লাগে তেতিয়া হ'লে বৰ্তমান এই প্ৰস্তাৱৰ লগত জৰিত বিভিন্ন কাকত আৰু সংগঠনক জৰিত কৰি বাচাৱাট কমিটীৰ পৰামৰ্শৱলী কাৰ্য্যকৰী কৰা উচিত। এইটো এটা লাভজনক উদ্যোগ হিচাপে বৰ্ত্তমান কালত সম্প্ৰসাৰিত হৈ পৰিছে। আগতে কিন্তু এইটো সেৱাৰ বৃত্তি হিচাপে লোৱা হৈছিল। কিন্তু বৰ্ত্তমান লাভজনক ব্যৱসায় হিচাপে লোৱাৰ দৃষ্টিভঙ্গী লৈছে। আমাৰ সাংবাদিক বন্ধুসকলক চাকৰিৰ বয়স ২০-৩০ বছৰ ধৰি এই সেৱাৰ প্ৰতি উপযুক্ত বৰঙণি আগবঢ়াইছে। এতিয়া বাতৰি কাকতৰ বৃত্তিটো লাভজনক হোৱাৰ কাৰণেই সাংবাদিক বন্ধু সকলৰ প্ৰাপ্যৰ ক্ষেত্ৰতো বাছাৱট কমিটীৰ পৰামৰ্শৱলী কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা লব লগা হৈছে। কিবা এটা আন্দোলন কৰিব লগা হলেও গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ এই সংবাদ মাধ্যমৰ বিষয়টো গুৰুত্বপূৰ্ণভাৱে সমুখত আহি পৰে। এই মাধ্যমৰ লগত নেতিবাচক আৰু ইতিবাচক এই দুটা দিশৰ পৰাই কাম কৰিবলৈ সাংবাদিক বন্ধুসকল মফচ্ছলীয়া বাতৰিজীৱি আৰু বাতৰি কাকতৰ মালিক পক্ষ লগতে সৰ্বসাধাৰণ ৰাইজ এই এটা সমূহীয়া বৃত্তৰ মাজত কাম সমূহ চলি থাকিব লাগিব। গণতন্ত্ৰক সুস্থভেটিত আগুৱাই নিয়া বা ব্যৰ্থ কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা অপৰিহাৰ্য্য। সেয়ে আজি এই পৱিত্ৰ সদনত সংবাদ মাধ্যমৰ ক্ষেত্ৰত যি প্ৰস্তাৱ আলোচিত কৰা হৈছে ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়াই মোৰ বক্তব্য শেষ কৰিলোঁ।

**Mrs. Dy. Speaker :** 'Now, Hon'ble Minister, Labour & Employment will reply.

* **শ্ৰী ফণী ভূষণ চৌধুৰী (শ্ৰম মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়াই অনা প্ৰস্তাৱ সংক্ৰান্তত ময়ো সদনত কব বিচাৰিছোঁ যে এই প্ৰস্তাৱটো এটা উত্তম

প্ৰস্তাৱ আৰু এইটো সদনত সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰিব লাগে। ১৯৫৫ চনৰ ওৱৰ্কিং জাৰ্নেলিষ্ট এণ্ড আদাৰ নিউজ পেপাৰ এমপ্লইজ কণ্ডিশ্যনচ এণ্ড চাৰ্ভিচ মিচিলেনিয়াচ প্ৰভিজনচ এক্টত সন্নিবিষ্ট ধাৰামতে ভাৰত চৰকাৰে সাংবাদিক আৰু অসাংবাদিক কৰ্ম্মচাৰী সকলৰ দৰমহা আৰু অন্যান্য বানচ নিৰ্দ্ধাৰণ লৈ বাছাৱট ওৱেজ বোৰ্ড গঠন কৰে। ১৯৮৯ চনৰ আগষ্ট মাহৰ কেন্দ্ৰীয় চৰকাৰে বাচাৱট ওৱেজ বোৰ্ডৰ দুৰ্দশাৱলী চৰকাৰী অধিসূচনা যোগে প্ৰকাশ কৰে। এই অধিসূচনা মৰ্মে সাংবাদিক আৰু অসাংবাদিক শ্ৰমিক কৰ্মচাৰী সকলে ১৯৮৯ চনৰ পৰাই সংশোধিত হাৰত তেওঁলোকৰ দৰ্মহা আৰু অন্যান্য বানচ পাব লাগে। কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনামতে বাতৰি কাকত সমূহক ১৯৮৪ চনৰ পৰা ১৯৮৭ চনলৈ এই তিনি বছৰৰ তেওঁলোকৰ বছেৰেকীয়া আয়ৰ ভিত্তিত দহটা শ্ৰেণী বিভক্ত কৰে। আৰু এই দহটা শ্ৰেণীৰ নিম্ন বিভিন্ন কাকত সমূহে বাচাৱট ওৱেজ বোৰ্ডৰ নিৰ্দ্দেশাৱলীক্ৰমে তেওঁলোকৰ শ্ৰমিক কৰ্মচাৰী সকলৰ দৰ্মহা আৰু অন্যান্য বানচ নিৰ্দ্ধাৰণৰ বাবে বাচাৱট ওৱেজ বোৰ্ড গঠন কৰে। ১৯৮৯ চনৰ আগষ্ট মাহত কেন্দ্ৰীয় চৰকাৰে বাচাৱট ওৱেজ বোৰ্ডৰ নিৰ্দেশাৱলী চৰকাৰী অধিসূচনাৰ যোগে প্ৰকাশ কৰে। এই অধিসূচনা মৰ্মে সাংবাদিক আৰু অসাংবাদিক শ্ৰমিক কৰ্মচাৰী সকলে ১৯৮৯ চনৰ পৰাই সংশোধিত হাৰত দৰ্মহা আৰু বানচ আদি পাব লাগে।

(There was some defect in microphone for a while)

**Mrs. Dy. Speaker :** Shri Phani Bhushan Choudhury, Minister Labour & Employment

* **শ্ৰী ফণী ভূষণ চৌধুৰী (শ্ৰম মন্ত্ৰী) ঃ** কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনা মতে বাতৰি কাকত সমূহক ১৯৮৪ চনৰ পৰা ১৯৮৭ চনলৈ এই তিনি বছৰৰ তেওঁলোকৰ বছেৰেকীয়া আয়ৰ ভিত্তিত দহটা শ্ৰেণী বিভক্ত কৰে। এই দহটা শ্ৰেণীৰ বিভিন্ন কাকত সমূহে বাচাৱট ওৱেজ বোৰ্ডৰ নিৰ্দ্দেশাৱলী মতে তেওঁলোকৰ কৰ্মচাৰী সকলক সংশোধিত হাৰত দৰ্মহা আৰু বানচ আদায় দিব লাগে। মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়াই আজি প্ৰস্তাৱ আনিবলগীয়া হৈছে। এইটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক। অসম চৰকাৰৰ শ্ৰম বিভাগে বাচাৱট ওৱেজ বোৰ্ডৰ নিৰ্দ্দেশাৱলী সুকলমে আৰু সোনকালে কাৰ্য্যকৰী কৰাৰ অৰ্থে ১৯৯০ চনৰ জানুৱাৰী মাহত চৰকাৰ, মালিক পক্ষ আৰু শ্ৰমিক সাংবাদিকৰ প্ৰতিনিধিৰ দল লৈ এখন ত্ৰিপাক্ষিক কমিটি গঠন কৰি দিয়ে। ১৯৯০ চনৰ জুন মাহত অনুষ্ঠিত ত্ৰিপাক্ষিক কমিটিৰ বৈঠকত আলোচনা কৰি বাতৰি কাকত সমূহক তেওঁলোকৰ বছৰেকীয়া গড় আয়ৰ হিচাব দাখিল কৰাত তেওঁলোকৰ ওপৰত হেচা পেলোৱাৰ অৰ্থে সময়ে সময়ে ত্ৰিপাক্ষিক কমিটিৰ বৈঠক অনুষ্ঠিত কৰাৰ উপৰিও শ্ৰম বিভাগৰ ফালৰ পৰা গড় আয় হিচাবে বাতৰি কাকতসমূহৰ পৰা সংগ্ৰহ কৰিবলৈ নানা প্ৰকাৰ পদ্ধতি অৱলম্বন কৰা হয়। কিন্তু বাতৰি কাকত সমূহৰ প্ৰয়োজনীয় সহযোগিতাৰ অভাৱ

★ Speech not corrected

হেতু গড় আয়ৰ হিচাব পাব পৰা হোৱা নাই। সেয়েহে গড় আয়ৰ হিচাব নোপোৱা হেতু বাচাৱাট ওৱেজ বোৰ্ডৰ নিৰ্দ্দেশাৱলী মতে অসমৰ বাতৰি কাকত সমূহক শ্ৰেণী বিভাজন কৰাটো সম্ভৱপৰ হৈ উঠা নাই। অৱশ্যে অসমৰ বাতৰি কাকতৰ ভিতৰত মাত্ৰ কেইখনমান বাতৰি কাকতহে বাচাৱাট ওৱেজ বোৰ্ডৰ শ্ৰমিক কৰ্ম্মচাৰী সকলক সংশোধিত হাৰত দৰমহা আৰু অন্যান্য বানচ আদায় দিবলৈ কিছু পৰিমাণে সক্ষম হৈছে। ত্ৰিপাক্ষিক আলোচনা মৰ্মে সন্তোষজনক ফলাফল নোপোৱাত বাতৰি কাকত গোষ্ঠী সমূহৰ কিছুমানৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লব লগা হৈছে। তাৰ ভিতৰত জি-এল-পাব্লিকেশ্বন লিমিটেড, মেচাৰ্চ চন্দ্ৰকান্ত প্ৰেছ প্ৰাইভেট লিমিটেড আৰু অসমীয়া প্ৰতিদিন কাকতৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰি তেওঁলোকক জৰিমনা কৰা হৈছে। অগ্ৰদূত কাকতৰ বিৰুদ্ধেও মোকৰ্দ্দমা কৰা হৈছে কিন্তু মোকৰ্দ্দমাটো আদালতত বিচাৰাধীন হৈ আছে। শ্ৰম বিভাগে শেহতীয়া ভাবে ৩০-১০-৯৮ তাৰিখে ত্ৰিপাক্ষিক কমিটিৰ এখন বৈঠক অনুষ্ঠিত কৰে। কিন্তু দুখৰ বিষয় যে এই কমিটিৰ বৈঠক খনত বাতৰি কাকত মালিক গোষ্ঠীৰ ফালৰ পৰা মাত্ৰ এজন প্ৰতিনিধিহে উপস্থিত আছিল। এই ত্ৰিপাক্ষিক কমিটিৰ বৈঠকত বিভিন্ন দিশ আৰু পৰিস্থিতি পৰ্য্যালোচনা কৰি দুটা সৰ্ব্বসন্মত সিদ্ধান্ত লোৱা হয়।

১) বাতৰি কাকত প্ৰতিস্থান সমূহে তেওঁলোকৰ গড় বছৰেকীয়া আয়ৰ হিচাবত নিজে নিজে শ্ৰেণী বিভাজন কৰি বাচাৱাট ওৱেজ বোৰ্ডৰ নিৰ্দ্ধাৰিত সূচীমতে সংশোধিত দৰমহা আৰু অন্যান্য বানচ সাংবাদিক অসাংবাদিক শ্ৰমিক কৰ্ম্মচাৰী সকলক ১-১-৮৯ তাৰিখৰ পৰা পাব লগা সকলো ধন তৎকালীন ভাবে আদায় দিব আৰু চৰকাৰৰ ওচৰত ১-১-৯৯ তাৰিখে ৰিপোৰ্ট দাখিল কৰিব।

২) যি সকল বাতৰি কাকত প্ৰতিষ্ঠানে ১-১-৯৯ তাৰিখৰ ভিতৰত সম্পূৰ্ণ পাবলগীয়া দৰমহা আৰু বানচ আদায় দিব নোৱাৰে তেওঁলোকক বিজ্ঞাপন দিয়া বিষয়টো সংশ্লিষ্ট বিভাগসমূহৰ লগত উপস্থাপন কৰাৰ পিচত বিবেচনা কৰা হব।

আইন খন মতে দুশ টকা ফাইন কৰাৰ ব্যৱস্থা আছে যিসকল গোষ্ঠীয়ে বাচাৱট ওৱেজ বোৰ্ডৰ নিৰ্দ্দেশাৱলী মানি চলা নাই। মাননীয় সদস্য শ্ৰী বৰকটকী ডাঙৰীয়াই কৈছে যে আমি চাৰি বছৰে একো কৰা নাই। ১৯৮৯ চনত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত যি দিয়াৰ ব্যৱস্থা কৰা হৈছে সেইটো আমাৰ ইয়াতো দুই এক গোষ্ঠীয়ে দি আহিছে। তাৰ উপৰিও ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈ যেতিয়া তেখেতসকলৰ চৰকাৰ আহিল তেতিয়া বাতৰি প্ৰতিস্থানৰ কৰ্মচাৰী সকলক দা-দৰমহা দিয়া কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। আমাৰ এই চৰকাৰ অহাৰ পিচত ধাৰা মতে বহুতে ফাইন ভৰিছে। ইয়াত আইনত আছে। এতিয়া মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই অনা এই প্ৰস্তাৱৰ

ভিত্তিত প্ৰয়োজনীয় সংশোধনী কৰিব পৰা যায় নে নেযায় সেইটো লেজিচলেটিভ বিভাগ আৰু জুডিচিয়েল বিভাগৰ মতামত লৈ কৰিব পৰা হ'ব। তেখেত সকলৰ ভিউ কৈ দিছো - ইংৰাজীত -

The provisions of the Working Journalists and other Newspaper Employees' (Conditions of Service) and Miscellneous Provisions Act, 1955, appear to be self-sufficient for implementing the recommendations of the Wage Board constituted under the said Act. In view of the provisions of the Act, the employees of different Establishments are bound to make the payment of salaries and wages to the Working Journalists and other Newspaper Employees in accordance with the accepted recommendations of the Wage. Wage Board failing which they shall be liable for penal action and the dues also shall be recoverable as arrear of Land Revenue. Any working Journalists or other Newspaper Employees' aggreived for non-implementation of the Act may move the proper authority as provided in the Act for redressal and therefore, We are of the opinion that at present there is no necessity of any amendment of Act.

উপাধ্যক্ষ মহোদয়া, কৰ্ম্মচাৰীৰ ওৱেজৰ ক্ষেত্ৰত বাচাৱাট কমিটিৰ সিদ্ধান্ত মতে আমাক অভিযোগ দিব লাগে। কিন্তু সাংবাদিক বন্ধুসকলে বেয়া পায়, বা ভয় পায় নে অভাৱ নাই কাৰণে কৰা নাই সেই কাৰণে টকাৰ ওৱেজ আদি আদায় কৰাত অসুবিধা হৈছে। মাননীয় সাংবাদিক শইকীয়াৰ ক্ষেত্ৰত বাকীজাই কেচ হিচাবে কামৰূপৰ উপায়ুক্তৰ হাতত আছে। দুই মাহৰ দৰমহা দিয়া হৈছিল। ইয়াৰ উপৰিও সাংবাদিক সকলক সময়ে সময়ে হাৰাশাস্তি কৰাৰ ভয়ত আগুৱাই আহিছে। এতিয়া এই আইন খন সংশোধন কৰি বাচাৱাট ওৱেজ দিব পৰা যায় নেকি এইটো কৰিব লাগে। এইটো কেন্দ্ৰীয় চৰকাৰৰ কনকাৰেন্স লাগিব আইনখন সংশোধন কৰাৰ কাৰণে। চৰকাৰৰ ফালৰ পৰা সাংবাদিকসকলক বাচাৱাট আয়োগ মতে দৰমহা দিয়াৰ ক্ষেত্ৰত ......

সংশোধন কৰিবলৈ আজিৰ সদনত প্ৰস্তাৱ গ্ৰহণ কৰিলে আমাৰ আপত্তি নাই। আমিও এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম। মই এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াক জনাব খোজো যে এইটো বাচাৱাট পৰামৰ্শ মতে দা-দৰমহা দিয়াৰ কাৰণে এটা সংশোধনী প্ৰস্তাৱ আনিলে কাৰ্য্যকৰী কৰিবলৈ আমাৰ সুবিধা হয়।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, সংশোধনী শব্দটো এই প্ৰস্তাৱত অন্তৰ্ভুক্ত হওক।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অন্যান্য ৰাজ্যত বাচাৱাট পৰামৰ্শ মতে কৰিলে। আমাৰ অসমত

★ Speech not corrected

কৰা নাই সংশোধিত কৰি ইয়াতো দিয়াৰ কথা জানি থৈছো।

* শ্ৰী ফণী ভূষণ চৌধুৰী (শ্ৰম মন্ত্ৰী) ঃ সেই বিলাক ৰাজ্যত সাংবাদিক সকল আগবাঢ়ি আহিছিল। আমাৰ ইয়াত মালিক সকলৰ কাৰণে ভয় কৰি আছে। সেয়ে এনেকুৱা অৱস্থা হৈছে।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (শক্তি মন্ত্ৰী) ঃ ঠিক আছে। একেলগে দৈনিক বাতৰি নহয়, সকলো কাকত আৰু গুৱাহাটীৰ পৰা নহয় সকলোৰে পৰা হ'ব লাগে।

মাননীয়া উপাধ্যক্ষা ঃ অসমৰ সকলো বাতৰি কাকতে কাৰ্য্যকৰী কৰিব

Now, I put the resolution before the House. The resolution is that

"বৰ্ত্তমান অসমৰ পৰা প্ৰকাশ পোৱা দৈনিক বাতৰি কাকত সমূহৰ ভিতৰত অধিক সংখ্যক বাতৰি কাকত গুৱাহাটীৰ পৰাই প্ৰকাশ পায় কিন্তু অধিক সংখ্যক কাকতেই কৰ্মচাৰী সকলক 'বাছাৱাটৰ' দৰমহা গাথনি আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰা হোৱা নাই বুলি অভিযোগ উত্থাপন হৈ আছে। সেয়ে আজি বিধান সভাই ৰাজ্য চৰকাৰক অনুমোদন জনায় যে ৰাজ্য চৰকাৰে চৰকাৰী আইন প্ৰণয়ণৰ ব্যৱস্থা কৰি ইয়াৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে।"

Those who are in favour, say, Ayes, those who are against say, Noes. Ayes have it, Ayes have it, Ayes have it, the amended resolution is passed and adopted.

The House stands adjoured till 4 P.M. tomorrow, the 5th April/2000.

## Adjournment

The House then stood adjourned at 8.30 P.M. till 4.00 P.M. on Wednesday the 5th April 2000.

**Dispur**
the 4th April 2000

**D. Talukdar**
Secretary
Assam Legislative Assembly

## ANNEXURE - I

### LIST OF BENEFICIARIES UNDER NIP OF GOALPARA DISTRICT SINCE 1995, 1998-99

| Sl. No. | Name and address of the unit. | Trade | kind of subsidy | Amt. of Subsidy availed. | Whether the unit is running/ closed. |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 1. | M/s Rupanjali Printing Press. Prop. Khanindra Das, Dudhnoi. | Printing Press. | Man Power | 12,000/- | running |
| 2. | M/s Delecious Ind. Prop. Abdur Rahim, Goalpara. | Ice Slab | - do - | - do - | - do - |
| 3. | M/s Hazarika Printers Prop. R. Hussain, Agia Rd., Goalpara. | Book mfg. | - do - | 21,000/- | - do - |
| 4. | M/s Chakravarty Steel Febrication. Prop. Binaybhushan Chakravarty, Santinagar. | Steel Febrication | P. line | 2,163/- | Unit is clossed since 11/2 Year as stated by Proprietor due to lac of W/Capital. |
| 5. | M/s Delicious Ind. Prop. Abdur Rahim, Goalpara. | Ice Slab | Power | 15,515 | Running |
| 6. | M/s India Tyre Service Prop. Zebed Princ. Panch-ratna Rd. Goalpara. | Tyre rettre-ding. | -do- | 17,781/- | -do- |
| 7. | M/s H.B. Atta Mill, Prop. Tapan Das, Bhalukdubi. | Atta | Power | 12,080/- | -do- |
| 8. | M/s S. N. Engg. Works Prop. Samsuddin Goalpara. | Nut, Bolt | -do- | 9,049/- | -do- |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| 9. | M/s Valeview Ind Prop. Alokesh Bhuyan, Glp. | W/Furni-ture | -do- | 2,103/- | -do- |
| 10. | M/s Chakraborty Steel Febrication Prop. Binoy Chakraborty | Steel Febri-Cation | -do- | 5,712/- | As same as Sl. 4. |
| 11. | M/s Ambika Handloom Ind. Prop. Aloka Bala Kachari Adopara, Rongjuli. | Weaving | Stamp Duty | 3,052/- | Running |
| 12. | M/s Veliview Ind Prop. Alokesh Bhuyan Tilapara, Glp. | W/Furni-ture. | Interest Subsidy | 4,071/- | -do- |
| 13. | M/s Maa Manasha Ind. Prop. Umachandra Nath, Takadiabori | Weaving | Manpower | 30,000/- | -do- |
| 14. | M/s Janapriya Printing Press, Prop. Rafique Ahmed Ansari, Jaypur. | Book mfg. | -do- | 21,000/- | -do- |
| 15. | M/s Sabalambi Weaving Ind. Prop. Gayatri Rahba, Krishnai | Weaving | -do- | 24,000/- | -do- |
| 16. | M/s Laxmi Weaving Factory, Prop. Tarani Bala Rabha, Krishnai. | Weaving | Manpower | 15,000/- | running |
| 17. | M/s Jabar Motor Works Prop. Jabaur Islam Pancharatna Rd. Glp. | Carbory | -do- | 18,000/- | -do- |
| 18. | M/s Laxicon Engg. Works Prop. Md. Ismail, Nayapara, Glp. | Steel febri cation | -do- | 15,000/- | -do- |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| 19. | M/s Janaki Weaving Ind. Prop. Mrixin Rabha Dudhnoi. | Weaving | -do- | 9,000/- | -do- |
| 20. | M/s S.N. Engg. Works, Prop. Sameuddha, Nayapara, Goalpara. | Nut,Bolt | -do- | 12,000/- | -do- |
| 21. | M/s Pratima Weaving Ind. Prop. Mani Bala Rabha, Bhalukdubi | Weaving | -do- | 9.000/- | -do- |
| 22. | M/s Sanjita Rice Mill Prop. Dharmeswar Kachari, Darrangiri. | Rice | P/Line drawal | 3,773/- | -do- |
| 23. | M/s S.N. Engg. Works Prop. Samsuddha, Nayapara. | Nut Bolt etc. | -do- | 5,750/- | -do- |
| 24. | M/s Deleciaous Ind. Prop. Abdur Rahim, Kismotpur, Glp. | Ice slab | -do- | 2,047/- | -do- |
| 25. | M/s M.R. Rice Mill, Prop. Famuzur Rahman, Karabla, Glp. | Rice | -do- | 11,632/- | -do- |
| 26. | M/s Malek Weldn. Motor Works. Prop. Malek Hussain, Pancharatna Rd. Goalpara. | Steel febri cation. | -do- | 5,271/- | -do- |
| 27. | M/s Rakesh Engg. Works, Prop. Sorahab Ali, Panchratna Rd. Glp. | Nut Bolt | -do- | 8,406/- | -do- |
| 28. | M/s Tripti Enterprise, Prop. Adhir Biswas, Agia Rd. Goalpara. | Steel febri cation | -do- | 4,100/- | Unit has gut- ted in fire and closed at pre- sent. |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| 29. | M/s Lakhimi Rice Atta Mill, Prop. Pankaj Kr. Nath Matia. | Rice Atta. | -do- | 8,759/- | Running. |
| 30. | M/s Malek Welding Motor Works, Prop. Malek Hussain, Panchratna Rd. Glp. | Steel febri-cation | Power tariff | 3,244/- | -do- |
| 31. | M/s Deleceious Ind. Prop. Abdur Rahim, Islampur, Glp. | Ice clab | -do- | 8,497/- | -do- |
| 32. | M/s S.N. Engg. Works Prop. Samsuddha, Nayapara, Glp. | Nut Bolt etc. | -do- | 3,606/- | -do- |
| 33. | M/s M.R. Rice Mill, Prop. Mafuzur Rahman Karbala, Goalpara. | Rice | Power tariff | 18,530/- | Running. |
| 34. | M/s Tripti Enter-prises, Prop. Adhir Biswas, Agia Rd. Glp. | Steel furni-ture | -do- | 7,558/- | The unit has gutted in fair & closed at present |
| 35. | M/s Rakesh Engg. Works, Prop. Sarahab Ali, Pancharatna Rd. Goalpara. | Nut bolt etc. | -do- | 2,395/- | Running. |
| 36. | M/S Chakraborty Steel Furniture, Prop. Binoy Bhushan, Chakraborty, Santinagar, Glp. | Steel furni-ture. | -do- | 2,828/- | Same as Sl.4 |
| 37. | M/s Tulika RIce Mill Prop. Dina Das, Bagdoba | Rice | -do- | 5,996/- | Running |
| 38. | M/s Delcious Ind, | Ice slab. | Man | 12,000/- | -do- |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| | Prop. Abdur Rahim Islampur, Glp. | | Power | | |
| 39. | M/s Malek Motor Works, Prop. Malek Hussain Panchratna Rd., Glp. | Steel febri-cation. | -do- | 15,000/- | -do- |
| 40. | M/s Rakesh Engg., Works, Prop. Sorahb Ali, Panchratna Rd., Glp. | Nut Bolt | -do- | 18,000/- | -do- |
| 41. | M/s Sablambi Weaving Ind., Prop. Cyatri Rabha, Krishnai. | Weaving | -do- | 24,000/- | -do- |
| 42. | M/s Hindustan Grill Ind. Prop. Sahid Arsad Mazid, Nayapara, Glp. | Steel febri-cation. | P/Line | 1,098/- | -do- |
| 43. | M/s R. Febrication Ind. unit, Prop. Rubban Ali, Nayapara, Glp. | Nut Botl etc. | -do- | 1,968/- | -do- |
| 44. | M/s M.R. Rice Mill, Prop. Mafuzur Rahman, Karbala, Goalpara, | Rice | Power tariff | 19,486/- | -do- |
| 45. | M/s Brother Rice Mills, Prop. Adhu Samad, Paharsingpara, Glp. | Rice | -do- | 2,107/- | -do- |

LIST OF BENEFICIARIES UNDER SCIS/NIP OF GOALPARA DISTRICT SINCE 1995, TO 1998-99

| Sl. No. | Name and address of the unit. | Trade | Amount of Subsidy Recommended by DLC With the Name of Disub. Agency. | Whether the the unit is running/ closed. | Remerk. |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 1. | M/S M.R. RIce Mill Prop. Mafusor Rahman, Karbala, Glp. | Rice | Rs.95;069/- ASIDC | Running | |
| 2. | Ali Automobile Works Prop. Rubban Ali, Kalitapara, Glp. | Steel Febri cation | Rs.97,123/- do- | -do- | |
| 3. | Glp. Photostar Centre Amal Saha, Goalpara | Photo-state | Rs.43,100/- -do- | -do- | |
| 4. | Noryh Eastern Fruit Processing Ind. Jayjit Das, Beltala Glp. | Fruit Processing. | Rs.3,80,761/- -do- | -do- | Unit is an existing but not functioning at present due to provailing situation as stated by the Prop. proprietor. |
| 5. | Delicate Ind. Addur Rahim, Ambari, Glp. | Ice Slab Candy | Rs.42,953/- -do- | Running | |
| 6. | Hazarika Printers, Rafiwuel Hussain, Agia Road, Golpara. | Register Book Binding. | Rs.67,644/- -do- | -do- | |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| 7. | Sarma Motor Garage Rameswar Sarma Baladmari, Glp. | Car Body Build. | Rs.42,953/- -do- | Running | |
| 8. | Goalpara Polapoin Serv., Shyamalanshu Patgiri, Goalpara. | Photo Lamina-tion | Rs.24,977/- -do- | -do- | |
| 9. | Town Automatic Photo stat, Mrinal Kanti Roy Agia Rd. Goalpara. | Photo-stat | Rs. 65,746/- -do- | -do- | |
| 10. | Kalpataru Bayan Udyog Kanaklata Pathak, Matia | D/Textile. | Rs.32,889/- -do- | -do- | |
| 11. | Janapriya Printing & Book Binding Rafiquel Ansari, Jayapur | Register/ Book Register | Rs. 47,723/- -do- | -do- | |
| 12. | Traabhanu Tailoring Unit Tarabhanu, Kharmuja | Tailor-ing | Rs. 769/- -do- | -do- | |
| 13. | Jabaur Motor Works Jabaur Islam, Panchat-atna, Rd. Glp. | Car Body Building | Rs.14,420/- -do- | -do- | |
| 14. | Laxicon Engg. Works Goalpara, Md. Ismail. | Steel Febri-cation | Rs.4,225/- -do- | -do- | |
| 15. | S.N. Engg. Works Samsuddin, Goalpara. | Nut Bolt | Rs. 15,590/- -do- | -do- | |
| 16. | G.L.P. Photostat Centre Amal Saha, Goalpara. | Photo- | Rs.53,367/- -do- | -do- | |
| 17. | S.B. Ind. Suriya Beguam Kalitapara, Goalpara | Readymade Gar-ments | Rs.14,252/- -do- | -do- | |
| 18. | Papu Automatic Photostat Centre Sanjib Chakraborty | Photostat | Rs. 38,779/- -do- | -do- | |
| 19. | Automatic Photostat Centre, Pankaj Das, Goalpara | -do- | Rs.45,457/- -do- | -do- | |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| 20. | S.N. Engg. Works Sumsuddaba, Nayapara Glp. | Nut Bolt | Rs.32,100/- | -do- | -do- |
| 21. | Baleceuous Ind. Abdur Rahim, Kismtpur Goalpara | Ice slab candy etc. | Rs.71,444/- | do- | -do- |
| 22. | Sangita Rice Mill Dharmeswar Kachari Darrangiri. | Rice Mill | Rs.81,847/- | -do- | -do- |
| 23. | Maharshi Weavn. Centre, Kanisha Haowari, Dubhnoi | Weaving | Rs.26,432/- | do- | -do- |
| 24. | Sarma Photostat Rameswar Sarma, Agia Goalpara. | Photo-stat | Rs.50,430/- | -do- | -do- |
| 25. | Enu Automatic Photo-stat Centre, Ebadat Hussain B.O.C., Baladmari | Photo- | Rs.36,733/- | -do- | -do- |
| 26. | Sabalambi Weav. Ind. Cayatri Rabha, Khalja, Palkan, Hrishnai | Weaving | Rs.76,083/- | -do- | -do- |
| 27. | Asami Rice Mill Ranjan Das, Dhupdhara | Rice Mill | Rs.40,00/- | -do- | -do- |
| 28. | Sri Bijay & Son's Rice Mill, Rajib Kochan Choudhury, Ambari. | -do- | Rs.30,620/- | -do- | -do- |
| 29. | Tulika Rice Mill Bina Das, Pipulabari Bagdoba | -do- | 32,000/- | -do- | -do- |
| 30. | Rupanjali Printing Press Khanidra Das, Dudhnoi | Register Book Binding | Rs.37,224/- | -do- | -do- |
| 31. | Sarabab Motor Works Sarhab Ali, Panyaratna Building Rd. Goalpara. | Carbody | Rs.5,000/- | -do- | -do- |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| 32. | Verma Icc Factory Triloki Nath Varma | Icc Candy | Rs.70,000/- | -do- | -do- |
| 33. | Bakhipur Biswakarma Handloom Ind. Maniki Sarma, Bakaitary. | Weaving | Rs.15,195/- | -do- | -do- |
| 34. | Rakesh Ind. Neera Babha, Kachandal | -do- | Rs.24,606/- | -do- | -do- |
| 35. | Hindustan Grill Ind. Arshad Mazid, Nayapra, Goalpara. | Steel Feb-rication | Rs.29,100/- | -do- | -do- |
| 36. | R. Febrication Ind. Unit Rubban Ali. Hasilapara, Goalpara. | -do- | Rs.94,536/- | -do- | -do- |
| 37. | Himani Ind. Ila Bala Rangsai. | Weaving | Rs.6,056/- | -do- | -do- |
| 38. | Sunkar Fish Firming Pradip Patgiri, Matia | Hatceery | Rs.80,000/- | -do- | -do- |
| 39. | M/s Tribeni Ind. Sambhubayan, Khekapara. | Rice Mill | Rs.85,813/- | ASIDC | Running. |
| 40. | M/s Sumi Handloom Ind. Irana Maram, Agia. Goalpara. | Weaving. | Rs.28,263/- | -do- | -do- |
| 41. | Tangshil Oil Mill. Adgar Momin, Derek, Afia. | M.Oil. | Rs.16,584/- | -do- | -do- |
| 42. | Kalita Photostat Cetre. Amal Kalita. Agia. | Photostat. | Rs.20,000/- | -do- | -do- |
| 43. | Lakhimi Rice Atta. Mill. Pankaj Kr. Nath. Matia. | Rice/Atta. | Rs.20,000/- | -do- | -do- |
| 44. | Bhaiti Press. Dilip Rabha, Darrangiri | Register Book Mfg. | Rs.15,000/- | -do- | -do- |
| 45. | S.M.Ind. Sujuni Marak, Takura. | Atta. | Rs.15,000/- | AFC | -do- |

| 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|
| 46. | Manab Rubber Product Dilip Rabha, Darrangiri. | R/Bend. | Rs.20,000/- | ASIDC | -do- |
| 47. | Sakardev Rice Mill Binapani Talikdar. Bhubdhara. | Rice | Rs.37,751/- | AFC | -do- |

# ANNEXURE - II

## GOVERNMENT OF ASSAM

## OFFICE OF THE SUB-DIVISIONAL FISHERY DEVELOPMENT OFFICER

## RAMKRISHNA NAGAR : : : KARIMGANJ

NO. AFKR.1/99-2000/39 Dated Ramkrishnanagar, the 30th July,1999

From : SHRI G. C. BHOWMICK, D.F.Sc.,
Sub-Divisional Fishery Devt. Officer,
Ramkrishnanagar.

To : The Director of Fisheries, Assam,
Meen Bhavan, Birubari, Guwahati - 16.

Sub. : CLARIFICATION ON THE POSITION OF THE OFFICE OF THE SUB-DIVISIONAL FISHERY DEVT. OFFICER, RAMKRISHNANAGAR, DISTRICT - KARIMGANJ.

Sir,

With reference to the subject cited above, I have the honour to inform you that the independent Office of the Sub-Divisional Fishery Devt. Officer, Ramkrishnanagar of the Karimganj District was started functioning since 12-10-1993 in an independent Office building (rented house) of Ramkrishnanagar town with independent signboard of the Office.

But, is being observed that in the general circulars, instructions, orders, policies, letters etc. issued from your Office the copies of all the Sub-Divisional Fishery Devt. Officer of entire Assam is mentioned but the copy of SDFDO, Ramkrishnanagar is not mentioned and as a result no any letter to coming to the Office of the undersigned for which undersigned remain in quite dard regarding Govt. policies relating to Sub-Divisional Fishery Office and facing embrassing situations in front of the public for inability to give

